● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত


সামাজিক দায়বদ্ধতাত অবিচল

www.dainikagradoot.in

**দিগ্‌দৰ্শন**

কোনো এটা কাম আৰম্ভ কৰাৰ বাবে প্ৰথমে কথা বন্ধ কৰি ইয়াক কৰিবলৈ আৰম্ভ কৰাটো জৰুৰী।

ৱাল্ট ডিজনী
*আমেৰিকাৰ প্ৰযোজক*



৭ ৩৩ খন দেশলৈ সংক্ৰমিত হ'ল অ'মিক্ৰন ঃ চিন্তিত বিশ্ব
১৫ শতকেৰে ভাৰতৰ মান ৰাখিলে মায়ংকে
৪ কৰ্তব্য আৰু অধিকাৰৰ প্ৰসংগত আত্ম-মূল্যাংকনৰ প্ৰয়াস

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৫৮তম সংখ্যা ● গুৱাহাটী ● শনিবাৰ ১৭ আঘোণ ১৪২৮ ভাস্কৰাব্দ ৪ ডিচেম্বৰ ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Saturday 4 December 2021 মূল্য ঃ ৯.০০ টকা

■ ৰাজ্যৰ পাঁচ সমষ্টিত বিজ্ঞাপন-বেনাৰ-প'ষ্টাৰৰ নামত ব্যয় ন কোটি ■ যাতায়াতৰ বাবদ ব্যয় ১৩ কোটি ■ প্ৰাৰ্থীক ৩০ কোটি ■ সৰ্বাধিক ১৯ কোটি ব্যয় বিজেপিৰ-কংগ্ৰেছৰ চাৰি কোটি

# নিৰ্বাচনত দলীয় ব্যয় ৫৪ কোটিৰ অধিক

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩ ডিচেম্বৰ ঃ** ৰাজ্যত চলিত বছৰৰ এপ্ৰিলত সম্পন্ন হৈ যোৱা নিৰ্বাচনত প্ৰতিদ্বন্দ্বী ৰাজনৈতিক দলসমূহে ৫৪.২১৬ কোটি টকা ব্যয় কৰে। অৱশ্যে এয়া নিৰ্বাচন আয়োগক দাখিল কৰা হিচাপহে। এডিআৰে প্ৰকাশ কৰা প্ৰতিবেদনত এই তথ্য পোহৰলৈ আহিছে। দেশৰ পাঁচ ৰাজ্যৰ বিগত নিৰ্বাচনত ৰাজনৈতিক দলসমূহে সংগ্ৰহ কৰা পুঁজি আৰু ব্যয়ৰ সন্দৰ্ভত এডিআৰে চলোৱা জৰীপৰ অন্তত আজি সংস্থাটোৱে প্ৰকাশ কৰা প্ৰতিবেদনত শাসকীয় দল বিজেপিয়ে অসমত ১৯.২১৩ কোটি টকা ব্যয় কৰা বুলি প্ৰকাশ পাইছে। সংস্থাটোৰ প্ৰতিবেদনত প্ৰকাশ পোৱা তথ্য অনুসৰি, বিগত নিৰ্বাচনত বিজেপিৰ ১৯.২১৩ কোটি ব্যয়ৰ বিপৰীতে ৪.৩০৭ কোটি টকা ব্যয় কৰে কংগ্ৰেছে। উল্লেখ্য যে এই নিৰ্বাচনত ব্যয় হোৱা উল্লিখিত ধনৰ ৯.০৮৪ কোটি প্ৰচাৰত, ২৯.৯৪ কোটি দলীয় প্ৰাৰ্থীক বিভিন্ন ব্যয়ৰ বাবে প্ৰদানত, যাতায়াতৰ বাবদ ১৩.৪৫৫ কোটি, অন্যান্য শিতানত ১.২৬৮ কোটি আৰু অপৰাধ গোচৰ থকা প্ৰাৰ্থীৰ বিজ্ঞাপনৰ বাবদ ০.৪৬২ কোটি টকা ব্যয় কৰা হৈছে। নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা ৰাজনৈতিক দলসমূহে সৰ্বমুঠ ৩৮.১৬৬ কোটি টকা পুঁজি সংগ্ৰহ কৰাৰ বিপৰীতে ২৩.৬৪৮ কোটি টকা খৰচ কৰে। ১০ পৃষ্ঠাত চাওক

## ৰাজভৱনত প্ৰথম ৰাষ্ট্ৰপতি ৰাজেন্দ্ৰ প্ৰসাদৰ প্ৰতিমূৰ্তি উন্মোচন

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩ ডিচেম্বৰ ঃ** দেশৰ প্ৰথমগৰাকী ৰাষ্ট্ৰপতি ড° ৰাজেন্দ্ৰ প্ৰসাদৰ ১৩৭ সংখ্যক জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি ৰাজ্যপাল জগদীশ মুখী আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ৰাজভৱনত তেওঁৰ এটা পূৰ্ণাৱয়ব প্ৰতিমূৰ্তি উন্মোচন কৰাৰ ১০ পৃষ্ঠাত চাওক


*দেশৰ প্ৰথম ৰাষ্ট্ৰপতি ৰাজেন্দ্ৰ প্ৰসাদৰ প্ৰতিমূৰ্তি উন্মোচনত ৰাজ্যপাল আৰু মুখ্যমন্ত্ৰী, ৰাজভৱনত শুকুৰবাৰে।*

## দিছপুৰৰ সমীপৰ পিলিংকাটাৰ ৰাটাচেৰা গিজাং দাবী মেঘালয়ৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩ ডিচেম্বৰ ঃ** মেঘালয়ৰ লগত থকা সীমা বিবাদ মীমাংসাৰ প্ৰথম পৰ্যায়ত আৰম্ভ হোৱা দুই স্থানক লৈ চুবুৰীয়া ৰাজ্যখনে গ্ৰহণ কৰা স্থিতিয়ে নতুন জটিলতা সৃষ্টিৰ আশংকা কৰিছে অসমে। আটাইকেইটাত ১০ পৃষ্ঠাত চাওক

## অনিমেষ ভূঞাৰ হত্যাৰ অনুসন্ধানৰ বাবে বিশেষ তদন্তকাৰী গোট

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**যোৰহাট, ৩ ডিচেম্বৰ ঃ** সভ্য সমাজক লজ্জানত কৰা তথা ছাত্ৰ নেতা অনিমেষ ভূঞাৰ অমানৱীয় হত্যাকাণ্ডৰ অনুসন্ধানৰ বাবে বিশেষ তদন্তকাৰী গোট গঠন কৰিছে যোৰহাট আৰক্ষীয়ে। এই সন্দৰ্ভত আজি ছয় পৃষ্ঠাত চাওক

■ নাবাৰ্ডৰ ঋণেৰে চৰাইদেউত ৫৬৪.৪২ কোটি-বিশ্বনাথত ৫৫৭ কোটি ব্যয় সাপেক্ষে মেডিকেল কলেজ স্থাপন ■ একে অঞ্চলতে দুখন সমবায় সমিতি থাকিব পাৰিব ■ আইন সংশোধন হ'ব

## ইভিএমৰ জৰিয়তে আসন্ন পৌৰ নিৰ্বাচন অনুষ্ঠিত কৰাৰ সিদ্ধান্ত কেবিনেটৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩ ডিচেম্বৰ ঃ** ৰাজ্যত দুখন মেডিকেল কলেজ স্থাপনৰ বাবে আজি কেবিনেটে অনুমোদন জনায়। এই মৰ্মে চৰাইদেউ জিলা আৰু বিশ্বনাথ জিলাত দুখন নতুন মেডিকেল কলেজ স্থাপন কৰা হ'ব। চৰাইদেউত প্ৰকল্পক লৈ হ'ব ৫৫৭ কোটি আৰু বিশ্বনাথত ৫৬৪ কোটি। এই নতুন মেডিকেল কলেজ দুখন নিৰ্মাণ কৰা হ'ব নাবাৰ্ডৰ ঋণেৰে। ঋণ গ্ৰহণ কৰি প্ৰকল্পলৈ ধনৰ যোগান ধৰিব অসম আন্তঃগাঁথনি বিশ্ব সংস্থাই। কেবিনেটত আজি গৃহীত আন এক সিদ্ধান্ত অনুসৰি সমবায় ক্ষেত্ৰত প্ৰতিদ্বন্দ্বিতা আৰু পেছাদাৰিত্ব প্ৰসাৰৰ বাবে অসম সমবায় সমিতি আইন, ২০০৭ৰ ধাৰা ৬ (৩) বিলুপ্ত কৰিবলৈ কেবিনেটে ছয় পৃষ্ঠাত চাওক

শালমাৰাৰ গাঁওবুঢ়া নিযুক্তি কেলেংকাৰি

## ছইবৰৰ একালৰ সংগী তদানীন্তন দুই চক্ৰ বিষয়াক মাৰাথন জেৰা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩ ডিচেম্বৰ ঃ** ২০১৮ত চাৰিৰ পৰা ১২লাখ টকা পৰ্যন্ত দক্ষিণ শালমাৰা জিলাত একোটা গাঁওবুঢ়াৰ পদ বিক্ৰী কৰা গোচৰত জিলাখনৰ তদানীন্তন উপায়ুক্ত আতিকা চুলতানাৰ নাম সাঙোৰ খাই পৰাৰ পাছতে সেই সময়ত দক্ষিণ শালমাৰা ১০ পৃষ্ঠাত চাওক

■ প্ৰশাসনৰ উচ্ছেদত জাহ গ'ল ৪০ বছৰৰ শ্ৰমত গঢ়ি উঠা সেউজীয়া সপোন ■ হোজাইৰ উপায়ুক্তই ক'লে ঃ সংস্থাপনৰ যাৱতীয় প্ৰক্ৰিয়া চলি আছে, উচ্ছেদিতৰ নথিপত্ৰ পৰীক্ষা হৈছে

## প্ৰতিটো পৰিয়ালে বন বিষয়াক নিয়মীয়াকৈ আদায় দিছিল ধন

লামডিং সংৰক্ষিত বনাঞ্চলত দীৰ্ঘদিনৰ বেদখলৰ আঁৰত কাৰ পৃষ্ঠপোষকতা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**লামডিং, ৩ ডিচেম্বৰ ঃ** 'ঠাণ্ডা বাঢ়ি আহিছে। সন্ধিয়া হ'লেই ডাঠ কুঁৱলী পৰে। মাজৰাতি বৰষুণৰ দৰে নিয়ৰৰ টোপাল পৰে। আমি বুঢ়া-বুঢ়ীবোৰে গোটেই ৰাতি জুই জ্বলাই সময় পাৰ কৰিছো। কণ কণ শিশুবিলাকৰ কাৰণে বেয়া লাগে। কাপোৰ-কানি নাই। ঘৰ বুলিবলৈ বেৰ নাই। ওপৰত চৰকাৰে দিয়া তিৰপাল অলপ ঢাকি থৈছো। বতাহজাক আহিলে সেয়াও উৰি যায়। কি কৰিম, ক'লৈ যাম, কাক কি ক'ম! মানুহে কয় ভগৱান নিষ্ঠুৰ। আমি কওঁ ভগৱানৰ চকু, কাণ, নাক একোৱেই নাই। ওলোটা যম ৰজাৰ কৃপাতহে আমি নমৰাকৈ জীয়াই আছো।' কথাখিনি কৈ হঠাৎ বিলাতী চাকমা বহা ঠাইৰ পৰা উঠি গুচি গ'ল। পুত্ৰ-বোৱাৰী, নাতি-নাতিনীৰে ভৰা ৭৫ বছৰীয়া স্বামীহাৰা বিলাতী চাকমাই কিছু সময় পাছত ওলাই আহি পুনৰ ক'লে, 'এসপ্তাহ আগতে চৰকাৰে যোগান ধৰা খোৰাপানী অলপ সাঁচি থৈছিলো। নাতিবিলাকে পেলালে। আপোনাক চাহ খুৱাবলৈও এতিয়া পানী এটোপাল নাই। বেয়া নাপাব। আমি এতিয়া ১০ পৃষ্ঠাত চাওক



## ছখন বিএড মহাবিদ্যালয়ৰ স্বীকৃতি বাতিল বিশ্ববিদ্যালয়ৰ


ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থীৰ মাজত হাহাকাৰ

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ৩ ডিচেম্বৰ ঃ** ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনত থকা ছখনকৈ বি.এড মহাবিদ্যালয়ৰ স্বীকৃতি বাতিলত হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে শিক্ষাৰ্থীসকলৰ মাজত। নেচনেল কাউন্সিল ফৰ টিচাৰ এডুকেছন (এনচিটিই)ৰ ৱেবচাইটত এই তথ্য প্ৰকাশ হোৱাত হাহাকাৰ লাগিছে ডিব্ৰুগড়, তিনিচুকীয়া, ছয় পৃষ্ঠাত চাওক

## দিল্লীৰ প্ৰদূষণৰ বাবে পাকিস্তানক দায়ী কৰিলে উত্তৰ প্ৰদেশ চৰকাৰে

■ যুক্তি শুনি মুখ্য ন্যায়াধীশৰ প্ৰশ্ন ঃ পাকিস্তানৰ উদ্যোগৰ ওপৰত নিষেধাজ্ঞা জাৰি কৰিব নেকি?

**■ নিউজ ব্যুৰ'**
**নতুন দিল্লী, ৩ ডিচেম্বৰ ঃ** দিল্লীত বৰ্ধিত প্ৰদূষণৰ কাৰণ হিচাপে পাকিস্তানৰ পৰা অহা প্ৰদূষিত বতাহক উত্তৰ প্ৰদেশ চৰকাৰে দোষাৰোপ কৰাত ক্ষুব্ধ হৈ পৰিল উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ। যোগী আদিত্য নাথ চৰকাৰে আজি মুখ্য ন্যায়াধীশ এম ভি ৰামান্নাৰ আদালতক কয় যে উত্তৰ প্ৰদেশলৈ মূলতঃ পাকিস্তানৰ পৰাই বতাহ প্ৰবাহিত হয়। কেৱল উত্তৰ প্ৰদেশৰ বাবেই দিল্লী প্ৰদূষিত হোৱা ১০ পৃষ্ঠাত চাওক



## লেজাইৰ চেঁচা নৈত সোমাল আই-২০, জোৱানৰ মৃত্যু


**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ৩ ডিচেম্বৰ ঃ** ডিব্ৰুগড়ৰ লেজাইত বাহনসহ নদীত ডুব গৈ শোকাৱহভাৱে এজন চিআৰপিএফ জোৱানৰ মৃত্যু হয়। ছত্তিছগড়ত কৰ্মৰত ২২৮ নম্বৰ বেটেলিয়ানৰ হাবিলদাৰ কৰণি ৰঞ্জন বৰা ছুটীত ঘৰলৈ আহিছিল। লেজাইৰ বৰদৈবামৰ বাসগৃহৰ পৰা নিজৰ এ-এছ-২৩-জি-৭৮১৭ নম্বৰৰ আই-২০ খন নিজে চলাই গৈছিল। কিন্তু বাহনখন ১০ পৃষ্ঠাত চাওক

■ সুপৰিকল্পিত বজাৰ নিৰ্মাণত গুৰুত্ব নাই ■ বিভাগীয় কাম-কাজৰ তথ্য নিদিয়ে বিষয়াই

## পৌৰ নিগমৰ বজাৰত সা-সুবিধা নিদিয়া বাবেই পদপথলৈ ঢাপলি মেলিছে ব্যৱসায়ীয়ে

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩ ডিচেম্বৰ ঃ** গুৱাহাটী মহানগৰীক স্মাৰ্ট চিটি হিচাপে গঢ়ি তোলাৰ ঘোষণা কৰিছে অসম চৰকাৰে। গুৱাহাটীক স্মাৰ্ট চিটিৰ ৰূপ দিবলৈ হ'লে প্ৰথমে ইয়াৰ দীৰ্ঘদিনীয়া সমস্যাসমূহ সমাধান কৰিব লাগিব। আন নহ'লেও কৃত্ৰিম বান, নলা-নৰ্দমা, ৰাস্তা-ঘাট, ষ্ট্ৰীট লাইট, খোৱাপানী আৰু অতিকৈ প্ৰয়োজনীয় মহানগৰীৰ পদপথৰ ব্যৱসায়ীৰ লগতে বছৰ বছৰ ধৰি শাক-পাচলি, ফল-মূল আদি বিক্ৰী কৰি অহা থলুৱা লোকসকলক পৰ্যাপ্ত সা-সুবিধা প্ৰদানেৰে এখন বজাৰৰ ব্যৱস্থা কৰিব লাগিব। সম্প্ৰতি বিশেষকৈ তলাবন্ধৰ পাছত গুৱাহাটী মহানগৰীত পদপথ, অলি-গলিত শাক-পাচলিৰ ব্যৱসায়ী ভৰি পৰিছে। যিয়ে যেনেকৈ পাৰে য'তে-ত'তে পাচলি বিক্ৰী কৰিছে। কি পদপথ, কি বাছষ্টেণ্ড, কি প্ৰস্ৰাৱ কৰা স্থান, ১০ পৃষ্ঠাত চাওক





| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৮° | ১৭° |
| ডিব্ৰুগড় | ২৮° | ১৬° |
| দিল্লী | ২২° | ১৩° |
| কলকাতা | ২৮° | ২২° |
| মুম্বাই | ২৯° | ২৪° |
| চেন্নাই | ৩০° | ২৩° |
| বাংগালুৰু | ২৭° | ১৮° |
| শ্বিলং | ২০° | ১১° |

*৩ ডিচেম্বৰ, ২০২১*

■ তালিকাত দালাল-প্ৰবঞ্চক-শিক্ষকক অন্তৰ্ভুক্ত কৰিলে চিআইডিয়ে

## ভুৱা টেট ঃ ৪০ জনক অভিযুক্ত কৰি ১,১৭৫ পৃষ্ঠাৰ অভিযোগনামা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩ ডিচেম্বৰ ঃ** ভুৱা টে'ট প্ৰমাণপত্ৰ আৰু ভুৱা শিক্ষক নিযুক্তি কেলেংকাৰিত ধৃত ৪০জনক অভিযুক্ত কৰি আজি আদালতত ১,১৭৫ পৃষ্ঠাজোৰা অভিযোগনামা দাখিল কৰে তদন্তকাৰী সংস্থা অসম আৰক্ষী অপৰাধ তদন্ত বিভাগে। উল্লেখ্য যে টে'ট উত্তীৰ্ণৰ ভুৱা প্ৰমাণপত্ৰৰে শিক্ষক পদত নিয়োজিত কৰি লাখ লাখ টকা জালিয়াতিৰে সংগ্ৰহ কৰা এটা প্ৰৱঞ্চক চক্ৰৰ লগতে ৩৩ জন ভুৱা শিক্ষকক অক্টোবৰৰ প্ৰথম সপ্তাহত গ্ৰেপ্তাৰ কৰিছিল চিআইডিয়ে। এই সন্দৰ্ভত ভাৰতীয় দণ্ড বিধিৰ ১২০(বি)/৪২০/৪৬৭/৪৬৮/৪৭১ ধাৰাত ১০/২০২১ নম্বৰত চিআইডিয়ে এক গোচৰ ৰুজু কৰি তদন্ত প্ৰক্ৰিয়া আগবঢ়াই নিয়াৰ পাছত ইয়াৰ লগত জড়িত মুঠ ১০ পৃষ্ঠাত চাওক

## বিশ্বনাথত ঘাইপথত ট্ৰাকৰ চকাত মূৰ সুমুৱাই দি আত্মহত্যা

**অগ্ৰদূত বাৰ্তা**
**বিশ্বনাথ চাৰিআলি, ৩ ডিচেম্বৰ ঃ** বিশ্বনাথ চাৰিআলিৰ কোচগাঁৱৰ ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত আজি এজন যুৱকৰ ট্ৰাকৰ চকাৰ তলত সোমাই থিতাতে মৃত্যু হয়। অৱশ্যে স্থানীয় প্ৰত্যক্ষদৰ্শীৰ মতে, যুৱকজনে আত্মহত্যা কৰে। প্ৰথমে বিশ্বনাথত আউট এজেন্সীৰ সমীপত এখন মটৰ চাইকেলৰ সন্মুখত আহি ১০ পৃষ্ঠাত চাওক

■ বিচাৰি লৰাঢপৰা কৰ্ণাটক চৰকাৰৰ ঃ অধিক সংক্ৰমণৰ আশংকা

## ১০ অ'মিক্ৰন আক্ৰান্ত বিমানকোঠৰ পৰা সন্ধানহীন হোৱাত চাঞ্চল্যৰ সৃষ্টি

**■ নিউজ ব্যুৰ'**
**নতুন দিল্লী, ৩ ডিচেম্বৰ ঃ** ভাৰতত কৰ'নাৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ উপস্থিতি কালি নিশ্চিত হোৱাৰ পাছত আজি আন এক অঘটন ঘটিল। কৰ্ণাটকত অ'মিক্ৰনৰ দ্বাৰা সংক্ৰমিত হোৱা দুজন লোকৰ ভিতৰত এজনে এটা ব্যক্তিগত লেবৰেট'ৰীৰ পৰা গোপনে ক'ভিড নিগেটিভৰ প্ৰমাণ পত্ৰ সংগ্ৰহ কৰে। একে সময়তে বাংগালুৰু বিমানকোঠৰ পৰাও ১০জন অ'মিক্ৰনত আক্ৰান্ত লোক সন্ধানহীন হৈছে। এইসকলৰ সন্ধান চলাইছে কৰ্ণাটক চৰকাৰে। ৰাজ্যৰ ৰাজহ মন্ত্ৰী আৰ অশোকে আজি অ'মিক্ৰন সংক্ৰান্তীয় উচ্চ পৰ্যায়ৰ বৈঠকত কয়, 'আজি নিশাৰ ভিতৰতে সন্ধানহীন হোৱা ১০জন বিচাৰি উলিয়াব লাগিব ১০ পৃষ্ঠাত চাওক



চেঙা তেল


*ইমান চাপৰ মাজত যদি কেইটামান কেলেংকাৰি নকৰোৱেই তেন্তে মন্ত্ৰী হৈ আৰু কিডাল হ'ব!*

কে'বাদশক জোৰা ছবি প্ৰদৰ্শন স্তব্ধ হৈ পৰিল ■ কৰ'নাৰ পৰিপ্ৰেক্ষিতত বৃহৎ লোকচান

## অবিভক্ত নগাঁও জিলাত বন্ধ হ'ল ১৮ ছবিগৃহ

**■ হেমেন কুমাৰ দাস**
**নগাঁও, ৩ ডিচেম্বৰ ঃ** ৰাজ্য চৰকাৰৰ চলচ্চিত্ৰ নীতি, ছবিগৃহৰ মালিকপক্ষই ভীষণ লোকচানৰ সন্মুখীন হোৱা আদি বিভিন্ন কাৰণৰ পৰিপ্ৰেক্ষিতত অবিভক্ত নগাঁও জিলাৰ ১৮ টা চিনেমাগৃহ বন্ধ হৈ পৰিল। ৰাজ্যৰ চলচ্চিত্ৰ তথা সাংস্কৃতিক জগতৰ বাবে ই এক অত্যন্ত দুঃখবৰ। নগাঁও জিলাৰ সাতটা, হোজাই জিলাৰ সাতটা আৰু মৰিগাঁও জিলাৰ চাৰিটাকৈ চিনেমাগৃহ ইতিমধ্যে বন্ধ হৈ পৰিছে। প্ৰায় চাৰি দশক ধৰি নগাঁও চহৰৰ এক সাংস্কৃতিক ঐতিহ্য বহন কৰি অহা অভিজাত চিনেমাগৃহ হৈছে 'অদিতি'। জ্যোতিপ্ৰসাদ আগৰৱালাৰ স্মৃতি বিজৰিত 'জয়শ্ৰী' আৰু নগাঁও চহৰৰ 'এলফিনষ্টোন' চিনেমাগৃহ বন্ধ হৈ পৰাৰ পাছত ইতিমধ্যে ভাঙি পেলোৱা হয়। মধ্য অসমৰ অগণন সংস্কৃতিপ্ৰেমী ৰাইজৰ বহু স্মৃতি জড়িত হৈ থকা নগাঁও ১০ পৃষ্ঠাত চাওক



## জালুকবাৰীৰ স্কুলত ক'ভিড ঃ এসপ্তাহৰ বাবে কণ্টেইনমেণ্ট জ'ন ঘোষণা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩ ডিচেম্বৰ ঃ** গুৱাহাটীৰ সন্দিকৈ ছোৱালী মহাবিদ্যালয়, অসম জাতীয় বিদ্যালয়কে ধৰি কে'বাখনো শিক্ষা প্ৰতিষ্ঠানৰ কে'বাগৰাকী শিক্ষক-শিক্ষাৰ্থী ক'ভিডত আক্ৰান্ত হোৱাৰ পাছত সেই শিক্ষানুষ্ঠানক প্ৰশাসনে কণ্টেইনমেণ্ট ১০ পৃষ্ঠাত চাওক

■ সীমা সমস্যাক কেন্দ্ৰ কৰি বকোৰ সীমান্তত তীব্ৰ উত্তেজনা ঃ অসমৰ সাপ্তাহিক বজাৰ খণ্ডিত কৰিলে

## অসমৰ ভূমিতে অসম আৰক্ষীক পিছুৱাই পঠিয়ালে মেঘালয় আৰক্ষীয়ে

**অগ্ৰদূত বাৰ্তা**
**বকো, ৩ ডিচেম্বৰ ঃ** সীমা সমস্যাক কেন্দ্ৰ কৰি উত্তেজনা তুংগত উঠিছে অসম-মেঘালয় সীমান্তৱৰ্তী বকোৰ গামেৰীমুৱা অঞ্চলত। চুবুৰীয়া ৰাজ্য মেঘালয়ৰ কুটিল ৰাজনীতিৰ বাবে সম্প্ৰতি সীমান্তবাসী অসমীয়াৰ নিদ্ৰাহৰণ হৈছে। আনকি অসমৰ বজাৰ এখন মেঘালয়লৈ স্থানান্তৰিত কৰি বজাৰলৈ অহা এগৰাকী অসমৰ মহিলাক প্ৰহাৰ কৰা ঘটনাক লৈ আজি তীব্ৰ উত্তেজনাৰ সৃষ্টি হয় অঞ্চলটোত। বকোৰ সীমান্তৰ গামেৰীমুৱা মালাং শুকুৰবৰীয়া সাপ্তাহিক বজাৰখন বেদখল কৰি চুবুৰীয়া ৰাজ্যখনৰ শিলডুবিত স্থাপন কৰাৰ ষড়যন্ত্ৰৰে ব্যৱসায়ীসকলৰ ১০ পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত
গুৱাহাটী ৪ ডিচেম্বৰ, ২০২১ শনিবাৰ পৃষ্ঠা তিনি

## হোমেন বৰগোহাঞিৰ জন্ম দিৱসত ‘গ্ৰন্থ অধ্যয়ন দিৱস’ৰ আয়োজন

**বিশেষ সংবাদদাতা**
**লখিমপুৰ, ৩ ডিচেম্বৰ ঃ** অসমীয়া সাহিত্যজগতৰ বৰেণ্য সাহিত্যিক তথা প্ৰথিতযশা কথাশিল্পী হোমেন বৰগোহাঞিৰ জীৱিত কালতেই তেওঁৰ জন্মদিনটো লখিমপুৰৰ সামাজিক অনুষ্ঠান মংগলবোধ জাগৰণ কেন্দ্ৰই ‘গ্ৰন্থ অধ্যয়ন দিৱস’ হিচাপে বিগত বৰ্ষৰ সাত ডিচেম্বৰত উদ্‌যাপন কৰিছিল। উক্ত দিনটোৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰখাৰ মানসেৰে এই বৰ্ষতো অহা সাত ডিচেম্বৰত উদ্‌যাপনৰ সিদ্ধান্ত কৰি ‘মঙলবোধ জাগৰণ কেন্দ্ৰই প্ৰস্তুতি চলাইছে। ছয় পৃষ্ঠাত চাওক


সোঁতৰ বিপৰীতে

■ বি এইছ বি মহাবিদ্যালয়ৰ আলোচনাচক্ৰত আমেৰিকাস্থ বিজ্ঞানী

## ভাষা এটা সমস্যা নহয়, ই দক্ষতাৰ কথাহে ঃ ড০ চৌধুৰী

**অগ্ৰদূত বাৰ্তা**
**সৰুপেটা, ৩ ডিচেম্বৰ ঃ** ‘মাতৃভাষাত শিক্ষা লাভ কৰা ছাত্ৰ-ছাত্ৰীৰে ধাৰণা যে ভাষাক লৈ তেওঁলোকৰ ভৱিষ্যতে সমস্যা হ’ব পাৰে। কিন্তু ভাষা কেতিয়াও এটা সমস্যা নহয়। ভাষা হৈছে দক্ষতাৰ স’তে জড়িত কথা। এগৰাকী মানুহে ইচ্ছা কৰিলে নিজৰ প্ৰয়োজন অনুসৰি যিকোনো সময়তে যিকোনো ভাষাতে দক্ষতা আহৰণ কৰিব পাৰে।’ এই মন্তব্য আমেৰিকাস্থ ইনটেলৰ প্ৰাক্তন জ্যেষ্ঠ বিজ্ঞানী, পেপাৰ ব’ট একাডেমীৰ মুখ্য কাৰ্যবাহী বিষয়া আৰু ক্লেট’ৰ অধ্যক্ষ, বজালী জিলাৰ পাঠশালাৰ সুসন্তান ড০ ভাস্কৰ চৌধুৰীৰ। আজি সৰুপেটাৰ বি এইচ বি মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ উদ্যোগত আয়োজিত ছয় পৃষ্ঠাত চাওক

## ২৩ বছৰে নিৰ্মাণ নহ’ল শিৱসাগৰৰ দিখৌ দলঙৰ সংযোগী পথ

**বিশেষ সংবাদদাতা**
**শিৱসাগৰ, ৩ ডিচেম্বৰ ঃ** শিৱসাগৰ নগৰত দক্ষিণ দিশৰ পৰা প্ৰৱেশ কৰা দিখৌ নৈৰ ওপৰৰ পকী দলংখনৰ কাষৰ পথ যোৱা ২৩ বছৰে নিৰ্মাণ নোহোৱাত ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ছয় কোটি টকা ব্যয় সাপেক্ষে তদানীন্তন গড়কাপ্টানী মন্ত্ৰী অতুল বৰাই উদ্বোধন কৰা এই পকী দলংখনৰ মূল স্থায়ী প্ৰৱেশ পথ নথকাত এটা অস্থায়ী পথেৰে গাড়ী-মটৰ চলাচল কৰি আছে। বৃহৎ বৃহৎ গধুৰ গাড়ী-মটৰ যোৱাৰ নিষেধাজ্ঞা থকা দলংখনত নিতৌ হেজাৰ হেজাৰ গাড়ী-মটৰ চলাচল কৰাত পথটো সম্পূৰ্ণ এটা অংশ বহি যোৱাৰ উপক্ৰম হৈছে। ফলত প্ৰতিদিনে আমগুৰি ঘাটৰ দিখৌৰ ওপৰৰ পকী দলংখনৰ কাষৰ পথত নিতৌ সংঘটিত হৈছে সৰু

### কাণসাৰ নাই লোক নিৰ্মাণ বিভাগৰ

বৰ দুৰ্ঘটনা। উল্লেখ্য যে প্ৰায় এটা বছৰৰ পূৰ্বে উক্ত ঠাইডোখৰত এটা দুৰ্ঘটনা হৈ এজন যুৱকৰ মৃত্যু হৈছিল। আদালতৰ কথা দোহাৰি গড়কাপ্টানী বিভাগে দিখৌ নদীৰ পকী দলংখনৰ স্থায়ী পথ নিৰ্মাণৰ চেষ্টা নকৰিলে। ইফালে গড়কাপ্টানী বিভাগ নিদ্ৰামগ্ন হৈ থকাৰ মাজতেই এজন ব্যক্তিয়ে নগৰৰ দিশে এটা তেল ডিপ’ নিৰ্মাণ কৰিলে। যাৰ পৰিণতিত হৈ নুঠিল দিখৌ দলংখনৰ স্থায়ী পথ। তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ 60 শতাংশ আৰু ৰাজ্য চৰকাৰৰ 40 শতাংশ পুঁজিৰে প্ৰায় ছয় কোটি টকা ব্যয় সাপেক্ষে শিৱসাগৰত নিৰ্মাণ কৰা দিখৌৰ ওপৰৰ পকী দলংখন বৰ্তমান বিপজ্জনক হৈ তীব্ৰ ভাবুকিৰ সৃষ্টি কৰিছে। 1994ত যাতায়াতৰ বাবে মুকলি কৰা এই দিখৌ নদীৰ ওপৰৰ আমগুৰি ঘাটৰ দলংখনৰ দুয়োকাষে ছয় পৃষ্ঠাত চাওক

## মালেগড়ত সৃজনগ্ৰাম শিক্ষাখণ্ডৰ উদ্যোগত বিশ্ব প্ৰতিবন্ধী দিৱস উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**
**অভয়াপুৰী, ৩ ডিচেম্বৰ ঃ** অসম সৰ্বশিক্ষা মিছন বঙাইগাঁও জিলাৰ সৌজন্যত, সৃজনগ্ৰাম প্ৰাথমিক শিক্ষাখণ্ডৰ উদ্যোগত আজি বিশ্ব প্ৰতিবন্ধী দিৱস উদ্‌যাপন কৰা হয়। সৃজনগ্ৰাম শিক্ষাখণ্ডৰ অন্তৰ্গত মালেগড় নিম্ন বুনিয়াদী বিদ্যালয়ত অনুষ্ঠিত প্ৰতিবন্ধী দিৱসৰ পতাকা উত্তোলন কৰে উত্তৰ শালমাৰা মহকুমা শিক্ষক সন্মিলনীৰ সভাপতি ইছমাইল হুছেইন ভূঞাই। তাৰ পাছতে বৃক্ষৰোপণ কাৰ্যসূচী আৰম্ভ কৰে খণ্ড প্ৰাথমিক ছয় পৃষ্ঠাত চাওক

■ নিৰ্মাণ শ্ৰমিক কল্যাণ আইনৰ স্বকীয়তা ৰক্ষাৰ দাবী ■ ৫০ সহস্ৰাধিক শ্ৰমিকে অসমত কৰিলে সভা-সমদল

# দেশজুৰি নিৰ্মাণ শ্ৰমিকৰ দুদিনীয়া ধৰ্মঘট



**গুৱাহাটী, ৩ ডিচেম্বৰ ঃ** নিৰ্মাণ শ্ৰমিক কল্যাণ আইন, ১৯ বছৰৰ স্বকীয়তা ৰক্ষা সহ কে’বাটাও গুৰুত্বপূৰ্ণ দাবীত ভাৰত নিৰ্মাণ শ্ৰমিক ফেডাৰেছনে ছয় ডিছেম্বৰৰ পৰা দুদিনধৰি দেশজোৰা ধৰ্মঘট পালন কৰে। অসমতো চি আই টি ইউৰ অন্তৰ্ভুক্ত সদৌ অসম নিৰ্মাণ শ্ৰমিক ইউনিয়নে ৰাজ্যখনৰ প্ৰায় ৫০ সহস্ৰাধিক নিৰ্মাণ শ্ৰমিকক সংগঠিত কৰি এই ধৰ্মঘট পালন কৰে। ধৰ্মঘটৰ অংশ হিচাপে ছয় ডিচেম্বৰৰ দৰে আজিও ৰাজ্যখনৰ গোলাঘট, বৰপেটা, নলবাৰী, হাজো, ৰঙিয়া, ছয়গাঁও, বিহপুৰীয়া, ধেমাজি, মংগলদৈ, হৰিচিঙা, বালিপাৰ, মাণিকপুৰ, মৰিগাঁও, হাইলাকান্দি আদি ঠাইত হেজাৰ হেজাৰ নিৰ্মাণ শ্ৰমিকে সমবেত হৈ সভা সমদল সংগঠিত কৰে। হাইলাকান্দি জিলাত প্ৰায় ২০০ প্ৰতিবাদী নিৰ্মাণ শ্ৰমিকক পুলিচে গ্ৰেপ্তাৰ কৰে। গুৱাহাটীৰ ৰ’টাৰিত প্ৰায় তিনিশতাধিক নিৰ্মাণ শ্ৰমিকে অৱস্থান ধৰ্মঘট পালন কৰে। অৱস্থান কাৰ্যসূচীত অংশ লৈ চি আই টি ইউ মহানগৰ জিলাৰ সম্পাদক আলী আকবৰ আৰু সংগঠনটোৰ ৰাজ্যিক সাধাৰণ সম্পাদক মদন তালুকদাৰে কয় যে বিজেপি চৰকাৰৰ শাসনৰ এই সময়ছোৱাত নিৰ্মাণ শ্ৰমিকৰ সমস্যা তীব্ৰ হাৰত বৃদ্ধি পাইছে। শ্ৰমিকে কামৰ অভাৱত হাহাকাৰ কৰিব লগাত পৰিছে। চৰকাৰে শ্ৰমজীৱী মানুহৰ নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ দাম অহৰ্নিশে বৃদ্ধি ঘটাই আছে। নিৰ্মাণ সামগ্ৰীৰো অত্যাধিক হাৰত দাম বৃদ্ধি ঘটাই নিৰ্মাণ কাম বন্ধ হোৱা পৰিৱেশ সৃষ্টি কৰিছে। যাৰ ফলত নিৰ্মাণ শ্ৰমিকসকলে কাম নোপোৱাৰ অৱস্থা সৃষ্টি হৈছে। চৰকাৰ খনে নিৰ্মাণ খণ্ড, বেংক, বীমা, ভাৰতীয় ৰেলকে ধৰি দেশৰ লাভজনক খণ্ডবোৰ ব্যক্তিগত পুঁজিপতিৰ হাতত বিক্ৰী কৰি আছে। তালুকদাৰে কয়, ‘নিৰ্মাণ শ্ৰমিকসকলৰ শ্ৰমৰ বিনিময়ত বিদ্যালয়, চিকিৎসালয়, দেৱালয়, মছজিদ, ৰেলপথ, ঘইপথ আদি নিৰ্মাণ হয়। পিছে তেনে শ্ৰমিকসকলৰ বাবে নাই কোনো সুৰক্ষাৰ ব্যৱস্থা। নিৰ্মাণ শ্ৰমিকসকলৰ সামাজিক সুৰক্ষা দাবীত চি আই টি ইউয়ে দীৰ্ঘদিন আন্দোলন সংগ্ৰাম কৰি আহিছে। বহু সংগ্ৰামৰ পিছত ১৯৯৬ত কেন্দ্ৰৰ দেৱগৌড়া নেতৃত্বাধীন মৰ্চা চৰকাৰে শ্ৰমিকৰ কৰ্মনিৰাপত্তা তথা সামাজিক সুৰক্ষাৰ দিশতো বিবেচনা কৰিবলৈ বাধ্য হয় আৰু গৃহ আৰু অন্যান্য নিৰ্মাণ শ্ৰমিক কল্যাণ আইন, ১৯৯৬ প্ৰণয়ন কৰে। বৰ্তমান সকলো ৰাজ্যতে এই আইনৰ ভিত্তিত নিৰ্মাণ শ্ৰমিক পৰিষদ গঠন হৈছে ছয় পৃষ্ঠাত চাওক

## নাজিৰা মহাবিদ্যালয়ত বিশ্ব দিব্যাংগ দিৱস উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**
**নাজিৰা, ৩ ডিচেম্বৰ ঃ** নাজিৰা মহাবিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ উদ্যোগত বিশ্ব দিব্যাংগ দিৱস উপলক্ষে মুৰব্বী অধ্যাপক ড০ সুৰেশ ৰাজকোঁৱৰৰ সভাপতিত্বত এখন সজাগতা সভা অনুষ্ঠিত হয়। সহকাৰী অধ্যাপিকা মৌচুমী দুৱৰাই উদ্দেশ্য ব্যাখ্যা কৰাৰ পাছতে কলেজৰ ছাত্ৰী আধুনিকা চুতীয়া আৰু দিব্যাংগ ছাত্ৰ পৰাণ বৰুৱাৰ স’তে কৰা মনোজ্ঞ অন্তৰংগ আলাপে সভাৰ সৌষ্ঠৱ বঢ়ায়। অধ্যক্ষ ড০ ৰাজু ফুকনে বিশেষভাৱে সক্ষম লোকসকল দেশৰ বোজা নহয়। বৰঞ্চ অমূল্য সম্পদ আৰু এই সম্পদ গঢ়াৰ দায়িত্ব ৰাইজৰ লগতে বিশেষকৈ শিক্ষক ছয় পৃষ্ঠাত চাওক

## গোৱালপাৰাত পথ দুৰ্ঘটনাত একেটা পৰিয়ালৰ শিশুসহ নিহত পাঁচ

**অগ্ৰদূত বাৰ্তা**
**কৃষ্ণাই, ৩ ডিচেম্বৰ ঃ** গোৱালপাৰা জিলাৰ আগিয়া আৰক্ষী থানাৰ অন্তৰ্গত বলবলাৰ গধাৰবড়ীত ১৭ নম্বৰ ঘাইপথত যোৱা নিশা ন বজাত সংঘটিত এক পথ দুৰ্ঘটনাত একেটা পৰিয়ালৰে দুই শিশুসহ পাঁচজন লোক নিহত হোৱাত অঞ্চলটোত শোকৰ ছাঁ পৰিছে। আজি এক শোকাকুল পৰিৱেশৰ মাজত বিদ্যাপাৰাত নিহত লোককেইজনৰ জানাজা সম্পন্ন কৰা হয়। উল্লেখ্য যে কালি এ এছ ০১ ডি ইউ ১৪২৬ নম্বৰৰ ইয়’ন বাহনখনেন্দৰ ছয় পৃষ্ঠাত চাওক

## যোৰহাটৰ ৰাজপথত আছু নেতাক নৃশংস হত্যাত প্ৰাক্তন আলফা ঐক্য মঞ্চৰ গৰিহণা

### অপৰাধীক কঠোৰ শাস্তিৰ দাবী

**অগ্ৰদূত বাৰ্তা**
**চিনামৰা, ৩ ডিচেম্বৰ ঃ** যোৰহাট নগৰৰ মাজমজিয়াত সদৌ অসম ছাত্ৰ সন্থাৰ পূৰ গোলাঘাট ব্ৰহ্মপুত্ৰ আঞ্চলিকৰ শিক্ষা সম্পাদক তথা সাংস্কৃতিক কৰ্মী অনিমেষ ভূঞাক যোৰহাটৰ একাংশ উন্মাদ লোকে দিন-দুপৰতে ৰাজপথত চোঁচৰাই মৰিয়াই হত্যা কৰাৰ লগতে আন এজন ছাত্ৰ নেতা আৰু সাংবাদিকক গুৰুতৰভাৱে আহত কৰাৰ অমানৱীয় কাণ্ডক যোৰহাট জিলা প্ৰাক্তন আলফা ঐক্যমঞ্চই তীব্ৰ ভাষাৰে গৰিহণা দিছে। ঐক্যমঞ্চৰ সভাপতি, সম্পাদক ক্ৰমে ভাস্কৰ বৰদলৈ আৰু অজয় পোদ্দাৰে এক বিবৃতিত উল্লেখ কৰে যে সাংস্কৃতিক নগৰখনৰ মান-মৰ্যাদা তথা গৌৰৱ লাঘৱ কৰি একাংশ নৰ পিশাচে নিৰীহ ছাত্ৰ নেতাজনক হত্যা কৰা কাৰ্যক একে মুখে ধিক্কাৰ দিয়াৰ লগতে নিষ্ঠুৰ হত্যাৰ লগত জড়িত প্ৰতিজন অভিযুক্তক কঠোৰৰ পৰা কঠোৰতম শাস্তি প্ৰদান কৰিবলৈ চৰকাৰক দাবী জনাইছে।

## নলবাৰীৰ জানিগোগত যুৱকৰ মৃতদেহ উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**
**নলবাৰী, ৩ ডিচেম্বৰ ঃ** নলবাৰী জিলাৰ জানিগোগত আজি পুৱা এজন যুৱকৰ মৃতদেহ উদ্ধাৰ হয়। যুৱকজন জানিগোগ গাঁৱৰ আলীফ হক (২৫) বুলি চিনাক্ত কৰা হৈছে। উল্লেখ্য যে আজি পুৱা প্ৰাতঃভ্ৰমণত যোৱা লোকে আলীফৰ ঘৰৰ কিছু আঁতৰত পথৰ দাঁতিত মৃতদেহটো প্ৰত্যক্ষ কৰি হাহাকাৰ লগায়। পাছত অঞ্চলটোৰ লোক ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উক্ত গাৱঁৰে আলীফ হক বুলি চিনাক্ত কৰে। পাছত ঘটনাস্থলীৰ পৰা মৃতদেহটো আৰক্ষীয়ে উদ্ধাৰ কৰি নলবাৰী শ্বহীদ মুকুন্দ কাকতি অসামৰিক চিকিৎসালয়লৈ মৰনোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ ছয় পৃষ্ঠাত চাওক

## আজিলৈ পকী নহ’ল দক্ষিণ কামৰূপৰ এখন বাঁহৰ দলঙৰ



**অগ্ৰদূত বাৰ্তা**
**আজাৰা, ৩ ডিচেম্বৰ ঃ** দক্ষিণ কামৰূপৰ পলাশবাৰী ৰাজহ চক্ৰৰ অধীনৰ কাশীগংগা নামৰ ঐতিহাসিক নৈখনৰ ওপৰত থকা বাঁহৰ দলংখন আজিলৈকে পকী নহ’ল। উল্লেখ্য যে মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱ গুৰুজনাই বৰহেৰামদো সত্ৰ স্থাপন কৰিবলৈ এই নৈ ৰ নাৱেৰে ভটিয়াই আহিছিল। এই ঐতিহাসিক নৈখনৰ ওপৰত থকা দলংখন আজিলৈকে নিৰ্মাণ নহ’ল। নিৰ্বাচন আহে আৰু যায়। নিৰ্বাচন পাৰ হ’লে ঘূৰি চাবলৈ আহৰি নাপায়। ৰাইজৰ সমস্যাক গুৰুত্ব দিবলৈ সময় নাই তেওঁলোকৰ। পশ্চিম গুৱাহাটী বিধানসভা সমষ্টিৰ এখন দলঙৰ বাবে হাহাকাৰ কৰিছে অঞ্চলটোৰ ছয় পৃষ্ঠাত চাওক

■ প্ৰতিৰোধেই হ’ল আৰোগ্যৰ মূল ভেটি

## অ’মিক্ৰন ভাইৰাছৰ বিৰুদ্ধে সজাগতা সৃষ্টিত নগাঁও কলেজৰ ব্যতিক্ৰমী প্ৰয়াস.



**বিশেষ সংবাদদাতা**
**নগাঁও, ৩ ডিচেম্বৰ ঃ** কৰ’না ভাইৰাছৰ নতুন প্ৰজাতি অ’মিক্ৰন ভাইৰাছক লৈ যিটো সময়ত সমগ্ৰ বিশ্বত মানুহ আতংকিত হৈছে, সেই সময়ত নগাঁও কলেজৰ ছাত্ৰ-ছাত্ৰী আতংকিত নহৈ নিজকে সুৰক্ষিত হৈ থাকিবলৈ আহ্বান জনাই এক ব্যতিক্ৰমী সজাগতা কাৰ্যসূচী ৰূপায়ণ কৰে। নগাঁও কলংপাৰ শাখা, অসম বিজ্ঞান সমিতিৰ উদ্যোগত আৰু এন এছ এছ গোট, নগাঁও কলেজ (অট’নমাচ) আৰু প্ৰতিষ্ঠানীয় উদ্ভাৱনা কোষ (নগাঁও কলেজ)ৰ সহযোগত এই কাৰ্যসূচী ৰূপায়ণ কৰা হয়। প্ৰায় পাঁচ শতাধিক ছাত্ৰ-ছাত্ৰী সমবেত হৈ প্ৰত্যেকে একোখন ব’ৰ্ডত এটা শ্ল’গান লিখি আৰু একাংশই চিত্ৰ অংকন কৰি প্ৰতিষেধক লোৱা, মাস্ক পিন্ধা, সামাজিক দূৰত্ব বজাই ৰখা বিষয়বোৰ দাঙি ধৰে। আজিৰ এই কাৰ্যসূচী উদ্বোধন কৰে নগাঁও জিলাৰ স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ডাঃ অতুলচন্দ্ৰ পাটৰে। ডাঃ পাটৰে ভাষণ প্ৰসংগত কয় যে নগাঁও কলেজৰ ছাত্ৰ-ছাত্ৰীয়ে লোৱা এনে কাৰ্যসূচীত তেওঁ অভিভূত হয় আৰু অসমত ছয় পৃষ্ঠাত চাওক


## নগাঁৱত বৃহৎ পৰিমাণৰ ড্ৰাগছসহ ড্ৰাগছ মাফিয়াক গ্ৰেপ্তাৰ



**বিশেষ সংবাদদাতা**
**নগাঁও, ৩ ডিচেম্বৰ ঃ** নগাঁও চহৰত চকীটুপত যোৱা নিশা নগাঁও আৰক্ষীয়ে অভিযান চলায় বুজন পৰিমাণৰ ড্ৰাগছ, নগদ ধন জব্দ কৰাৰ লগতে এজন কুখ্যাত ড্ৰাগছ মাফিয়াক গ্ৰেপ্তাৰ কৰে আৰক্ষীয়ে। ছয় পৃষ্ঠাত চাওক

■ গল্পৰ ক্ষেত্ৰত সম্পূৰ্ণ এগৰাকী বেলেগ ব্যক্তি ঃ হাজৰিকা

## ডিব্ৰুগড় গ্ৰন্থমেলাত ড° নগেন শইকীয়াৰ ৰচনাৱলীৰ তৃতীয় খণ্ড উন্মোচন



**বিশেষ সংবাদদাতা,**
**ডিব্ৰুগড়, ৩ ডিচেম্বৰ ঃ** দ্বাদশ ডিব্ৰুগড় গ্ৰন্থমেলাৰ আজিৰ অষ্টম দিনটোত মূল মঞ্চত অধ্যাপক নগেন শইকীয়া সাৰস্বত ন্যাস পৰিষদে প্ৰকাশ কৰি উলিওৱা প্ৰথিতযশা সাহিত্যিক, সাহিত্য একাডেমী ফেল’ তথা মিতভাষৰ স্ৰষ্টা ড° নগেন শইকীয়াৰ ৰচনাৱলীৰ তৃতীয় খণ্ডটিৰ তেওঁৰেই দুখন গ্ৰন্থৰ লগতে গীতিকাৰ ড° কৰৱী ডেকা হাজৰিকাৰ এখন গ্ৰন্থ উন্মোচন কৰা হয়। ইয়াৰে ৰচনাৱলীৰ তৃতীয় খণ্ড, ‘নগেন শইকীয়াৰ জীৱনপঞ্জী আৰু ৰচনাপঞ্জী’ আৰু আত্মানুশাসন (নগেন শইকীয়াৰ ভাৱানুভৱৰ টোকা -১৯৭৬-২০২১) এই তিনিখন গ্ৰন্থ উন্মোচন কৰে ন্যাসৰ সভাপতি তথা ডিব্ৰুগড় আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° কন্দৰ্প কুমাৰ ডেকাই। আনহাতে ড° কৰৱী ডেকা হাজৰিকাৰ গ্ৰন্থ ‘গানৰ পখী’ উন্মোচন কৰে লোকসংস্কৃতিৰ বিশিষ্ট গৱেষক তথা লেখক ড° অনিল শইকীয়াই। ন্যাসৰ সম্পাদক বীৰেন বৰুৱাই উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানত তিনিওখন গ্ৰন্থ উন্মোচন কৰি ড° ডেকাই কয় যে ড° নগেন শইকীয়াৰ সৃষ্টিৰাজি ছয় পৃষ্ঠাত চাওক

## অৱসৰপ্ৰাপ্ত অধ্যক্ষ, সংগঠক তেজপুৰৰ গোলাপ চন্দ্ৰ বৰাৰ বিয়োগ



**অগ্ৰদূত বাৰ্তা,**
**তেজপুৰ, ৩ ডিচেম্বৰ ঃ** তেজপুৰৰ মাজগাঁও খৰাআটি নিবাসী তথা শোণিতপুৰৰ ঘোঁৰামাৰী হেম বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ গোলাপ বৰা (৯৪)ৰ যোৱা নিশা বাৰ্ধক্যজনিত কাৰণত পৰলোকপ্ৰাপ্তি ঘটে। এগৰাকী শিক্ষক তথা সমাজহিতৈষী ব্যক্তি হিচাপে পৰিচিত বৰাৰ তেজপুৰৰ বিভিন্ন ৰাজহুৱা অনুষ্ঠানৰ স’তে সম্পৰ্ক আছিল। উল্লেখ্য যে চতিয়াৰ মুদৈ গাঁৱত জন্মগ্ৰহণ কৰা এইগৰাকী ব্যক্তিয়ে পৰৱৰ্তী সময়ত তেজপুৰত নিগাজিকৈ বাস কৰিবলৈ লয় আৰু কৰ্মৰত বিদ্যালয়খনৰ অধ্যক্ষ হিচাপে তেওঁ ১৯৮৯ত অৱসৰ গ্ৰহণ কৰে। এখন সংস্কাৰমুখী সমাজ আৰু শিক্ষাৰ প্ৰসাৰৰ ক্ষেত্ৰত সদায়েই গুৰুত্ব আৰোপ কৰা আৰু অতি শৃংখলাৱদ্ধ জীৱন অতিবাহিত কৰা অৱসৰপ্ৰাপ্ত প্ৰয়াত অধ্যক্ষগৰাকী গান্ধীবাদী আদৰ্শত বিশ্বাসী আৰু এজন অধ্যয়নশীল ব্যক্তিৰূপে পৰিচিত আছিল। সাহিত্য চৰ্চা আৰু অসমীয়া ভাষা, সাহিত্যৰ প্ৰতিও দায়বদ্ধতা প্ৰকাশ কৰা আৰু বহুকেইটা নিৱন্ধৰ লিখক এইজন বিশিষ্ট ব্যক্তি তেজপুৰ সাহিত্য সভাৰ প্ৰাক্তন সভাপতিও আছিল। তদুপৰি, তেজপুৰ জ্যেষ্ঠ নাগৰিক সংস্থাৰ প্ৰতিষ্ঠাপক সভাপতিও আছিল তেওঁ। আন এক সাহিত্য অনুষ্ঠান তেজপুৰ সাহিত্য চ’ৰাৰ স’তে ছয় পৃষ্ঠাত চাওক

■ ৬১ সংখ্যক বড়ো সাহিত্য সভাৰ তামুলপুৰ অধিবেশনৰ আয়োজন
■ আঠ ডিচেম্বৰত অধিবেশনৰ লাইখুঁটা স্থাপন কৰিব প্ৰমোদ বড়োৱে

## ‘শান্তিৰ পথাৰ’ত ৰাইজে কাটিলে নৰা

**অগ্ৰদূত বাৰ্তা**
**তামুলপুৰ, ৩ ডিচেম্বৰ ঃ** অহা ১১ ফেব্ৰুৱাৰীৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে তামুলপুৰ মহকুমা সদৰস্থ শান্তি ক্ষেত্ৰত (গীজীন ফাঁথাৰত) অনুষ্ঠিত হ’ব ৬১ সংখ্যক বড়ো সাহিত্য সভাৰ অধিবেশন। ইতিমধ্যে বিটিচিৰ কাৰ্যবাহী সদস্য ধৰ্মনাৰায়ণ দাসক সভাপতি, প্ৰাক্তন বিধায়ক চণ্ডী বসুমতাৰীক কাৰ্যকৰী সভাপতি আৰু ৰত্নেশ্বৰ বড়োক সাধাৰণ সম্পাদকৰ দায়িত্ব অৰ্পণ কৰা হৈছে। ইতিমধ্যে তামুলপুৰ অধিবেশনৰ আদৰণি সমিতিৰ সহযোগত আৰম্ভ হৈছে প্ৰস্তুতি প্ৰক্ৰিয়া। আদৰণি সমিতিয়ে সদৰী কৰা মতে, ছয় পৃষ্ঠাত চাওক



অশ্ৰুসিক্ত নয়নেৰে শেষ বিদায় জনালে সহস্ৰজনে ঃ নৱগ্ৰহ শ্মশানত শেষকৃত্য সম্পন্ন

## বিজেপিৰ সক্ৰিয় কৰ্মী অঞ্জন ডেকাৰ মৃত্যু



**ষ্টাফ ৰিপ’ৰ্টাৰ**
**গুৱাহাটী, ৩ ডিচেম্বৰ ঃ** সেৱা আৰু সমৰ্পণ মনোভাৱেৰে নিষ্ঠসহকাৰে দীৰ্ঘসময়ত সেৱা আগবঢ়াই যোৱা ৰাজ্যিক বিজেপিৰ সক্ৰিয় কৰ্মী তথা দলটোৰ প্ৰট’কল বিভাগৰ দায়িত্বত থকা যুৱ নেতা অঞ্জন ডেকাৰ আজি পুৱা আকস্মিক বিয়োগে শোকস্তব্ধ কৰি তুলিছে বিজেপি পৰিয়ালক। যোৱা ছয় নৱেম্বৰৰ পৰা গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ক’ভিডত আক্ৰান্ত হৈ চিকিৎসাধীন অৱস্থাত থকা সময়তে আজি পুৱা ৮.২৫ত জনপ্ৰিয় যুৱ নেতাজনে মৃত্যুক আঁকোৱালি লোৱাৰ পাছতে শোকত ম্ৰিয়মাণ হৈ পৰে বিজেপি কৰ্মকৰ্তাসকল। পুৱা যুৱ নেতাজনৰ মৃতদেহ বেলতলাৰ নিজা বাসগৃহলৈ নিয়াৰ পাছতে অজস্ৰ লোকে যুৱ নেতাজনক শেষ বিদায় জ্ঞাপন কৰে। মন্ত্ৰী পীযুষ হাজৰিকাকে ধৰি বহুতে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ পাছত যুৱ নেতাজনৰ নশ্বৰদেহ ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয় বাজপেয়ী ভৱনলৈ অনা হয় আৰু এক শোকাকুল পৰিৱেশৰ মাজত ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতা, বিধানসভাৰ উপাধ্যক্ষ নোমল মমিন, সাংগঠনিক সম্পাদক ফণীন্দ্ৰ নাথ শৰ্মা, উপ-সভাপতি পুলক গোহাঁই, জয়ন্ত ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত

গুৱাহাটী শনিবাৰ ১৭ আঘোণ ১৪২৮ ভাস্কৰাব্দ ৪ ডিচেম্বৰ ২০২১

# বিৰোধীৰ নেতৃত্ব


দেশৰ বিশিষ্ট নিৰ্বাচনী ৰণনীতিজ্ঞ প্ৰশান্ত কিশোৰে পৰামৰ্শ আগবঢ়াই কৈছে যে ভাৰতৰ বিজেপি বিৰোধী দলৰ মৰ্চাই গণতান্ত্ৰিক পদ্ধতিৰে এজন নেতা নিৰ্বাচন কৰি লোৱা উচিত। বিজেপি বিৰোধী মৰ্চাৰ নেতৃত্ব কংগ্ৰেছে একপ্ৰকাৰ অগণতান্ত্ৰিকভাৱে দখলত ৰখাৰো অভিযোগ উত্থাপন কৰি কিশোৰে কৈছে যে শক্তিশালী বিৰোধীৰ বাবে কংগ্ৰেছৰ আদৰ্শৰ প্ৰয়োজন আছে যদিও নেতৃত্বৰ প্ৰয়োজন নাই। টুইটাৰত এই মন্তব্য প্ৰকাশ কৰা কিশোৰৰ মতে বিৰোধী মৰ্চাত কংগ্ৰেছৰ নেতৃত্ব এজন ব্যক্তিৰ ঐশ্বৰিক অধিকাৰ নহয়। কংগ্ৰেছে বিগত ১০ বছৰত ৯০ শতাংশৰো অধিক নিৰ্বাচনত পৰাজিত হোৱাৰ কথা উল্লেখ কৰি নিৰ্বাচন ৰণনীতিজ্ঞজনে কৈছে যে এতিয়াৰে পৰা গণতান্ত্ৰিকভাৱে বিৰোধী নেতৃত্বৰ সিদ্ধান্ত লোৱা হওক। কিশোৰৰ এই পৰামৰ্শৰ এদিন পূৰ্বে মুম্বাইত তৃণমূল কংগ্ৰেছৰ নেত্ৰী তথা পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে ইউ পি এৰ অস্তিত্বক লৈ প্ৰশ্ন উত্থাপন কৰিছিল। মমতাই কৈছিল যে দেশত এতিয়া ইউ পি এ বুলি কোনো বিৰোধী মৰ্চা নাই। কংগ্ৰেছ নেতৃত্বাধীন ইউ পি এৰ অস্তিত্ব এইদৰে মমতাই অস্বীকাৰ কৰাৰ পাছত নিৰ্বাচনী ৰাজনীতিজ্ঞ কিশোৰেও বিৰোধী মৰ্চাৰ নেতৃত্ব দানৰ প্ৰসংগত গণতান্ত্ৰিক পদ্ধতি অৱলম্বনৰ পৰামৰ্শ দিয়াটোৱে তাৎপৰ্য বহন কৰিছে। উল্লেখ্য যে কিশোৰে বৰ্তমানে তৃণমূল কংগ্ৰেছৰ নিৰ্বাচন ৰণনীতিজ্ঞ হিচাপে কাৰ্যনিৰ্বাহ কৰি আহিছে। পশ্চিমবংগ বিধানসভাৰ নিৰ্বাচনত অভূতপূৰ্ব সফলতা লাভৰ পাছৰে পৰা মমতা ৰাজনৈতিকভাৱে যথেষ্ট সক্ৰিয় হৈ উঠিছে আৰু আন ৰাজ্যত তৃণমূল কংগ্ৰেছৰ ভেটি সবল কৰাৰ বাবে উঠি-পৰি লাগিছে। ৰাষ্ট্ৰীয় ৰাজনীতিত নিজৰ স্থিতি এইদৰে শক্তিশালী কৰিবলৈ মমতা তৎপৰ হোৱাৰ বিপৰীতে ইউ পি এৰ নেতৃত্ব বহনকাৰী কংগ্ৰেছ ক্ৰমে নিষ্ক্ৰিয় হ'বলৈ ধৰিছে। কংগ্ৰেছৰ এনে দুৰ্বলতাৰ সুযোগ লৈয়ে মমতাই ইউ পি এৰ অস্তিত্বক লৈ প্ৰশ্ন উত্থাপন কৰিলে। একেদৰে সুযোগ বুজি মমতাৰ ৰাজনৈতিক পৰামৰ্শদাতা কিশোৰেও বিজেপি বিৰোধী মৰ্চাক গণতান্ত্ৰিক পদ্ধতিৰে নেতা নিৰ্বাচনৰ দিহা দিলে।

এই কথা সৰ্বজন জ্ঞাত যে কংগ্ৰেছৰ উদ্যোগতে ইউ পি এৰ গঠন হৈছিল আৰু স্বাভাৱিকতে বৰ্তমানলৈকে কংগ্ৰেছেই মৰ্চাৰ নেতৃত্ব বহন কৰি আহিছে; কিন্তু মমতাই কোৱাৰ দৰেই এই কথা সকলোৱে স্বীকাৰ কৰিব যে ইউ পি এ এতিয়া মৰ্চা হিচাপে তেনেই নিষ্প্ৰভ। বিশেষকৈ কংগ্ৰেছৰ ধাৰাবাহিক নিৰ্বাচনী বিপৰ্যয়ৰ ফলতে দেশত বিৰোধীৰ এই মৰ্চা আজি অস্তিত্বৰ সংকটত ভুগিব লগা হৈছে। পৰিস্থিতি ইমানে জটিল হ'ল যে স্বয়ং বিৰোধী মৰ্চাৰ অন্তৰ্ভুক্ত দলৰ নেত্ৰীয়েই 'ইউ পি এ ক'ত আছে' বুলি প্ৰশ্ন উত্থাপন কৰিবলগা হৈছে। প্ৰশ্ন হ'ল— ইউ পি এক এইদৰে দুৰ্বল কৰিছে কোনে? কাৰ ব্যৰ্থতাত আজি দেশৰ বিৰোধী মৰ্চা অস্তিত্বৰ সংকটৰ সন্মুখীন হৈছে? ইয়াৰ বাবে মৰ্চাৰ নেতৃত্ব বহন কৰা কংগ্ৰেছেই একমাত্ৰ জগৰীয়া নে? এই কথা কংগ্ৰেছে নুই কৰিব নোৱাৰিব যে বিজেপি বা এন ডি এক প্ৰত্যাহ্বান জনাব পৰাকৈ ইউ পি এক নেতৃত্ব দানৰ ক্ষেত্ৰত দলটো মুঠেও পাৰদৰ্শী হৈ উঠা নাই। লোকসভাৰ বিগত নিৰ্বাচনৰ পাছৰে পৰা কংগ্ৰেছত আজিও এজন স্থায়ী সভাপতি নিৰ্বাচন কৰা নহ'ল। ছোনিয়া গান্ধীয়ে কংগ্ৰেছৰ অন্তৰ্বৰ্তী সভানেত্ৰীৰ দায়িত্ব বহন কৰিলেও ৰাজনৈতিকভাৱে তেওঁ তেনে কোনো সক্ৰিয়তা বৰ্তমানে প্ৰদৰ্শন কৰা নাই। দৰাচলতে কংগ্ৰেছৰ নেতৃত্বৰ এনে নিষ্ক্ৰিয়তাৰ সুযোগ লৈয়ে আজি ইউ পি এৰ অস্তিত্ব আৰু নেতৃত্ব পৰিৱৰ্তনৰ দাবী উত্থাপিত হ'ল। অৱশ্যে ইউ পি এ আজি দুৰ্বল হোৱা বাবে এই মৰ্চাৰ অংশীদাৰ আন দলসমূহো জগৰীয়া নোহোৱা নহয়। ইউ পি এৰ অংশীদাৰী প্ৰায় সংখ্যক দলৰে নেতাৰ ক্ষমতাৰ প্ৰতি থকা খঁক সময়ে সময়ে প্ৰত্যক্ষ হৈ আহিছে। শাৰদ পাৱাৰ, মমতা বেনাৰ্জীৰ দৰে বিৰোধী নেতাই প্ৰধানমন্ত্ৰীৰ আসন দখলৰ লক্ষ্যৰে বিৰোধী মৰ্চাত অংশ লোৱাৰ ফলত স্বাভাৱিকতে ইউ পি এত এক ক্ষমতাকেন্দ্ৰিক দ্বন্দ্ব আছে আৰু এই কাৰণতো ইউ পি এ আজি দুৰ্বল হ'বলৈ ধৰিছে।

দেশৰ বিৰোধী মৰ্চাক সবল কৰিবলৈ হ'লে প্ৰথমে ইয়াৰ নেতৃত্ব শক্তিশালী হ'ব লাগিব। কংগ্ৰেছে নেতৃত্ব বাহাল ৰাখিব বিচাৰিলে এই দলৰ নেতৃত্ব সবল-সক্ৰিয় হোৱাটো জৰুৰী। দলৰ আভ্যন্তৰীণ সংকট দূৰ নকৰিলে ইউ পি এৰ নেতৃত্ব দানত কংগ্ৰেছ ব্যৰ্থ হোৱাটোৱে স্বাভাৱিক। দৰাচলতে কিশোৰে দিয়া পৰামৰ্শ গ্ৰহণ কৰি ইউ পি এৰ নেতৃত্ব দানৰ বাবে মৰ্চাৰ অংশীদাৰী দলসমূহে গণতান্ত্ৰিক পদ্ধতি অৰ্থাৎ নিৰ্বাচন অনুষ্ঠিত কৰাটোৱে সঠিক পথ হ'ব। মৰ্চাৰ অন্তৰ্ভুক্ত দলে যি ব্যক্তি বা দলক নেতৃত্বৰ বাবে নিৰ্বাচন কৰে, সেই দলক বিৰোধী মৰ্চাৰ দায়িত্ব অৰ্পণ কৰা উচিত। অন্যথা বৰ্তমানৰ ৰূপত ইউ পি এই দেশত শাসক পক্ষক প্ৰত্যাহ্বান জনাব পাৰিব বুলি ধাৰণা নহয়।

## খোলা মঞ্চ

# অসমীয়াৰ বৰ্ণাঢ্য সাজ-পাৰবোৰ হেৰাই যাব নেকি?



নিখিলেশ গোস্বামী, লেখক

**সকলো** জাতিৰে নিজস্ব বৈশিষ্ট্যপূৰ্ণ কিছুমান সাজ-পাৰ থাকে। এই সাজ-পাৰৰ ধৰণ, পিন্ধন প্ৰক্ৰিয়া আদি পৰম্পৰাগতভাৱে চলি আহে। জাতি-জনগোষ্ঠীৰ সাজ-পাৰৰ প্ৰকাৰ নিৰ্ধাৰণ কৰে সমাজখন বাস কৰা স্থানৰ ভৌগোলিক অৱস্থান, জলবায়ু, স্থানীয়ভাৱে উপলব্ধ বয়নৰ কেঁচা সামগ্ৰী আৰু লোকসকলৰ সাধাৰণ জীৱিকা আদিৰ ওপৰত। অসমীয়া জাতিটো মূলতঃ মংগোলীয়, ইন্দো-বাৰ্মিজ আৰু আৰ্য সম্প্ৰদায়ৰ সংমিশ্ৰণত গঢ় লৈ উঠিছে, সেয়েহে আমাৰ স্থান আৰু গোষ্ঠীভেদে বেলেগ বেলেগ সাজ-পাৰ প্ৰচলিত হৈ আহিছে। তথাপি আমি অসমীয়া সাজ বুলিলে মূলতঃ মহিলাৰ মেখেলা-চাদৰ আৰু পুৰুষৰ চুৰিয়া-কামিজ আৰু চেলেং চাদৰৰ কথাকে বুজো। ইয়াৰ উপৰি গামোচা আমাৰ জাতীয় জীৱনৰ অংগ। ই আমাৰ স্বাভিমান আৰু পৱিত্ৰতাৰ প্ৰতীক।


আপাতদৃষ্টিত আমাৰ নিজস্ব সাজ-পাৰবোৰ হেৰাই যোৱা যেন লাগে, কাৰণ অসমীয়া পুৰুষ আৰু মহিলাই সকলো সময়তে চুৰিয়া-কামিজ আৰু মেখেলা-চাদৰ পিন্ধি নাথাকে। ইয়াৰ মূল কাৰণ এনেবোৰ সাজ কৰ্মক্ষেত্ৰত সকলো সময়তে সুবিধাজনক নহয়। ইয়াৰ উপৰি আজি-কালি বজাৰত বাহিৰৰ পৰা অহা বহুতো সুবিধাজনক সাজ-পাৰ পোৱা যায়, যিবোৰৰ দাম আমাৰ স্থানীয়ভাৱে উৎপাদিত কাপোৰতকৈ বহু ক'ম। গোলকীকৰণেও এই ক্ষেত্ৰত বিশেষ প্ৰভাৱ পেলাইছে; কিন্তু ইয়াৰ অৰ্থ এইটো নহয় যে আমাৰ সাজ-পাৰবোৰ এদিন হেৰাই যাব। আমাৰ এক গৌৰৱপূৰ্ণ অনুভৱ যে অসমৰ জনজাতীয় ভাই-ভনীসকলে নিজৰ স্বকীয় সাজ-পাৰৰ পৰম্পৰা অম্লান ৰূপত ৰক্ষা কৰি আছে। অসমীয়া মহিলাসকলেও মেখেলা-চাদৰৰ পৰম্পৰা কিছু কিছু পৰিৱৰ্তনৰ মাজেৰে সবলভাৱে জীয়াই ৰাখিছে। পুৰুষসকলেও সততে চুৰিয়া-কামিজ পৰিধান কৰি নাথাকিলেও ইয়াৰ অস্তিত্বক ম্লান হ'ব দিয়া নাই।

পৰিৱৰ্তন প্ৰকৃতিৰ কাম্য। আমাৰ সাজ-সজ্জাও চিৰন্তন ৰূপত ৰাখিবলৈ হ'লে পৰিৱৰ্তন সাধন কৰিব লাগিব। এই ক্ষেত্ৰত গুণী-জ্ঞানী সাজ-সজ্জা বিশেষজ্ঞসকলে চিন্তা-চৰ্চা কৰি পৰিৱৰ্তনৰ মাজেৰে নতুনত্বৰ সংযোজন ঘটাই গোলকীকৃত সমাজত আমাৰ সাজ-সজ্জা জীয়াই ৰখাৰ দায়িত্ব পালন কৰিব নিশ্চয়। ফোন : ৯৮৬৪০৮৫৫৩৭

## 'সংবিধান দিৱস' উদ্‌যাপন

# কৰ্তব্য আৰু অধিকাৰৰ প্ৰসংগত আত্ম-মূল্যাংকনৰ প্ৰয়াস

**অৱলোকন**



ড° জয়কান্ত শৰ্মা

মহাত্মা গান্ধীয়ে ঔপনিৱেশিক ব্ৰিটিছ চৰকাৰৰ বিৰুদ্ধে স্বতন্ত্ৰতা দাবী কৰি বিভিন্ন পৰ্যায়ৰ যিবোৰ আন্দোলন চলাইছিল, সেইবোৰৰ মাজত ভাৰতীয় লোকৰ অধিকাৰ সাব্যস্ত কৰাৰ সংকল্প আছিল; কিন্তু একে সময়তে তেওঁ ভাৰতীয় সমাজত নাগৰিকৰ কৰ্তব্য সোঁৱৰাই দিবলৈও আন্দোলন চলাইছিল। নাৰীৰ সম-অধিকাৰ আৰু স্ত্ৰী-শক্তিৰ মাহাত্ম্য তথা মৰ্যাদা ৰক্ষা, স্বদেশী বস্তুৰ প্ৰতি আগ্ৰহ, খাদী সামগ্ৰীৰ উৎপাদন, স্বচ্ছতা ৰক্ষাৰ অভিযান, দৰিদ্ৰ জনগণৰ আৰ্থিক উত্তৰণৰ প্ৰয়াস আদিকে ধৰি গান্ধীয়ে গুৰি ধৰা সামাজিক আন্দোলনবোৰৰ মাজত আছিল কৰ্তব্যনিষ্ঠাৰ বাণী।

পিছে স্বাধীনতা লাভৰ পাছত আমি সততে অধিকাৰ সম্পৰ্কীয় বিতৰ্কত লিপ্ত হৈ থাকিলো, কৰ্তব্যনিষ্ঠাৰ কথা পাহৰি গ'লো। যদিহে স্বৰাজোত্তৰ কালৰ আৰম্ভণিৰে পৰা কৰ্তব্যনিষ্ঠাৰ ওপৰত যথোচিত গুৰুত্ব দিয়া হ'লহেঁতেন, তেনেহ'লে গান্ধীজীয়ে ৰোপণ কৰি থৈ যোৱা বীজৰ পূৰ্ণ বিকাশ ঘটি আজি প্ৰকাণ্ড বটবৃক্ষৰ সৃষ্টি হ'লহেঁতেন। কৰ্তব্যনিষ্ঠাই অধিকাৰ প্ৰাপ্তিৰ পথ সুচল কৰে, সেইটো অনেক বিদ্বান লোকেও উপলব্ধি কৰিব নোৱাৰে; কিন্তু আমাৰ পথ প্ৰদৰ্শকৰূপে আছে সংবিধানখন।

সংবিধানখনে আমাক কৰ্তব্য আৰু অধিকাৰৰ প্ৰসংগত আত্ম-মূল্যাংকনৰ সুযোগ দিয়ে। তাতেই 'সংবিধান দিৱস' উদ্‌যাপনৰ সাৰ্থকতা। এই দিৱসে আমাক মনত পেলাই দিয়ে, কেনেদৰে পাৰস্পৰিক বিৰোধ, মতবাদৰ পাৰ্থক্য, সাম্প্ৰদায়িক বিভাজনৰ বিভীষিকা, নানান ভাষা-ভাষী আৰু জাতি-উপজাতিৰ বিবিধতাৰ মাজতো কিছুসংখ্যক নমস্য ব্যক্তিয়ে অসীম ধৈৰ্য আৰু এৰা-ধৰাৰ মাজেৰে আমাৰ বাবে সংবিধান এখন ৰচনা কৰি থৈ গ'ল। আজিৰ ৰাজনৈতিক পৰিস্থিতিৰ মাজত আমি হয়তো তেনে এখন সংবিধানৰ দুই পৃষ্ঠাও লিখিব নোৱাৰিলোহেঁতেন। সেয়েহে 'সংবিধান দিৱস' এটা পবিত্ৰ দিনৰূপে পালন কৰাৰ আৱশ্যকতা আছে।

এয়া আছিল ২৬ নৱেম্বৰ তাৰিখে সংসদ ভৱনত আয়োজন কৰা 'সংবিধান দিৱস' উদ্‌যাপন অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দিয়া ভাষণৰ মূল বক্তব্য। তেওঁ কৈছে— আজিৰ দিনটো (২৬/১১) সংবিধান প্ৰণেতাসকলক স্মৰণ কৰাৰ দিন, ড° ভীমৰাও আম্বেদকাৰক প্ৰণাম কৰাৰ দিন; আজিৰ দিনটো সংসদক প্ৰণাম কৰাৰ দিন; কিন্তু আজিৰ দিনটো তেৰ বছৰ পূৰ্বে পাকিস্তানী সন্ত্ৰাসবাদীৰ মুম্বাই আক্ৰমণত প্ৰাণ হেৰুওৱা সুৰক্ষাকৰ্মী আৰু নিৰপৰাধী লোকসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰাৰো দিন।

সন্দেহ নাই, প্ৰধানমন্ত্ৰী মোদীৰ এয়া 'সংবিধান দিৱস'ৰ উপলক্ষত জাতীয়তাবাদৰ নতুন ব্যাখ্যা আগবঢ়োৱাৰ প্ৰয়াস। উল্লেখযোগ্য যে ২০১৫ত পালন কৰা ড° ভীমৰাও আম্বেদকাৰৰ ডেৰশ বছৰীয়া জন্মজয়ন্তী বৰ্ষত প্ৰথমবাৰৰ বাবে 'সংবিধান দিৱস' পালন কৰাৰ পৰম্পৰা আৰম্ভ হৈছিল। তাৰ পূৰ্বে কোনেও 'সংবিধান দিৱস'ৰ নামকে শুনা নাছিল। সেই সময়ত একাংশ বিৰোধী নেতাই তাৰ বিৰোধিতা কৰি প্ৰশ্ন কৰিছিল, গণতন্ত্ৰ দিৱস আৰু স্বাধীনতা দিৱস আছেই; তেনেস্থলত এটা নতুন দিৱসৰ আৱশ্যকতা ক'ত?



লক্ষ্যণীয় যে ২০২১ৰ 'সংবিধান দিৱস' ১৪ টা বিৰোধী দলে বৰ্জন কৰিছে। তাকে লৈ প্ৰধানমন্ত্ৰীয়ে ক্ষুৰধাৰ সমালোচনা কৰিবলৈ পিছ হোঁহকা নাই। তেওঁ আঙুলিয়াই দিছে, কাশ্মীৰৰ পৰা কন্যাকুমাৰীলৈ ৰাজনৈতিক চিত্ৰখনলৈ চালেই আমি দেখো, একো একোটা দল বৰ্তি আছে পৰিয়ালতন্ত্ৰৰ ভেটিত; যিবোৰ দলৰ অভ্যন্তৰত কোনো গণতান্ত্ৰিক গাঁথনি নাই আৰু 'দল হৈ পৰে পৰিয়ালৰ, পৰিয়ালৰ দ্বাৰা আৰু পৰিয়ালৰ বাবে'। সেইবোৰ দলে 'সংবিধান দিৱস'ৰ মৰ্যাদা ৰক্ষা কৰিব কেনেকৈ? এই প্ৰসংগতে প্ৰধানমন্ত্ৰীয়ে স্বৰাজোত্তৰ কালত সংবিধান প্ৰণেতা ড° ভীমৰাও আম্বেদকাৰৰ অৱদানক উপেক্ষা কৰি অহাৰ বিষয়টোও উত্থাপন কৰিলে।

অৱশ্যে ড° আম্বেদকাৰক উপেক্ষা কৰাটো প্ৰাক্ স্বৰাজ কালৰ পৰা চলি অহা বিষয়। অস্পৃশ্য সম্প্ৰদায়ৰ হোৱা বাবেই তেওঁ শৈশৱৰে পৰা অনেক প্ৰকাৰৰ বিদ্বেষৰ পাত্ৰ হৈ পৰিছিল। অতি মেধাৱী ছাত্ৰ হোৱা বাবে একাংশ শিক্ষকৰ উদগনি আৰু বৰোদাৰ মহাৰজাৰ বদান্যতাৰ বলত আম্বেদকাৰ নিউয়ৰ্কৰ প্ৰসিদ্ধ কলম্বিয়া বিশ্ববিদ্যালয়ত আৰু লণ্ডনৰ স্কুল অৱ ইকন'মিক্সত উচ্চ শিক্ষা লাভ কৰাৰ সুযোগ পাইছিল সঁচা; কিন্তু ভাৰতলৈ ঘূৰি আহি বিদ্বেষপূৰ্ণ পৰিৱেশৰ পৰা ৰেহাই পোৱা নাছিল। সেয়েহে তেওঁ গান্ধীজীৰ আন্দোলনৰ কাৰ্যসূচীত যোগ নিদি দলিতসকলৰ শিক্ষা আৰু অধিকাৰৰ হকেহে যুঁজিছিল। তেওঁ কৈছিল— ভাৰতত অনেক মহাত্মাৰ সৃষ্টি হৈছে; মহাত্মা আহিছে আৰু গৈছে, কিন্তু দলিত-নিষ্পেষিতসকল একে স্থানতে আছে।

সি যিয়েই নহওক, সংবিধান সভাত আম্বেদকাৰৰ বিচক্ষণতাই কংগ্ৰেছীসকলক মুগ্ধ কৰিছিল; কিন্তু যেতিয়া বংগ বিভাজনৰ ফলত আম্বেদকাৰৰ সংবিধান সভাৰ সদস্যতা লোপ পালে, তেতিয়া তেওঁক গৃহৰাজ্যৰ পৰা নিৰ্বাচিত কৰিবলৈ কংগ্ৰেছীসকলেই মান্তি নহৈছিল। সেয়েহে ড° ৰাজেন্দ্ৰ প্ৰসাদে বোম্বে কংগ্ৰেছলৈ এইবুলি লিখিছিল— সংবিধান সভাত ড° আম্বেদকাৰৰ ভূমিকা ইমানেই গুৰুত্বপূৰ্ণ হৈ পৰিছে যে তেওঁক বাদ দি আগুৱাই যোৱাটো সম্ভৱ নহয়। সেয়েহে তেওঁক যিকোনো প্ৰকাৰে বোম্বেৰ পৰা নিৰ্বাচিত কৰোৱাব লাগে।' এই আবেদনলৈ সঁহাৰি দিয়া হৈছিল সঁচা; কিন্তু ১৯৫২ৰ লোকসভাৰ নিৰ্বাচনত আৰু ১৯৫৪ ৰ এটা উপ-নিৰ্বাচনতো ড° আম্বেদকাৰক হৰুৱাবলৈ কংগ্ৰেছে সৰ্বশক্তি প্ৰয়োগ কৰিছিল। স্বাধীন ভাৰতৰ সদনত ড° আম্বেদকাৰ ৰাজ্যসভাৰ সদস্যহে আছিল।

ড° আম্বেদকাৰক সততে ভাৰতীয় সংবিধানৰ প্ৰণেতা বুলি অভিহিত কৰা হয়। পিছে তেওঁ নিজেই সেই পৰিচয় নাকচ কৰি কৈ থৈ গৈছে—মই সংবিধানৰ প্ৰণেতা নাছিলো, সংবিধানৰ খচৰা সমিতিৰ অধ্যক্ষহে আছিলো। স্পষ্টীকৰণটো আম্বেদকাৰৰ বিনম্ৰতাহে বুলিব লাগিব; কাৰণ দুশ বছৰীয়া ব্ৰিটিছ শাসনৰ পৰা মুক্ত হোৱাৰ পাছত সকলো ভাৰতীয়ৰ বাবে এখন আধুনিক সমাজ নিৰ্মাণৰ লক্ষ্য লৈ সাংবিধানিক বিধি-ব্যৱস্থাৰে সামাজিক পৰিৱৰ্তনৰ পথ সুনিশ্চিত কৰাৰ গধুৰ দায়িত্ব বহন কৰা ব্যক্তিগৰাকী আম্বেদকাৰেই আছিল।

সংবিধান দিৱস উদ্‌যাপনৰ সময়ত ড° ভীমৰাও আম্বেদকাৰৰ প্ৰাসংগিকতা ভোটা তৰাৰ দৰে উজলি উঠে। সেইবাবেই এচাম নেতাৰ সংবিধান দিৱসৰ প্ৰতি বিতৃষ্ণা নেকি? লক্ষ্যণীয় যে স্বাধীন ভাৰতত ড° ভীমৰাও আম্বেদকাৰ এগৰাকী দলিত নেতাৰূপে পৰিচিত; ৰাষ্ট্ৰীয় নেতাৰ মৰ্যাদা তেওঁক দিয়া হোৱা নাছিল। অথচ তেওঁৰ পাণ্ডিত্য, দূৰদৰ্শিতা, ব্যক্তিত্ব আৰু কাৰ্যদক্ষতা নেহৰুতকৈও চৰা আছিল। মন কৰিবলগীয়া কথাটো হ'ল, ১৯৫৫ত নেহৰু চৰকাৰে জৱাহৰলাল নেহৰুক 'ভাৰতৰত্ন' প্ৰদান কৰিছিল; একেদৰে ইন্দিৰা গান্ধীৰ চৰকাৰে ইন্দিৰা গান্ধীক 'ভাৰত ৰত্ন' সন্মানেৰে বিভূষিতা কৰিছিল ১৯৭১ত। অৱশ্যে ড° ভীমৰাও আম্বেদকাৰক ১৯৯০ত 'ভাৰতৰত্ন' প্ৰদান কৰি বিশ্বনাথ প্ৰতাপ সিঙৰ চৰকাৰে এটা মহান জাতীয় কৰ্তব্য সম্পাদন কৰি থৈ গৈছে।

সংবিধান দিৱসত প্ৰধানমন্ত্ৰীয়ে গণতান্ত্ৰিক সমাজৰ বাবে পৰিয়ালতন্ত্ৰ আৰু ভ্ৰষ্টাচাৰ দুটা প্ৰধান ভাবুকি বুলি অভিহিত কৰিছে। তেওঁ আঙুলিয়াই দিয়ে যে এসময়ত জাপানতো পৰিয়ালতান্ত্ৰিক ৰাজনীতিৰ সৰ্বাত্মক প্ৰভাৱ চলি আছিল; কিন্তু নাগৰিকসকলৰ সক্ৰিয়তাৰ ফলত জাপানৰ পৰিয়ালতন্ত্ৰ ওফৰি গ'ল; তাৰ বাবে সুদীৰ্ঘ আশী বছৰ লাগিল, সেইটো অন্য কথা; কিন্তু ভাৰতত এচাম লোকে আদালতত দুৰ্নীতিগ্ৰস্ত বুলি সাব্যস্ত হোৱা নেতাকো সামাজিক তথা ৰাজনৈতিক প্ৰতিষ্ঠা দিবলৈ বিচাৰে। নিজৰ বিচক্ষণতা আৰু নেতৃত্বৰ অৰ্হতাৰ বলত কোনো পৰিয়ালৰ একাধিক সদস্যই ৰাজনীতিত যোগ দিয়াটো নিশ্চয়কৈ আদৰণীয়; কিন্তু মাথোন বংশবাদ ৰক্ষা কৰিবলৈ দলৰ নেতৃত্ব এটা পৰিয়ালত দশকৰ পাছত দশক ধৰি সীমিত ৰখাৰ কৌশল সংবিধানৰ মূল আদৰ্শৰ পৰিপন্থী।

১৯৪৯ৰ ২৬ নৱেম্বৰৰ দিনটোত সংবিধান সভাৰ ২৯৯ গৰাকী সদস্যৰ ভিতৰত ২৮৪ গৰাকী সদস্যই সন্মতিৰ স্বাক্ষৰ কৰি সকলো ভাৰতীয়ৰ বাবে

> **এতিয়া বিশ্বৰ ক'তো উপনিৱেশ নাই, কিন্তু সেই বুলি ঔপনিৱেশিক মানসিকতাৰ অন্তপৰা বুলি ক'ব নোৱাৰি। বিশেষকৈ উন্নত ৰাষ্ট্ৰবোৰে বিগত এটা দশকত উন্নয়নশীল ৰাষ্ট্ৰৰ বিকাশত নানান বাধাৰ সৃষ্টি কৰাটো উদ্বেগৰ কথা হৈ পৰিছে**

গণতন্ত্ৰৰ আচাৰ সংহিতা সদৃশ সংবিধানখন গ্ৰহণ কৰিছিল; কিন্তু সময়ে সময়ে কোনো কোনোৱে সাংবিধানিক বিধি ব্যৱস্থাৰ অপপ্ৰয়োগ ঘটাই স্বৈৰাচাৰী শক্তিৰ উত্থানত উদগনি দিয়াৰ কথাটো নুই কৰিব নোৱাৰি; কিন্তু তেনে অপশক্তিক জনগণই কঠোৰ সতৰ্কবাণীৰে প্ৰত্যাখ্যান কৰি আহিছে। তাতেই ভাৰতীয় গণতন্ত্ৰৰ সাৰ্থকতা, তাতেই সাংবিধানিক বিধি ব্যৱস্থাৰ গৰিমা। মোদীয়ে সোঁৱৰাই দিছে, 'সংবিধান দিৱস' চৰকাৰৰ অনুষ্ঠান নহয়; এইটো জনগণৰ অনুষ্ঠান। 'সংবিধান দিৱস'-এ আমাক সাংবিধানিক বিধি ব্যৱস্থাৰ ওপৰত আস্থা স্থাপন সন্দৰ্ভত নিজকে মূল্যায়ন কৰাৰ সুযোগ দিয়ে। এই বেলি ন্যায় পালিকাৰ স'তেও 'সংবিধান দিৱস' পালন কৰা হ'ল, সেইটো তাৎপৰ্যপূৰ্ণ। 'বিজ্ঞান ভৱন'ত অনুষ্ঠিত সভাত প্ৰধানমন্ত্ৰীয়ে কৈছে,— আগবেলা সংসদ ভৱনত কাৰ্যপালিকা আৰু বিধানপালিকাৰ সদস্যৰ স'তে মতবিনিময় কৰাৰ পাছত সংবিধানৰ তৃতীয়টো গুৰুত্বপূৰ্ণ সংস্থাৰ স'তে সুকীয়াকৈ মিলিত হ'লেও তিনিওটা অংগৰে একেই লক্ষ্য, ভাৰতৰ গণতান্ত্ৰিক পৰম্পৰাক বিশ্বৰ আদৰ্শৰূপে প্ৰতিষ্ঠা কৰা। তেওঁ আঙুলিয়াই দিয়ে যে এতিয়া বিশ্বৰ ক'তো উপনিৱেশ নাই, কিন্তু সেই বুলি ঔপনিৱেশিক মানসিকতাৰ অন্ত পৰা বুলি ক'ব নোৱাৰি। বিশেষকৈ উন্নত ৰাষ্ট্ৰবোৰে বিগত এটা দশকত উন্নয়নশীল ৰাষ্ট্ৰৰ বিকাশত নানান বাধাৰ সৃষ্টি কৰাটো উদ্বেগৰ কথা হৈ পৰিছে।

প্ৰধানমন্ত্ৰীয়ে কাৰ্যপালিকা, বিধানপালিকা আৰু ন্যায়পালিকাৰ মাজত সমন্বয় ৰক্ষাৰ ওপৰত গুৰুত্ব দিছে। এই প্ৰসংগতে তেওঁ আঙুলিয়াই দিয়ে যে আদালতত তৰা ভালেমান জনস্বাৰ্থ জড়িত গোচৰ মূৰকত বিকাশৰ পৰিপন্থীৰূপে সাব্যস্ত হয় আৰু সেইবোৰৰ মীমাংসাত অযথা বিলম্ব ঘটিলে ৰাষ্ট্ৰই অপূৰণীয় ক্ষতি স্বীকাৰ কৰিবলগীয়াত পৰে। নৰ্মদাৰ ওপৰত নিৰ্মিত বান্ধৰ প্ৰসংগত প্ৰধানমন্ত্ৰীয়ে ন্যায়পালিকাৰ দীৰ্ঘসূত্ৰিতাৰ বিষয়টো উত্থাপন কৰাৰ পৰিপ্ৰেক্ষিতত প্ৰধান বিচাৰপতি ৰামান্নাই কয় যে প্ৰকৃততে গোচৰৰ মীমাংসাত বিলম্ব ঘটাৰ কাৰণ মাথোন ন্যায়পালিকা নহয়; কাৰ্যপালিকাৰ কাৰ্যপদ্ধতিৰ সংস্কাৰ সাধন আৰু অধিবক্তাসকলৰ ইতিবাচক ভূমিকাও খৰতকীয়া বিচাৰৰ বাবে আৱশ্যকীয়। তেওঁ আঙুলিয়াই দিয়ে যে বিচাৰ প্ৰক্ৰিয়াত বিলম্ব ঘটাৰ অন্যতম কাৰণ হ'ল ন্যায়িক আন্তঃগাঁথনিৰ বিসংগতি।


'সংবিধান দিৱস'ৰ সভাত আইনমন্ত্ৰী ৰিজিজুৱে ন্যায়িক আন্তঃগাঁথনি নিৰ্মাণত চৰকাৰে অগ্ৰাধিকাৰ দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে; আনহাতে, ৰাষ্ট্ৰপতিয়ে এই উপলক্ষ্যতে পৰামৰ্শ আগবঢ়াইছে,— সংবিধানিক বিধি ব্যৱস্থাক অধিক সাৰ্থক কৰি তুলিবলৈ কাৰ্যপালিকা, বিধানপালিকা আৰু ন্যায়পালিকাই বিচাৰকৰ নিযুক্তিত অধিক স্বচ্ছতা ৰক্ষাৰ ওপৰত গুৰুত্ব দিয়া উচিত; কলেজিয়াম ব্যৱস্থাৰ সলনি সৰ্বভাৰতীয় বাছনি পদ্ধতিৰ জৰিয়তে বিচাৰকৰ নিযুক্তিৰ ব্যৱস্থা হ'লে ন্যায়পালিকাৰ অভ্যন্তৰতো সকলো বৰ্গৰ আইনজ্ঞই সমবিচাৰ লাভ কৰাটো সুনিশ্চিত হ'ব।

'সংবিধান দিৱস' সন্দৰ্ভত সংবাদ মাধ্যমত বিস্তৃত আলোচনা-বিলোচনা হোৱা নাই সঁচা; কিন্তু ২৬ নৱেম্বৰৰ দিনটোৱে সকলো ভাৰতীয়কে দায়বদ্ধতাৰ কথা সোঁৱৰাই দিয়ে, সেইটো স্পষ্ট ৰূপত প্ৰকাশ নোপোৱাকৈ থকা নাই। তাতেই দিৱসটোৰ সাৰ্থকতা।

ফোন : ৯৪৩৫৫-৫৪২০৫

# অনিমেষ ভূঞাৰ হত্যাকাণ্ড নৃশংসতা শেষ কেতিয়া হ'ব?

**আলোকপাত**



মানসী মিশ্ৰ

**এখন** হাঁহিভৰা মুখ। ২৩ বছৰীয়া এক দগমগ যৌৱন আৰু এক সুন্দৰ প্ৰতিভা যাৰ নাম অনিমেষ ভূঞা। যোৰহাটৰ এজন উদীয়মান আৰু প্ৰতিভাৱান যুৱক এচাম বৰ্বৰ মানুহৰ নৃশংসতাৰ বলি হৈ অকালতে হেৰাই গ'ল আমাৰ মাজৰ পৰা, যিজন যুৱক ছাত্ৰ সন্থাৰ সক্ৰিয় সদস্য আছিল, সমাজৰ উন্নয়নৰ হকে সদায় মাত মাতি আহিছিল। এই নিৰ্জু বিনয়ী স্বভাৱৰ অনিমেষ ভূঞাৰ বৰ্বৰ হত্যাকাণ্ডই কেৱল সমগ্ৰ যোৰহাট চহৰখনকে জোকাৰি যোৱা নাই, সমগ্ৰ ৰাজ্যতে খলকনি তুলিছে। এচাম মানুহৰ পাশৱিকতাৰ নিদৰ্শন দাঙি ধৰিলে এই প্ৰতিভাৱান যুৱকৰ হত্যাকাণ্ডই। ৰাজ্যৰ সৰ্বত্ৰ প্ৰতিবাদ হৈছে। সকলোৱে একেমুখে ধিক্কাৰ দিছে এই পাশৱিক হত্যাকাণ্ডৰ। একবিংশ শতিকাৰ সভ্য মানুহ বুলি দাবী কৰা এইচাম মানুহে এনেধৰণৰ পাশৱিক হত্যাকাণ্ড কেনেকৈ সংঘটিত কৰিব পাৰে সেয়া ভাবিবলগীয়া কথা। ২৩ বছৰীয়া এক উঠি অহা প্ৰতিভা। নিজৰ অলপো সময় নষ্ট নকৰি নিজৰ উদ্যোগত ফ্লেক্সৰ ব্যৱসায় আৰম্ভ কৰি নিজৰ প্ৰতিভাৰ জৰিয়তে সমগ্ৰ অঞ্চলত জনপ্ৰিয় হৈ উঠিছিল। নিজৰ নম্ৰ ব্যৱহাৰেৰে সকলোৱে হৃদয় জিনিছিল তেওঁ। পৰিয়ালৰ একমাত্ৰ উপাৰ্জনকাৰী আছিল তেওঁ। নিজৰ পুত্ৰ সন্তানক অকালতে হেৰুওৱাৰ দুখ পিতৃ-মাতৃয়ে কোন সতে সহ্য কৰে বাৰু? যাৰ নিজৰ হয়, তেওঁহে বুজি পায় সকলো। নিৰপৰাধী সন্তানক অকালতে হেৰুওৱাৰ বেদনা কিমান যন্ত্ৰণাদায়ক সেয়া অনিমেষৰ পিতৃ-মাতৃয়েহে ভালদৰে উপলব্ধি কৰিব পাৰিব। আমি সকলোৱে এজন নিৰপৰাধী প্ৰতিভাৱান যুৱকৰ মৃত্যুত যিমান দুখ-যন্ত্ৰণা অনুভৱ কৰিছো পৰিয়ালটোৰ একমাত্ৰ উপাৰ্জনকাৰী অনিমেষৰ হত্যাকাণ্ডত পিতৃ-মাতৃয়ে কি যন্ত্ৰণা অনুভৱ কৰিছে সেয়া সহজেই অনুমেয় আৰু এই দুখৰ জুঁইকুৰা আজীৱন কঢ়িয়াই ফুৰিব লাগিব। সদা কৰ্মব্যস্ত, সমাজৰ উন্নতিৰ হকে মাত মতা, সকলোতে আগবাঢ়ি অহা অনিমেষৰ কি অপৰাধ আছিল বাৰু? ইয়াৰ উত্তৰ কাৰোবাৰ হাতত আছেনে?

নিশ্চয় নাই। তেওঁ আনৰ সহায়ৰ বাবে আগবাঢ়ি গৈ নিজেই নৃশংসতাৰ বলি হ'বলগীয়া হয়। এৰা, নিজৰ মনত বাৰে বাৰে প্ৰশ্নৰ উদয় হয়, এই নৃশংসতাৰ শেষ কেতিয়া হ'ব আমাৰ সমাজখনত। কিছুবছৰ আগলৈকে সমাজত মানুহ হত্যা কৰাটো বহুত ডাঙৰ কথা আছিল; কিন্তু আজিকালি ভাতৰ লগত পানী খোৱা কথাটোৰ দৰে সহজ হৈ গ'ল মানুহ হত্যা কৰা কথাটো। অতি ভয়াবহ হাৰত বাঢ়িবলৈ লৈছে এনে ধৰণৰ পাশৱিক হত্যাকাণ্ড। বছৰৰ ৩৬৫টা দিনৰ প্ৰতিটো দিনতে এনে ঘটনা ঘটে বুলি ক'লেও ভুল কৰা নহ'ব। একবিংশ শতিকাত সতকাই সভ্য মানুহ বুলি ভাবিব খোজা এচাম মানুহৰ এনে ক্ৰিয়াকাণ্ড কেৱল নিন্দনীয়ই নহয়, এয়া আমাৰ সমাজৰ বাবে অতি ঘৃণনীয় ঘটনা। প্ৰতিবাৰে এনে একোটা ঘটনা ঘটিলেই মানুহে ভাবে এইটো ঘটনাই সমাজত শেষ ঘটনা হওঁক, ইয়াতেই পৰিসমাপ্তি ক'ত? প্ৰকৃততে এনে ধৰণৰ বৰ্বৰ ঘটনা আমাৰ সমাজত কমাতকৈ অতি ভয়াবহ হাৰত বৃদ্ধি পাবলৈ লৈছে। সমাজ সভ্যতা যিমান আগুৱাই গৈছে, বিজ্ঞান প্ৰযুক্তিৰ চমকেৰে মানুহে নিজকে যিমানে উন্নত কৰিব বিচাৰিছে, সমাজত এনেকুৱা ঘটনা দিনে দিনে বৃদ্ধি পাবলৈ লৈছে। এয়া আমাৰ সমাজৰ বাবে, আমাৰ জাতিটোৰ বাবে অশুভ সংকেত। যুৱ প্ৰজন্মৰ এচামৰ মাজত এনে উচ্ছৃংখল কাৰ্যকলাপ সঁচাকৈয়ে সমাজ স্খলনৰ আগজাননী। প্ৰতিবাৰেই এনে একোটা হত্যাকাণ্ডই ৰাজ্যখনক জোকাৰি যোৱাৰ পাছত চৌদিশে তীব্ৰ প্ৰতিবাদ হয়। হত্যাকাৰীৰ ফাঁচি হ'ব লাগে, ফাষ্টট্ৰেক আদালতৰ যোগেদি বিচাৰ হ'ব লাগে ইত্যাদি ইত্যাদি। কিন্তু আমাৰ ৰাজ্যত এনে প্ৰতিবাদ মাথোন কেইদিনমানৰ বাবেহে, তাৰ পাছত সকলো নিতাল নিস্তব্ধ হয়। প্ৰতিবাৰেই এনে ঘটনা সমাজত ঘটিলে এইটোৱে শেষ ঘটনা হওঁক বুলি সকলোৱে প্ৰতিবাদমুখৰ হয়; কিন্তু কেইটামান দিন পাৰ হৈ গ'লেই আকৌ সেই প্ৰতিবাদসমূহ সমাপ্ত হয়, এক কথাত ক'বলৈ গ'লে সকলো ফালেই নিতাল নিস্তব্ধ হৈ পৰে।

আমাৰ সমাজত অন্যান্য চুৰি-ডকাইতি, ধৰ্ষণ ইত্যাদি বিভিন্ন অপৰাধসমূহ যিদৰে বৃদ্ধি পাবলৈ লৈছে ঠিক একেদৰে বাঢ়িছে দলবদ্ধ হত্যাকাণ্ডৰ ঘটনা। অনিমেষ ভূঞাৰ এই বৰ্বৰ হত্যাকাণ্ডই আমাক অভি-নীলৰ হত্যাকাণ্ডলৈ মনত পেলাই দিলে। অভি-নীল নামৰ নিৰপৰাধী যুৱক দুজনক কাৰ্বি আংলং জিলাৰ ডকমকা অঞ্চলত এচাম উন্মত্ত লোকে পিশাচৰ দৰে জঁপিয়াই পৰি হত্যা কৰিছিল। দুয়োজনেই উদীয়মান প্ৰতিভাবান যুৱক আছিল। চহৰৰ কোলাহলৰ পৰা আঁতৰত প্ৰকৃতিৰ নিৰ্জনতা উপভোগ কৰিবলৈ যোৱা এই সবল



সুঠাম যুৱক দুজনৰতো কোনো অপৰাধ নাছিল। ডাইনী-সোপাধৰাৰ মিছা সন্দেহত এচাম মানুহে অৰ্থাৎ উন্মত্ত নৰপিশাচৰ দলে কোবাই কোবাই হত্যা কৰিছিল দুয়োজনকে। অথচ হাতযোৰ কৰি তেওঁলোকক মুক্ত কৰি দিবলৈ কোৱা অনুৰোধৰ পাছতো তেওঁলোকৰ অনুৰোধ মিনতিৰ পাছতো সেই উন্মত্ত দলটোৱে তেওঁলোকৰ কোনো কথালৈ কেৰেপ নকৰি কোবাই কোবাই হত্যা কৰিছিল। এই দগমগীয়া যৌৱনৰ অধিকাৰী অভি-নীলৰ মৃত্যুৰ পাছত পিতৃ-মাতৃয়ে কিদৰে যন্ত্ৰণাদায়ক জীৱন কটাইছে, সেয়া মাথোন তেওঁলোকেহে উপলব্ধি কৰিব পাৰে। একেদৰেই কেইবছৰমান আগেয়ে ডিফু চহৰত ঝংকাৰ শইকীয়া নামৰ পঞ্চম শ্ৰেণীত পঢ়া কণমানিটোক কেনেদৰে এচাম উন্মত্ত মানুহে কোবাই কোবাই হত্যা কৰিছিল সেয়া নিশ্চয় আমাৰ সচেতন ৰাইজে পাহৰি যোৱা নাই। আজি ঝংকাৰ ডেকা ল'ৰা হৈ পিতৃ-মাতৃক কিদৰে প্ৰতিপালন কৰিলেহেঁতেন আৰু বৰ্তমান ঝংকাৰ অবিহনে তেওঁৰ পিতৃ-মাতৃয়ে কেনেদৰে দুৰ্বিষহ জীৱন কটাইছে তাৰ খবৰ কোনজন জনপ্ৰতিনিধিয়ে ৰাখিছে বাৰু? ঝংকাৰ নামৰ পঞ্চম শ্ৰেণীত পঢ়া এক প্ৰতিভাৰ এইদৰে অকাল মৃত্যু ঘটিছিল। একেদৰে ২০২০ত সংঘটিত হোৱা হাজোৰ সনাতন ডেকা নামৰ যুৱকজনৰ নৃশংস হত্যাকাণ্ডৰ কথা নিশ্চয় সকলোৱে মনত আছে। ক'ভিড-১৯ মহামাৰীৰ পাছত বাহিৰত কৰি থকা কামৰ পৰা উভতি আহি নিজৰ অঞ্চলতে শাক-পাচলিৰ ব্যৱসায় কৰি নিজৰ পৰিয়ালটোক আৰ্থিকভাৱে সকাহ দিয়াৰ লগতে আন দহজনৰ পৰিয়ালসমূহকো সহায়ৰ হাত আগবঢ়াইছিল, গতিকে এনেস্থলত এদল উন্মত্ত নৰপিশাচে নিজৰ বাহুবল প্ৰদৰ্শন কৰি সনাতন ডেকাক অতি বৰ্বৰভাৱে হত্যা কৰিছিল। আটাইতকৈ ডাঙৰ কথাটো হ'ল, এইসমূহ সমস্যাৰ সমাধান ক'ত? প্ৰতিবাৰেই এনে ধৰণৰ সমস্যা হ'লে কিছুদিনলৈ সৰৱ প্ৰতিবাদ হয়। হত্যাকাৰীৰ ফাঁচিৰ দাবী তোলে সকলোৱে। ফাষ্টট্ৰেক আদালতৰ যোগেদি বিচাৰ হোৱাৰ বাবে দাবী জনায়। এনেধৰণৰ প্ৰতিবাদসমূহ কেইটামান দিনৰ পাছতে শেষ হয়। গতিকে মৌখিক প্ৰতিবাদেৰে বাস্তৱ ক্ষেত্ৰত সকলো সমস্যা সমাধান কৰিব নোৱাৰি। মৌখিক প্ৰতিবাদৰো প্ৰয়োজন আছে। কিন্তু এই সমস্যাসমূহ নিৰ্মূল কৰণৰ বাবে বাস্তৱ সন্মত কাৰ্যকৰী পদক্ষেপ ল'ব লাগিব। বহু সময়ত জনপ্ৰতিনিধি এজনে তেনে পৰিয়ালৰ পিতৃ-মাতৃক সাক্ষাৎ কৰি এটি সাহায্যৰ টোপোলা আগবঢ়াই নিজৰ দায়িত্বৰ পৰা গা এৰি দিব বিচাৰে, সেই ব্যৱস্থাই এই সমস্যাসমূহৰ সমাধান কৰিব নোৱাৰে স্থায়ীভাৱে। আমাৰ সংবিধানত আমাৰ জীৱনক লৈ বহু অধিকাৰ, সুৰক্ষাৰ ব্যৱস্থা আছে বুলি সমাজৰ সকলো শিক্ষিত মানুহেই কম-বেছি পৰিমাণে জানে। কিন্তু এই সংবিধান প্ৰদত্ত অধিকাৰসমূহ নিৰপেক্ষভাৱে সকলোৱে ক্ষেত্ৰতে কাৰ্যকৰী কৰিব পৰাটোৱে আচল কথা। চৰকাৰে ইচ্ছা কৰিলেই এইখিনি সমাধান কৰিব পাৰে। আমাৰ দুই প্ৰধান বিভাগ আৰক্ষী বিভাগ আৰু আইন বিভাগক যিকোনো উপায়ে অধিক সক্ৰিয় আৰু গতিশীল কৰিব লাগে। আৰক্ষী বিভাগটো যদি অধিক সক্ৰিয় হৈ থাকে আৰু অপৰাধীসকলক কোনো সুৰুঙাৰে সাৰি যাবলৈ কোনো সুযোগ নিদি কঠোৰ ভূমিকা পালন কৰে আৰু আইনী বিচাৰ প্ৰক্ৰিয়াটো ক্ষিপ্ৰ আৰু গতিশীল হ'লেহে অপৰাধীয়ে যথোচিত শাস্তি লাভ কৰিব পাৰে আৰু ভুক্তভোগীৰ পৰিয়ালে উচিত ন্যায় পাব পাৰে তাৰ ব্যৱস্থা চৰকাৰে কৰিব পাৰে। অপৰাধীসকলক আইনৰ সুৰুঙাৰে সাৰি যোৱাৰ সুযোগ কোনো কাৰণতেই দিব নালাগে। ফাষ্টট্ৰেক আদালতৰ যোগেদি বিচাৰ প্ৰক্ৰিয়া সম্পন্ন কৰাৰ ক্ষেত্ৰত চৰকাৰে দৃঢ় পদক্ষেপ লওক, তেতিয়াই ন্যায় ব্যৱস্থা সক্ৰিয় হৈ পৰিব, হত্যাকাৰীক কোনো কাৰণতে আইনী শাস্তি লাঘৱ কৰিব নালাগে, তেতিয়াহে আমাৰ সমাজত অনিমেষ ভূঞাৰ দৰে বৰ্বৰ হত্যাকাণ্ড কিছু পৰিমাণে ৰোধ কৰিব পৰা যাব।

> **আমাৰ সংবিধানত আমাৰ জীৱনক লৈ বহু অধিকাৰ, সুৰক্ষাৰ ব্যৱস্থা আছে বুলি সমাজৰ সকলো শিক্ষিত মানুহেই কম-বেছি পৰিমাণে জানে। কিন্তু এই সংবিধান প্ৰদত্ত অধিকাৰসমূহ নিৰপেক্ষভাৱে সকলোৱে ক্ষেত্ৰতে কাৰ্যকৰী কৰিব পৰাটোৱে আচল কথা। চৰকাৰে ইচ্ছা কৰিলেই এইখিনি সমাধান কৰিব পাৰে**

ফোন : ৮৬৩৮০৬০৫৭৩

দৈনিক অগ্ৰদূত
গুৱাহাটী, ৪ ডিচেম্বৰ, ২০২১ পৃষ্ঠা ৫

# কটন গৌৰৱ নে অসম গৌৰৱ?
# অসমৰ লৌহ মানৱ কটনিয়ান বিষ্ণুৰাম মেধী





ড° অৰূপ কুমাৰ হাজৰিকা

**কটন** গৌৰৱ নে অসম গৌৰৱৰ এইলানি প্ৰবন্ধ লিখোতে অসমৰ বিভিন্ন কোণৰ, বিভিন্ন মহলাৰ, বিভিন্ন শ্ৰেণীৰ মানুহৰ সমাদৰ আৰু সহযোগিতা লাভ কৰিবলৈ সুবিধা পাইছো। আগতে কটন কলেজত পঢ়ুওৱা শিক্ষক বা আগতে কটন কলেজত পঢ়া কোনো কোনো সুযোগ্য অসমৰ সন্তানৰ পুত্ৰ-কন্যাসকলে মোক আনকি তেওঁলোকৰ সেই সুযোগ্য পিতৃৰ লেখা বা বায়'দাতা আদি দিও এইলানি লেখা লিখিবলৈ সুবিধা কৰি দিছে। এইবাৰৰ এই শিতানত লিখিবলৈ লৈছো আৰু এজন অসমৰ মুখ্যমন্ত্ৰীৰ বিষয়ে, যিজনে অৱশ্যে অতি কমদিনৰ বাবেহে কটন মহাবিদ্যালয়ত নাম লিখিছিল। এই প্ৰসংগতে অসমৰ কলেজীয়া শিক্ষাৰ বিষয়ে দুআষাৰ কোৱা প্ৰয়োজন। তেতিয়া অসমত এখনেই মাত্ৰ কলেজ স্থাপিত হৈছিল আৰু সেইখনেই আছিল কটন কলেজ। সেই সময়ৰ চীফ কমিছনাৰ ছাৰ হেনৰি কটনৰ উদ্যোগত হোৱা বাবে তেওঁৰ নামেৰেই কলেজৰ নামকৰণ কৰা হৈছিল। তেতিয়া কেৱল দ্বিতীয় শ্ৰেণীৰ কলেজ আছিল, অৰ্থাৎ আই এ লৈকেহে পঢ়ুওৱা হৈছিল। কলেজৰ ঘৰ আছিল এটা আৰু তাতে প্ৰথম আৰু দ্বিতীয় বাৰ্ষিক শ্ৰেণী বহিছিল, ছাত্ৰসকল থাকিবৰ বাবে মাথোঁ খেৰৰ দীঘলীয়া ঘৰ এটাহে আছিল। প্ৰতি কোঠাতে চাৰিজনকৈ ছাত্ৰ থকাৰ বন্দৰস্ত আছিল। কলেজৰ অধ্যাপক আছিল মুঠেই পাঁচজন। মিঃ চুডমাৰ্চন (অধ্যক্ষ), অধ্যাপক চুনিলাল দে, অধ্যাপক ৰজনীকান্ত বৰাল, অধ্যাপক পদ্মনাথ বিদ্যাবিনোদ, মৌঃ এ, ৰাহেদ (এওঁ ছাদুল্লা মন্ত্ৰীসভাৰ দিনত শিক্ষা বিভাগৰ মন্ত্ৰী হৈছিল।। এয়ে আছিল কটন কলেজৰ সৰ্বমুঠ অধ্যাপক মণ্ডলী।

এই কেইজন অধ্যাপকৰ ভিতৰত চুনিলাল দেই পদাৰ্থ বিজ্ঞান আৰু ৰসায়ন বিজ্ঞান, অধ্যাপক বৰালে গণিত শাস্ত্ৰ আৰু তৰ্কশাস্ত্ৰ আৰু অধ্যাপক বিদ্যাবিনোদে সংস্কৃত আৰু বুৰঞ্জী পঢ়াইছিল। তেতিয়া কলিকতা বিশ্ববিদ্যালয়ৰ ভাইচ চেন্সেলাৰ আছিল ছাৰ আশুতোষ মুখোপাধ্যায়। তেওঁৰ উদ্যোগতে বিশ্ববিদ্যালয়ে নতুন পদ্ধতিৰে শিক্ষা অৱলম্বন কৰি কলা আৰু বিজ্ঞানৰ শিক্ষা পৃথকভাৱে দিয়াৰ ব্যৱস্থা কৰিলে। অধ্যক্ষ চুডমাৰ্চনে (চাহাবে) জাননী দিলে— কটন কলেজতে কলা আৰু বিজ্ঞান শিক্ষাৰ পৃথক ব্যৱস্থা হ'ব। মনত উৎসাহত প্ৰথম বাৰ্ষিক শ্ৰেণীত নতুনকৈ ভৰ্তি হোৱা প্ৰায় সকলো ছাত্ৰই বিজ্ঞান পঢ়িবলৈ ল'লে। আজি-কালিৰ দৰে সেই সময়ত ছাত্ৰৰ সংখ্যা অধিক নাছিল। সেই বছৰতে আন আন বছৰতকৈ অধিক ছাত্ৰই কটন কলেজত নামভৰ্তি কৰিছিল। সেই বছৰ প্ৰথম বাৰ্ষিক শ্ৰেণীৰ ছাত্ৰ সংখ্যা আছিল ৫০ জন। মেধীয়ে ৰসায়ন বিজ্ঞান আৰু পদাৰ্থ বিজ্ঞান পঢ়িবলৈ ল'লে; কিন্তু উক্ত দুয়ো বিষয়ৰে শিক্ষা দিবলৈ কেৱল এজনহে অধ্যাপক; চুনিলাল দেই অকলে ৰসায়ন শাস্ত্ৰৰ এম এ; গতিকে পদাৰ্থ বিজ্ঞানৰ বাবে সুকীয়া অধ্যাপক মকৰল নকৰিলে বিশ্ববিদ্যালয়ে বিজ্ঞান পঢ়িবলৈ অনুমতি দিব নোৱাৰে বুলি সেই সময়ৰ পূৰ্ববংগ আৰু অসম চৰকাৰলৈ আদেশ জাৰি কৰিলে। ১৯০৫ত তেতিয়াৰ গৱৰ্ণৰ জেনেৰেল লৰ্ড কাৰ্জনে বংগ বিচ্ছেদ কৰি অসমক পূৰ্ববংগৰ লগত লগ লগালে। এই নতুন প্ৰদেশৰ ৰাজধানী আছিল ঢাকাত আৰু পূৰ্ববংগ আৰু অসম শাসন কৰিছিল লেফটেনেন্ট গৱৰ্ণৰ বা এজন দৰলীয়া লাট বাহাদুৰে। কলিকতা বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই বিজ্ঞানৰ শ্ৰেণী খোলাৰ প্ৰস্তাৱ নামাঞ্জুৰ কৰাত সেই বছৰ অৰ্থাৎ ১৯০৭ত কটন কলেজত অকল ইন্টাৰমিডিয়েট শ্ৰেণীত কলা শিক্ষাৰহে ব্যৱস্থা হ'ল। কে'বাজনো ছাত্ৰই বিজ্ঞান শিক্ষাৰ উচ্চ আশা লৈ আন আন ঠাইলৈ গ'ল। মেধীয়েও কলিকতালৈ গৈ ডাফ্ কলেজত আই এছ চি মহলাত নামভৰ্তি কৰিলেগৈ। তেওঁ আই এছ চি পৰীক্ষাত কলিকতা বিশ্ববিদ্যালয়ৰ দ্বাদশ স্থান লাভ কৰি ২৫ টকীয়া বৃত্তি পায়। পাছত তেওঁ প্ৰেছিডেন্সী কলেজৰ পৰা বি এছ চি পৰীক্ষাত অনাৰ্ছসহ উত্তীৰ্ণ হৈ ঢাকা বিশ্ববিদ্যালয়ত নাম লিখিলে আৰু আইনৰ ছাত্ৰ হিচাপেও ভৰ্তি হ'ল। ১৯১৩ত ৰসায়ন শাস্ত্ৰত এম এছ চি পাছ কৰি সেই বিশ্ববিদ্যালয়তে এবছৰ কাল তেওঁ গৱেষণা কৰে। ১৯১৪ত তেওঁ আইনৰ শেষ পৰীক্ষা পাছ কৰি, ১৯১৫ৰ পৰা গুৱাহাটীৰ আদালতত ওকালতি আৰম্ভ কৰি তেওঁ যিটো মোকৰ্দমা লৈছিল, সেইটো ভালদৰে চালি-চাৰি লৈহে আদালতত থিয় দিছিল। কঠোৰ শ্ৰম আৰু অধ্যৱসায়ৰ গুণত তেওঁ অতি সোনকালে ফৌজদাৰী আইনৰ উকীল হিচাপে প্ৰতিষ্ঠিত হৈছিল। আদালতত যেতিয়া মেধীয়ে সাক্ষীক জেৰা কৰে, নাইবা মোকৰ্দমা এটাৰ মোখনি মাৰি তৰ্কৰ জাল বিস্তাৰ কৰে, সেয়া চাবলৈ আদালতত মানুহৰ ভিৰ হৈছিল। গুৱাহাটীত তেতিয়া হাইক'ৰ্ট নথকাৰ বাবে ১৯৩১ত মেধীয়ে কলিকতা হাইক'ৰ্টৰ অধিবক্তাৰূপে পঞ্জীয়ন কৰে।

ওকালতিৰ দৰে স্বাধীন ব্যৱসায় এটাত নিযুক্তি হোৱাৰ বাবে মেধিৰ সমাজ সেৱাৰ দুৱাৰখন মুকলি হৈ পৰিল। উকীল হিচাপে মেধি বহু সভা-সমিতিৰ লগত জড়িত হৈ পৰিছিল। তেওঁ ধীৰ, স্থিৰ আৰু গম্ভীৰ প্ৰকৃতিৰ হোৱা বাবে বহু লোকে সতকাই তেওঁৰ ওচৰ নাচাপিছিল। বাহিৰত কঠোৰ যেন দেখিলেও ভিতৰখন কোমল আছিল। ওকালতি ব্যৱসায়ত তেওঁ প্ৰভূত অৰ্থ উপাৰ্জন কৰিছিল আৰু সমাজত এজন বিশিষ্ট ব্যক্তি হিচাপে জনাজাত হৈছিল।

মহাত্মা গান্ধীৰ আহ্বান ক্ৰমে তেওঁ ওকালতি বাদ দি অসহযোগ আন্দোলনত যোগদান কৰে। ১৯২১ত এবছৰৰ বাবে তেওঁ কাৰাবৰণ কৰে। ১৯৩০, ১৯৩২, ১৯৪০ আৰু ১৯৪২ৰ স্বাধীনতা আন্দোলনত অংশগ্ৰহণ কৰি প্ৰত্যেকবাৰেই বেলেগ বেলেগ নিৰ্ধাৰিত কালৰ বাবে কাৰাবৰণ কৰে। তেওঁ সৰ্বমুঠ ছবছৰ কাল কাৰাগাৰত কটায়। ১৯৩০ত জৰিমনা দিবলৈ অমান্তি হোৱাত চৰকাৰে তেওঁৰ মটৰগাড়ীখনকে বিক্ৰী কৰে।

১৯৩০ৰ ১৩ ফেব্ৰুৱাৰীৰ এটা ঘটনা। গুৱাহাটীৰ তেতিয়াৰ কাৰ্জন হলত (নবীনচন্দ্ৰ বৰদলৈ হল) অসম কংগ্ৰেছৰ এখন জৰুৰী সভা বহে। তাত কংগ্ৰেছ সদস্য সকলো উপস্থিত আছিল। অসম কংগ্ৰেছৰ বাবে সেই সময়ছোৱা সংকটপূৰ্ণ আছিল। এফালে আৰ্থিক হিচাপে কংগ্ৰেছৰ ধনৰ ভঁৰাল শূন্য। আনফালে, কৰ্মীসকলৰ মনত উদ্যমৰ অভাৱ। ১৯৩০ৰ ঐতিহাসিক লাহোৰ কংগ্ৰেছৰ পাছত দেশভক্ত তৰুণৰাম ফুকন, কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ, দেশনেতা কুলধৰ চলিহা প্ৰভৃতি অসমৰ প্ৰখ্যত নেতৃবৰ্গই বিশেষ কাৰণত গান্ধীজীৰ আইন অমান্য আন্দোলনত সক্ৰিয় অংশগ্ৰহণ কৰিবলৈ অপাৰগ হোৱাত অসমত কংগ্ৰেছ পৰিচালনা কৰি স্বাধীনতা সংগ্ৰাম আগুৱাই নিয়াৰ বাবে নেতৃত্ব বহন কৰিবলৈ যোৱা ব্যক্তিৰ প্ৰকৃততে অভাৱ হৈছিল। সেই সময়ত অসম কংগ্ৰেছৰ সন্মুখত দেখা দিছিল এক বিৰাট অৱসাদৰ ভাব, যেন অসমত এক ৰাজনৈতিক শূন্যতাৰহে বিৰাজমান, স্বৰ্গীয় কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ আৰু ফুকনৰ মৃত্যু হ'ব পাৰে, তেওঁলোকৰ মৃত্যু হ'ল বুলিয়েই অসমত কংগ্ৰেছৰ দায়িত্ব ল'ব পৰা কোনো ডেকা নাইনে? 'আজি অসম মাতৃয়ে অসমৰ প্ৰতিজন ডেকাৰ কৰ্তব্য সম্পাদনা বিচাৰিছে।' বৰদলৈৰ ভাষণৰ পাছত সভাত এটা গম্ভীৰ পৰিৱেশ।

সেই সময়তে ৰাইজৰ মাজৰ পৰা এজন চুটি-চাপৰ গৌড়বৰ্ণৰ সুঠাম দেহশ্ৰী যুৱক উঠি আহি নীৰৱতা ভংগ কৰি উদ্দীপ্ত কণ্ঠেৰে ঘোষণা কৰিলে— 'যদি কোনো লোক আগবাঢ়ি আহিবলৈ ইচ্ছা নকৰে, তেন্তে ময়ে আগবাঢ়িলো— কংগ্ৰেছৰ সাংগঠনিক সকলো দায়িত্ব ল'বলৈ।' সেই ডেকাজন আছিল গুৱাহাটী তথা অসমৰ বিখ্যাত হৈ পৰা অসীম সাহসী ফৌজদাৰী উকীল বিষ্ণুৰাম মেধী।

১৯৩২ত দ্বিতীয় ঘূৰণীয়া মেজমেল ব্যৰ্থ হোৱাত মহাত্মা গান্ধীয়ে গাঁও সংগঠন আঁচনি হাতত লয়। এই আঁচনিৰ লক্ষ্য হ'ল গাঁওবোৰ সংগঠন কৰি আৰ্থিক, সামাজিক আৰু বিশেষকৈ শিক্ষাৰ ক্ষেত্ৰত বিশেষ কাৰ্যকৰী ব্যৱস্থা লোৱা। ইয়াকে সেই সময়ত শ্ল'গান হিচাপে লৈ কোৱা হৈছিল— 'গাঁৱলৈ যোৱা।' এই আঁচনিৰ সন্দৰ্ভত মেধী কংগ্ৰেছ সভাপতি হিচাপে গাঁও সংগঠন আন্দোলন আৰম্ভ কৰে। সেই সময়ত মেধীৰ সোঁহাত স্বৰূপ আছিল প্ৰয়াত দীননাথ মেধী। তেওঁ দেৱানী উকীল হিচাপে বিখ্যাত আছিল। বিষ্ণুৰাম মেধীয়ে দীননাথ মেধীৰ সংযোগত হাজো অঞ্চলত 'হাজো শিক্ষা বিস্তাৰ সমিতি' নাম দি এখন আঞ্চলিক ভিত্তিত কমিটী গঠন কৰে আৰু নিজে ইয়াৰ সভাপতি হৈ দীননাথ মেধীক সম্পাদকৰ দায়িত্ব দিয়ে। শিক্ষা বিস্তাৰ সমিতিৰ জৰিয়তে গোটেই অঞ্চলটোতে এটা শিক্ষাৰ বাতাবৰণ সৃষ্টি কৰে। তাৰে ফলস্বৰূপে গোটেই অঞ্চলটোত প্ৰাইমাৰী পৰ্যায়ৰ পৰা হাইস্কুল পৰ্যায়লৈ বহুতো শিক্ষানুষ্ঠান গঢ়ি উঠে। বৰ্তমানে হাজো অঞ্চলত প্ৰায় সকলো গাঁৱতে স্কুল আনকি কলেজো হৈছে। বিষ্ণুৰাম মেধীয়ে কংগ্ৰেছ সভাপতি হিচাপে গোটেই অসম দেশ ভ্ৰমণ কৰিব লগা হৈছিল। সেই সময়ত দীননাথ মেধীয়ে হাজো অঞ্চলৰ সাংগঠনিক কাম-কাজবোৰ তদাৰক কৰিছিল। তেওঁৰ যত্নতেই এই অঞ্চলৰ ভালেমান উদীয়মান ডেকাই কংগ্ৰেছৰ সক্ৰিয় কৰ্মী হিচাপে আজীৱন দেশসেৱা কৰি গৈছে। সেইসকলৰ ভিতৰতেই ডাঃ শম্ভুৰাম মেধী, কেশৱ বৰুৱা, অমৃত ডেকা, অমৃত কাকতি, ৰঘুনাথ ঠাকুৰীয়া চন্দ্ৰকান্ত দাস, ধনেশ্বৰ তালুকদাৰ, দেৱীৰাম দাস, লংকেশ্বৰ দাস, আদিত্য চক্ৰৱৰ্তী, ৰামেশ্বৰ চক্ৰৱৰ্তী, যোগেন্দ্ৰ নাথ ৰাজমেধী, পদ্মৰাম মেধী, ডাঃ হৰিচৰণ দাস আদিৰ নাম উল্লেখ কৰিব পাৰি।

১৯৩০ৰ পৰা ১৯৩৯লৈ মেধীয়ে অসম কংগ্ৰেছৰ সভাপতি হিচাপে দায়িত্ব লৈ সুখ্যাতিৰে অসম কংগ্ৰেছক সঞ্জীৱিত কৰিছিল। সেই সময়ত তেওঁ অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ভ্ৰমি কংগ্ৰেছ মহাসভাৰ পূৰ্ণ স্বাধীনতাৰ বাণী আৰু জাতিৰ জনক মহাত্মা গান্ধীৰ মহান আদৰ্শ বাণী প্ৰচাৰ কৰি সমগ্ৰ অসমত এক বিপুল জাতীয় জাগৰণৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল।

১৯৩৫ৰ ভাৰত শাসনৰ আইনৰ অধীনত অনুষ্ঠিত হোৱা সাধাৰণ নিৰ্বাচনত মেধী প্ৰাদেশিক ব্যৱস্থাপক সভালৈ প্ৰাৰ্থী হোৱা নাছিল। তেওঁৰ বন্ধু-বান্ধৱ আৰু কংগ্ৰেছী নেতাসকলে অনুৰোধ কৰা সত্ত্বেও তেওঁ প্ৰাৰ্থী নহ'ল। নিৰ্বাচনৰ সকলো দায়িত্ব লৈ তেওঁ কংগ্ৰেছ প্ৰাৰ্থীসকলক জয়যুক্ত কৰাত সৰ্বশক্তি প্ৰয়োগ কৰাৰ মানসেৰে নিৰ্বাচনত অংশ লোৱাৰ পৰা আঁতৰি থাকে। নিৰ্বাচনত অংশ লোৱা হ'লে তেৱেঁই সেই সময়ৰ বিধানসভাত কংগ্ৰেছৰ দলপতি হ'লহেঁতেন। তেওঁৰ জীৱনৰ ই এক ত্যাগৰ দৃষ্টান্ত।

১৯৫০ৰ ছয় আগষ্টত গোপীনাথ বৰদলৈৰ মৃত্যুৰ পাছত তেওঁৰ মন্ত্ৰীসভাত দ্বিতীয় স্থানত থকা বিষ্ণুৰাম মেধী বিধায়িনী দলৰ সৰ্বসন্মতিক্ৰমে দলপতি আৰু মুখ্যমন্ত্ৰী হয়। মেধী ৰাজহ আৰু বিত্তমন্ত্ৰীও আছিল।

১৯৫৭ত শোধনাগাৰ সম্পৰ্কীয় লিখা-লিখি সভা-সমিতি কৰোতে অসম চৰকাৰৰ বহুখিনি সময় ব্যয় হৈছিল। এই সম্পৰ্কত মেধিয়ে প্ৰধানমন্ত্ৰীলৈ লিখা দুই-এখন চিঠি ফুলস্কেপ আকাৰৰ কাগজৰ সাত পৃষ্ঠালৈ বিস্তৃত আছিল। অসম প্ৰাদেশিক কংগ্ৰেছ কমিটীয়ে শোধনাগাৰ স্থাপনৰ বিষয়টোত চৰকাৰৰ লগত একমত হৈ কেন্দ্ৰীয় চৰকাৰৰ ওপৰত হেঁচা প্ৰয়োগ কৰিছিল। আন্দোলন নকৰিলে অসমে কোনো সমস্যাই সমাধান কৰিব নোৱাৰে, এনে এটা ধাৰণা অসমৰ মানুহৰ মনত জাগি উঠিছিল।

শোধনাগাৰ স্থাপনৰ স্থানক লৈ মেধীয়ে প্ৰধানমন্ত্ৰীলৈ লিখিছিল যে অসমত তেল শোধনাগাৰ স্থাপিত নহ'লে তেওঁ মুখ্যমন্ত্ৰীৰ পদ ইস্তাফা দিব।

মুখ্যমন্ত্ৰীৰ পদ ইস্তফা দিব।

১৯৫৭ৰ সাত ডিচেম্বৰত কেন্দ্ৰীয় মন্ত্ৰী চৰণ সিঙে সদৰী কৰি বিবৃতি দিলে ৰাজহুৱা খণ্ডৰ তেল শোধনাগাৰটো অসমত স্থাপন কৰা হ'ব। অৱশেষত গুৱাহাটীৰ ওচৰৰ নুনমাটিত শোধনাগাৰ স্থাপন হ'ল। তেওঁ সাত বছৰ কাল অসমৰ মুখ্যমন্ত্ৰী হোৱাৰ পাছত ১৯৫৭ত মাদ্ৰাজৰ ৰাজ্যপাল হয়। তেওঁ প্ৰথম অসমীয়া ৰাজ্যপাল আছিল। ১৯৬৪ত এই পদৰ পৰা অৱসৰ গ্ৰহণ কৰে। ১৯৬৭ত তেওঁ আকৌ বিধানসভালৈ অপ্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হয়।

১৯৬৪ত যেতিয়া তেওঁ মাদ্ৰাজৰ পৰা উভতি আহি পায়, তেতিয়া তেওঁৰ স্থাৱৰ-অস্থাৱৰ সকলো সা-সম্পত্তি দেশৰ কণ কণ শিশুসকলৰ বাবে 'বিষ্ণু নিৰ্মলা ন্যাস' তৈয়াৰ কৰি দান কৰে।

১৯৭২ৰ বিধানসভা নিৰ্বাচনৰ পাছত ১৯৭৪-৭৫ত অসমত জৰুৰীকালীন অৱস্থা ঘোষণা কৰা সময়ত মেধী বৰ বিচলিত হয় আৰু মনত আঘাত পাই ৰাজহুৱা জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰে। ১৯৮১ৰ ২১ জানুৱাৰীৰ দিনা এইজনা লৌহ মানৱে শেষ শয্যাত নিদ্ৰিত হয়। *ফোন ঃ ৯৮৬৪০-৪৪৪৫৩*

---

পশ্চিম আকাশত উদয় হোৱা কমতাৰত্ন

# অম্বিকাচৰণ চৌধুৰী

## স্মৃতি দিৱসৰ শ্ৰদ্ধাঞ্জলি



**অসমৰ** পশ্চিম আকাশত উদয় হোৱা কমতা ৰত্নৰূপী সূৰ্যই সমগ্ৰ অসমকে সাহিত্য-সংস্কৃতিৰ জ্যোতিৰে জ্যোতিষ্মান কৰিবলৈ চেষ্টা কৰিছিল। এসময়ৰ গোৱালপাৰা জিলা এতিয়া দুখন জিলাত পৰিণত হ'ল। আগৰ কামৰূপ জিলাও দুখন হ'ল। সেই অবিভক্ত গোৱালপাৰা জিলাৰ বঙাইগাঁৱত উদিত হৈছিল এই মানৱ সূৰ্য। তাৰ পৰাই সমগ্ৰ অসমৰে আন্ধাৰ দূৰ কৰি জ্যোতিষ্মান কৰিবলৈ চেষ্টা কৰিছিল বচন আৰু লেখনৰ মাধ্যমেৰে।

১৯৩০ৰ বঙাইগাঁও আজিৰ দৰে বঙাইগাঁও নাছিল। বঙাইগাঁৱৰ ভাটিপাৰা অতি পিছপৰা এখন গাঁও আছিল। গাঁওখনৰ প্ৰায় সকলো লোক কৃষিজীৱী আছিল। তেওঁৰ পিতৃ আছিল নৰেশ্বৰ চৰকাৰ আৰু মাতৃৰ নাম আছিল কাশীশ্বৰী দেৱী। ঘৰুৱা আৰ্থিক অৱস্থা টনকিয়াল নোহোৱা বাবে অতি কষ্ট কৰি ১৯৫৫ত স্নাতক উপাধি লাভ কৰি চৰকাৰী চাকৰিত সোমাই শ্বিলং পাইছিল। চেষ্টা কৰিছিল চৰকাৰী প্ৰশাসনিক বিষয়া হ'বলৈ, কিন্তু কে'বাবাৰো পৰীক্ষা দি বিফল হ'ল। বিফলতা বৰ দুখৰ কথা, কিন্তু বিফলতাক ভগৱানৰ আশীৰ্বাদ হিচাপে লৈ যিসকলে হতাশ নহৈ নিজৰ লগতে জগতৰ কল্যাণৰ বাবে কিবা কৰিবলৈ চেষ্টা কৰে, সেইসকলহে মহানতাৰ শীৰ্ষস্থান লাভ কৰিবলৈ সক্ষম হয়। ড° ভূপেন হাজৰিকা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক আছিল। যি সময়ত গীত গাই জীৱন নিৰ্বাহ কৰাতো একেবাৰে অসম্ভৱ আছিল, সেই সময়তে অধ্যাপকৰ পদ ত্যাগ কৰি ওলাই নোযোৱা হ'লে 'সুধাকণ্ঠ', 'অসম ৰত্ন', 'ভাৰত ৰত্ন' হোৱাতো সম্ভৱ নোৱাৰিলেহেঁতেন। অম্বিকাচৰণ চৌধুৰীয়েও চৰকাৰী চাকৰি ত্যাগ কৰি ভুৱন চন্দ্ৰ সন্দিকৈৰ প্ৰেৰণাত কাগজ-কলম লৈ অসমৰ বৃহত্তম জনগোষ্ঠী আৰু অসমীয়া সাহিত্য, সংস্কৃতি, ৰাজনীতি, অৰ্থনীতি, ধৰ্মনীতি সকলোতে প্ৰচুৰ অৱদান আগবঢ়াই যোৱা কোচ ৰাজবংশীসকলৰ ইতিহাস খুঁচৰিবলৈ আৰম্ভ কৰিলে। তাৰ মাজতে তেওঁ বঙাইগাঁৱত এখন নৰ্মাল স্কুল প্ৰতিষ্ঠা কৰি অধ্যক্ষ হৈ শিক্ষাৰ ক্ষেত্ৰতো বিশেষ অৰিহণা আগবঢ়ালে।

ভাৰতে স্বাধীনতা লাভ কৰাৰ প্ৰাক্‌মুহূৰ্তত দেশ বিভাজনৰ মহাপ্ৰলয় আৰম্ভ হয়, এই প্ৰলয়ত লাখ লাখ মানুহৰ মৃত্যু হৈছিল। কোচবিহাৰকে ধৰি সমষ্ট পূৰ্বোত্তৰ ভাৰতক বিশেষকৈ অসমক পূৰ্ববংগৰ লগত চামিল কৰিবলৈ এক

ড° দেবেন চন্দ্ৰ দাস 'সুদামা'

শ্ৰেণীৰ মানুহে মৰো জীওঁ সোঁ অধিকৈ চেষ্টা কৰিছিল, আনকি জনমত গঠন কৰিবলৈ 'পয়গাম' নামৰ পত্ৰিকাও প্ৰকাশ কৰি বিফল হৈছিল।

এসময়ত অসমীয়া ভাষা, সাহিত্য, সংস্কৃতি, অৰ্থনীতি, ধৰ্মনীতি আদিৰ কেন্দ্ৰ আছিল কোচবিহাৰ। ৰাজ্যৰ সীমা নিৰ্ধাৰণ কৰাৰ সময়ত কোচবিহাৰৰ লগতে গোৱালপাৰা জিলাকে পশ্চিমবংগৰ লগত যুক্ত কৰাৰ চেষ্টা চলিছিল। জননেতা শৰৎ চন্দ্ৰ সিংহকে ধৰি কোচ ৰাজবংশীসকলে কোনোমতে গোৱালপাৰা জিলাক অসমৰ অন্তৰ্গত কৰি ৰাখিবলৈ সমৰ্থ হ'ল, কিন্তু অসমীয়া ভাষা-সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ কোচবিহাৰ পশ্চিমবংগলৈ গ'ল। অসমৰ ইতিহাসৰ সোণালী যুগৰ কেন্দ্ৰস্থল অসমত নাথাকিল। এইটো অসমৰ বাবে ডাঙৰ দুখৰ ঘটনা বুলি অম্বিকাচৰণ চৌধুৰীয়ে মৰ্মে মৰ্মে উপলব্ধি কৰিছিল।

কোচ ৰাজবংশীসকলক এসময়ত অসমৰ তথাকথিত স্বয়ম্ভূ ডাঙৰ জাতিৰ মানুহে ঘৃণাৰ দৃষ্টিৰে চাইছিল। কোচসকলক তিনিটা ভাগত বিভক্ত কৰা হৈছিল, সৰু কোচ, মাজু কোচ আৰু বৰ কোচ। বৰকোচে সৰু কোচৰ হাতে-পাগে নাখাইছিল। বিয়া-বাৰুৰ সম্পৰ্কৰতো কথাই নাছিল। স্বাধীনতাৰ পাছত কোচসকলৰ কিছু লোকে শিক্ষা-দীক্ষা লাভ কৰি উচ্চ পদত অধিষ্ঠিত হৈছিল; সেইসকলৰ বহুতে নিজকে কোচ বুলি ক'বলৈ সংকোচ কৰিছিল। এই কথা প্ৰয়াত শৰৎ চন্দ্ৰ সিংহ, শিবেন্দ্ৰ নাৰায়ণ কোচ আৰু অম্বিকাচৰণ চৌধুৰীয়ে দুখেৰে ব্যক্ত কৰিছিল।

'চকুৰ আঁতৰ হ'লে মনৰ আঁতৰ হয়' বুলি এষাৰ কথা আছে। কোচবিহাৰ পশ্চিমবংগলৈ যোৱাৰ পাছত এই ঠাইখন অসমৰ মানুহৰ বাবে পৰৰ ঠাইত পৰিণত হ'ল। শ্ৰীমন্ত শংকৰদেৱৰ স্মৃতি বিজড়িত কোচবিহাৰৰ মধুপৰ সভা অসমৰ মানুহৰ বাবে তীৰ্থ মাত্ৰ হৈ থাকিল। অসমৰ ইতিহাসৰ মহাৰাজ বিশ্বসিংহৰ পৰা নৰনাৰায়ণ-চিলাৰায় ৰঘুদেৱ নাৰায়ণ, লক্ষীনাৰায়ণ আদিৰ কথা উল্লেখ আছে, কিন্তু সেইবোৰ চৰাইদেউ, গড়গাঁও, ৰংপুৰৰ দৰে নিজৰ হৈ নাথাকিল। নতুন প্ৰজন্মই পাহৰি যাবলৈ ধৰিলে, চিলাৰায়ে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ প্ৰাণৰক্ষা কৰাৰ কথা পাহৰি গ'ল। মহাৰাজ নৰনাৰায়ণ আৰু চিলাৰায়ৰ পৃষ্ঠপোষকতাত সৃষ্টি হোৱা প্ৰচুৰ সাহিত্য, সংস্কৃতিৰ যে মূল কোচবংশ এইবিলাকৰ আঁত হেৰাই গ'ল। শ্ৰীমন্ত শংকৰদেৱৰ লগৰ পৰা নৰনাৰায়ণ-চিলাৰায় আঁতৰি গ'ল, এনে অৱহেলা, অৱলোকন কৰি পশ্চিম অসমৰ অম্বিকাচৰণ চৰকাৰ আৰু গাৰো পাহাৰৰ শিবেন্দ্ৰ নাৰায়ণ কোচে কোচ জাতিৰ ইতিবৃত্ত খুঁচৰিবলৈ আৰম্ভ কৰিলে। শিৱেন্দ্ৰ নাৰায়ণ এজন পাতাল সন্ধানী গৱেষক আছিল। তেওঁ কোচসকলক ঋগবেদত উল্লেখ থকা অনাৰ্য জাতি বুলি প্ৰমাণ কৰি দেখুৱাইছে আৰু এই জাতিৰ ওপৰত আৰ্যসকলে কৰা অত্যাচাৰৰ কথাও উল্লেখ কৰিছে। কোচ জাতিৰ ইতিবৃত্ত সম্পৰ্কে লিখা শিৱেন্দ্ৰ নাৰায়ণ কোচৰ গ্ৰন্থখন অসম আৰু উত্তৰবংগৰ মানুহে অধ্যয়ন কৰা প্ৰয়োজন।

অসমীয়া জাতিৰ অপৰিহাৰ্য অংগ কোচসকলৰ একাংশই (যিসকল উত্তৰবংগৰ নাগৰিক হ'ল) নিজকে বাংলাভাষী বুলি পৰিচয় দিবলগীয়াত পৰিল। অসমৰ মানুহৰ বাবে অসমৰ ইতিহাস প্ৰসিদ্ধ কোচসকল এলাগী হ'ল। এনে অৱস্থা গভীৰভাৱে অৱলোকন কৰি অম্বিকাচৰণ চৌধুৰীয়ে কোচবংশৰ কথা ইতিহাসৰ আধাৰত লিখি 'ৰত্নপীঠ প্ৰকাশন' প্ৰতিষ্ঠা কৰি হাতৰ ধন ভাঙি প্ৰকাশ কৰি অসমীয়া ৰাইজৰ হাতত তুলি দিলে।

অম্বিকাচৰণ চৌধুৰীয়ে পশ্চিম অসমৰ বহুতো হেৰাই যাব ধৰা প্ৰসিদ্ধ ঘটনা বিচাৰি-খোচাৰি আনি দিনক ৰাতি ৰাতিক দিন কৰি লিখি প্ৰকাশ কৰিব ধৰিলে। এই সম্পৰ্কে 'অসম প্ৰকাশন পৰিষদে' প্ৰকাশ কৰি উলিওৱা 'অম্বিকাচৰণ চৌধুৰীৰ ৰচনাৱলী'ত সম্পাদক হায়দৰ হুছেইনে লিখিছে—'ৰাংটা, গাৰো, ৰজা মহেন্দ্ৰ নাৰায়ণ আৰু অম্বিকাচৰণ চৌধুৰীৰ জীৱন কৃতি' নামৰ গ্ৰন্থখনৰ সম্পাদক ড° যতীন বৰুৱাই 'বাটচ'ৰাৰ কথা' শিৰোনামাৰ আগকথাত লিখিছে— 'আমাৰ সাম্প্ৰতিক পৰিস্থিতিয়ে সঁচাকৈয়ে জটিল ৰূপ ধাৰণ কৰিছে। বিশেষকৈ নামনি অসমত কোচ ৰাজবংশী, গাৰো, ৰাভা আৰু বড়ো কছাৰীসকলে স্বকীয় সত্তা প্ৰাপ্তিৰ বাবে যুঁজ কৰি থাকিবলগীয়া হৈছে কেন্দ্ৰৰ স'তে। যাৰ ফলত এই খিলঞ্জীয়া গোষ্ঠীসমূহৰ মাজত গঢ়ি উঠা অসন্তুষ্টি আৰু বিস্ফোৰণমুখিতাই সময়ত সমগ্ৰ অসমকেই ছানি ধৰিব যেন লাগে। এনে পটভূমিত নামনি অসমৰ সকলো জনগোষ্ঠীৰ স'তে বিশেষভাৱে সুসম্পৰ্কিত সুসাহিত্যিক, সমাজসেৱক, শিক্ষাবিদ অম্বিকাচৰণ চৌধুৰীৰ চিন্তা আদৰ্শক অসমৰ বৌদ্ধিক সমাজে ফঁহিয়াই চোৱাৰ তাৎপৰ্য আছে। নামনি অসমৰ, বিশেষকৈ অবিভক্ত গোৱালপাৰা জিলাৰ জনজীৱন, সমাজ আৰু পৰিৱেশ (অম্বিকাচৰণ চৌধুৰীৰ নিচেই আপোন, খুবেই মৰমৰ। অম্বিকাচৰণ চৌধুৰী ৰচনাৱলী (প্ৰথম খণ্ড) ভূমিকা)

পশ্চিম অসম অসমৰ সৰ্বাংগীণ মূল কেন্দ্ৰৰ পৰা আঁতৰি আছে। ইয়াৰ বাবে কাকো দোষাৰোপ কৰিব পৰা নাযায়। বৰ্তমান ৰাজবংশী ভাষা মান্য ভাষালৈ উন্নীত হ'ব ধৰিছে। উত্তৰবংগত চৰকাৰীভাৱে এই ভাষা শিক্ষাৰ ব্যৱস্থা হৈছে আৰু পশ্চিম অসমৰ কে'বাজনো এই ভাষাৰ বিশেষজ্ঞই তেওঁলোকক সহায় কৰি আছে। অসমৰ ক্ষেত্ৰত কি হৈ আছে, আমি নাজানো।

অম্বিকাচৰণ চৌধুৰীৰ ৰচনাৱলী অসম প্ৰকাশন পৰিষদে দুটা খণ্ডত প্ৰকাশ কৰি উলিয়াইছে। সম্পাদনা কৰিছে সাংবাদিক-সাহিত্যিক হায়দৰ হুছেইনে। তেওঁ লিখা ভূমিকা সঁচাকৈয়ে উল্লেখযোগ্য। ডিমাই আকাৰৰ দুটা খণ্ডত মুঠ পৃষ্ঠা সংখ্যা হৈছে ১৫০৫। অম্বিকাচৰণ চৌধুৰীয়ে ৰচনা কৰা ৩২খন গ্ৰন্থৰ ভিতৰত ৩০খন এই সংকলনত সামৰি লোৱা হৈছে। কাগজ আৰু ছপা অতি আকৰ্ষণীয় হৈছে। ইয়াৰ বাবে অসম প্ৰকাশন পৰিষদ প্ৰশংসাৰ পাত্ৰ।

অম্বিকাচৰণ চৌধুৰীৰ সাহিত্য ৰাজিৰ সঠিক অনুশীলন আৰু গৱেষণা হৈছে নে নাই নাজানো। যদি হোৱা নাই ব্যৱস্থা কৰিব লাগে। পশ্চিম অসমৰ লগতে অসমৰ সৰ্বাংগীণ উন্নতিৰ বাবে দেহে-কেহে চেষ্টা কৰি গৈছে অম্বিকাচৰণ চৌধুৰীয়ে। চাৰি নৱেম্বৰত তেওঁৰ স্মৃতি দিৱসত তেওঁলৈ সশ্ৰদ্ধ প্ৰণিপাত জনালো। *ফোন ঃ ৯৪৩৫৪০৩৩৩৬*

---

# মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনৰ অসংযত দৃশ্যবোৰ

আমাৰ দেশ-সভ্যতাৰ ভৱিষ্যত সম্পদৰ প্ৰতি সংকট কঢ়িয়াই অনা এই ভয়ংকৰ অৱক্ষয়ক নিৰ্মূল কৰিব নোৱাৰা পৰ্যন্ত আমি আমাৰ বাবে নিৰ্মাণ কৰি থাকিম এটি সংশয়পূৰ্ণ ভৱিষ্যতৰ বাট। মন কৰিবলগীয়া কথা যে এই সমস্ত ঘটনাৱলীক দেখি-শুনিও নিমাতে-নিতালে থাকে আমাৰ মহাবিদ্যালয় কৰ্তৃপক্ষসমূহ



ধনমণি দাস

**ভাৰতবৰ্ষৰ** দৰে বৃহত্তম গণতান্ত্ৰিক ৰাষ্ট্ৰ এখনত সময়ে সময়ে অনুষ্ঠিত নিৰ্বাচন ব্যৱস্থাটোৰ এক বিশেষ প্ৰাসংগিকতা আছে। তেনে গণতান্ত্ৰিক নিৰ্বাচন ভাৰতবৰ্ষৰ লগতে আমাৰ অসমৰো বিশ্ববিদ্যালয়, মহাবিদ্যালয়সমূহত আভ্যন্তৰীণ প্ৰশাসন পৰিচালনা কৰিবলৈ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচন হিচাপে অনুষ্ঠিত কৰি অহা হৈছে। সমাজ ব্যৱস্থাৰ পৰিচালনাত ৰাজনীতিৰ ভূমিকা অনস্বীকাৰ্য। সেয়েহে সুস্থ চিন্তা, উদাৰতা, মাৰ্জিত ৰুচিবোধসম্পন্ন ৰাজনীতিৰ যোগেদি সমাজখনক অভিভাৱকত্বৰ নেতৃত্ব প্ৰদান কৰিবলৈ যোৱা সকলো সমাজৰ আটাইৰে আশা-ভৰসাৰ পাত্ৰ; কিন্তু এইখিনিতে ৰাজনীতিৰ যথাৰ্থ সংজ্ঞা আৰু ধাৰণাৰে সিদ্ধি নোহোৱা কোমলবয়সীয়া শিক্ষাৰ্থীসকলে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াবলৈ গৈ প্ৰচাৰ কাৰ্যৰ নামত যেনে ধৰণৰ প্ৰদূষিত, অমাৰ্জিত পৰিৱেশ এটাৰ সৃষ্টি কৰিছে, সেয়া প্ৰতিগৰাকী সচেতন শিক্ষাৰ্থীৰ বাবে অশান্তিকৰ আৰু অগ্ৰহণযোগ্য। শিক্ষানুষ্ঠানত গণতান্ত্ৰিক মূল্যবোধেৰে উদ্বেলিত এটা সুস্থ ৰাজনৈতিক পৰিৱেশ আমিও বিচাৰো, যিয়ে দেশৰ ভাবিকালৰ সংসদীয় ৰাজনৈতিক পৰিক্ৰমাত আগ্ৰহান্বিত ছাত্ৰ-ছাত্ৰীসকলক অংশগ্ৰহণ কৰাৰ পূৰ্ণ সুযোগ আৰু প্ৰতিভা প্ৰদান কৰিব। যথাৰ্থতে এনে এটা ৰাজনৈতিক বাতাৱৰণ গ্ৰহণত আমাৰ আপোচ নাই; কিন্তু অতি সাম্প্ৰতিক ভাৰতীয় তথা অসমীয়া ৰাজনীতিৰ ৰূপৰেখা উপলব্ধিৰ অন্তত আমাৰ মনত দোলা দিয়া ওপৰৰ এনে আশা-প্ৰত্যাশাবোৰক একধৰণে অৰ্থহীন যেন লাগে। অৱশ্যে শেহতীয়া এই অস্থিৰ আৰু সংঘৰ্ষ জৰ্জৰ পৰিৱেশৰ মাজতো আমাৰ এই আশাবাদক লালন-পালন কৰি অথবা উদগণি দি বাস্তৱত কাৰ্যকৰী কৰিবৰ বাবে অগ্ৰসৰ হ'ব পাৰে আজিৰ যুৱ প্ৰজন্মই— আজিৰ মহাবিদ্যালয় !বিশ্ববিদ্যালয়ৰ ছাত্ৰ ৰাজনীতিৰ পথাৰখনত খোজ দি সংসদীয় ৰাজনীতিৰ সোণালী ভৱিষ্যত নিৰ্মাণৰ স্বপ্ন দেখা প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে।

এইখিনিতে দিনচেৰেক পূৰ্বে স্বচক্ষে প্ৰত্যক্ষ কৰা কলেজ এখনৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনৰ কেতবোৰ অসংযত আৰু অপ্ৰীতিকৰ দৃশ্যাৱলীয়ে নিজকে ভবাই তুলিছে আমি কেনেধৰণৰ শৈক্ষিক পৰিমণ্ডলৰ মাজত শিক্ষাজীৱন অতিবাহিত কৰিছো। কলেজৰ মান-মৰ্যাদাৰ প্ৰতি ভেঙুচালি দিয়া একাংশ প্ৰাৰ্থী

ছাত্ৰই নিৰ্বাচনৰ প্ৰচাৰ কৰিবলৈ ব্যৱহাৰ কৰা কেতবোৰ অমাৰ্জিত, কুৰুচিশীল, সাৰশূন্য কৌশলে তেওঁলোকৰ নীচ মানসিকতাৰ পৰিচয় দিয়া দেখিবলৈ পোৱা গৈছে। আত্মপক্ষ সমৰ্থনৰ বাবে কলেজ কেম্পাছত হৈ-হাল্লা, চিঞৰ-বাখৰেৰে তেওঁলোকে নিৰ্বাচনৰ প্ৰচাৰ চলোৱা দেখি এনে লাগে যেন আমি কোনো শিক্ষানুষ্ঠান চৌহদত নহয়,ৰাজনৈতিক সভাথলীতহে আছো। অতি নীচ মানসিকতাৰ পৰিচয় দি একাংশ প্ৰাৰ্থীয়ে তেওঁলোকক বেঢ়ি লোৱা ছাত্ৰ-ছাত্ৰীবোৰৰ সন্মুখত নিজৰ চোলা খুলি দেহ প্ৰদৰ্শন কৰিছে, ক্লাছ চলি থকাৰ মাজতে উত্ৰাৱল হৈ চিঞৰি-চিঞৰি সমদল উলিয়াইছে, হাতেৰে বাইক পৰ্যন্ত দাঙি সহানুভূতি আদায়ৰ চেষ্টা কৰি ভোট ভিক্ষা কৰিছে। স্বাভাৱিকতে এইবোৰ কাৰ্যই যে শিক্ষাৰ প্ৰকৃত পৰিৱেশটোক ক্ৰমাগতভাৱে ধ্বংসমুখী কৰিব লাগিছে তাত তেওঁলোকৰ কানসাৰ নাই। আৰু এই বিষয়ে তেওঁলোকে চিন্তা কৰিবলৈও সামৰ্থহীন। আমাক কলেজবোৰত বন্যোল্লাস কৰিবলৈ নিৰ্বাচন লাগে, ৰাতিটোৰ ভিতৰতে জনপ্ৰিয় হোৱা সস্তীয়া গায়ক মাতি হৈ-হাল্লা, চিঞৰ-বাখৰ কৰিবলৈ ফ্ৰেছাৰ্চ জাতীয় অনুষ্ঠানবোৰ লাগে ঠিকেই; কিন্তু পঢ়া-শুনা, চিন্তা কৰাৰ পৰিৱেশ আমাক নালাগে। এনে পৰিৱেশ যেন আমি নিবিচাৰোঁ। শিক্ষানুষ্ঠানত ক্ৰমাগতভাৱে শৈক্ষিক-বৌদ্ধিক পৰিৱেশৰ যতি পৰাত এইবোৰৰ ভূমিকাই সৰ্বাধিক নহয়নে?

এইখিনিতে আকৌ এটি প্ৰশ্নৰ উদয় হয়, নিৰ্বাচনৰ সময়ত প্ৰাৰ্থীসকলৰ যি সীমাহীন উৎসাহ-উদ্দীপনা দেখা যায়, সেয়া নিৰ্বাচনত জয়লাভৰ পাছত মহাবিদ্যালয় আৰু ছাত্ৰ-ছাত্ৰীসকলৰ হিতৰ বাবে কাম কৰাৰ ক্ষেত্ৰত দেখা যায়নে? নিজ মহাবিদ্যালয়খনতে পাঁচ বছৰ ভোটদান কৰিলো, কিন্তু গতানুগতিক কামকেইটাৰ বাহিৰে মহাবিদ্যালয়ৰ উন্নতিৰ বাবে একতা সভাখনে নতুন উদ্যমেৰে কোনোধৰণৰ ব্যতিক্ৰমী কাম কৰা দেখা নাপালোঁ। প্ৰতিবছৰে সেই একেই প্ৰতিশ্ৰুতিৰ বন্যা,ক্ষমতা দখলৰ একেই অঘোষিত প্ৰতিযোগিতা। সবাতোকৈ লাজৰ কথা এই যে সংশ্লিষ্ট বিভাগৰ পদত প্ৰাৰ্থিত্ব আগবঢ়োৱা অধিকাংশ শিক্ষাৰ্থীয়েই প্ৰতিভাহীন, দক্ষতাহীন।

মহাবিদ্যালয়ৰ নিৰ্বাচনত বহিৰাগত শক্তিসমূহেও প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত হৈ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিভেদৰ বিষবাষ্প সিঁচি দিয়া দেখা গৈছে। ক্ৰমবৰ্দ্ধিত নিৰ্বাচনকেন্দ্ৰিক হিংসা আৰু উন্মাদনাৰ ই এক প্ৰধান কাৰণ। বিশেষকৈ ১৯৮৮ৰ ৬১ সংখ্যক সংবিধান সংশোধনী আইনৰ জৰিয়তে ভোটদানৰ বয়স ১৮ বছৰলৈ হ্ৰাস কৰাৰ পাছত ৰাজনৈতিক দলসমূহৰ সক্ৰিয়তা মহাবিদ্যালয়সমূহত হোৱাহুৰে বৃদ্ধি পাইছে। কোনো ৰাজনৈতিক দলৰ ছাত্ৰ সংগঠনক নিৰ্বাচনত ব্যৱহাৰ কৰি পশ্চাদপটত সেই দলৰ নেতা-পালিনেতাবোৰে অৱস্থান কৰি চলে-বলে-কৌশলে শিক্ষানুষ্ঠানত জনবল-ধনবল প্ৰয়োগ কৰাৰ বাঢ়ি অহা প্ৰৱণতা সুস্থ শৈক্ষিক পৰিৱেশ নিৰ্মাণত অন্তৰায়স্বৰূপ। এনেদৰেই দুঃখজনকভাৱে মহাবিদ্যালয়ৰ নিৰ্বাচনী প্ৰক্ৰিয়াৰ জৰিয়তে কোমল বয়সীয়া ছাত্ৰ ছাত্ৰীসকলক প্ৰলোভনৰ ৰাজনীতিৰ চিকাৰ হিচাপে ব্যৱহাৰ কৰি অহা হৈছে।

আমাৰ দেশ-সভ্যতাৰ ভৱিষ্যত সম্পদৰ প্ৰতি সংকট কঢ়িয়াই অনা এই ভয়ংকৰ অৱক্ষয়ক নিৰ্মূল কৰিব নোৱাৰা পৰ্যন্ত আমি আমাৰ বাবে নিৰ্মাণ কৰি থাকিম এটি সংশয়পূৰ্ণ ভৱিষ্যতৰ বাট। মন কৰিবলগীয়া কথা যে এই সমস্ত ঘটনাৱলীক দেখি-শুনিও নিমাতে-নিতালে থাকে আমাৰ মহাবিদ্যালয় কৰ্তৃপক্ষসমূহ। এনে লাগে যেন উপায়ন্তৰ হৈ আজি আমি যিবোৰ দেখি আছোঁ, যিবোৰ শুনি আছোঁ সেইবোৰে আমাৰ সন্মুখত এতিয়া মুকলি কৰি দিছে আমাৰ ধ্বংসমুখী বাটটো। আমাৰ এই বিপৰ্যয়ক দেখি-শুনিও আমাক ছাঁ দিয়া অগ্ৰজসকলৰ, নেতৃত্ববোৰ কেৱল উদাস আৰু মৌন হৈ ৰৈছে। *ফোন ঃ ৬০০০৮৭০৮২৬*



## জাৰ্মানীত টিকাকৰণ নকৰা লোকৰ বাবে তলাবন্ধ ঘোষণা

**নিউজ ব্যুৰ', বাৰ্লিন, ৩ ডিচেম্বৰ ঃ** জাৰ্মানীৰ চেঞ্চেলৰ এঞ্জেলা মৰ্কেলে টিকা গ্ৰহণ নকৰা লোকৰ বাবে তলাবন্ধ ঘোষণা কৰিলে। দেশখনত এই ঘোষণাৰ ফলত এতিয়াৰে পৰা টিকাকৰণ নকৰা লোকে কোনো ৰাজহুৱা স্থানত বিচৰণ কৰিব নোৱাৰিব। আনকি টিকা নোলোৱা ব্যক্তিয়ে অত্যাৱশ্যকীয় সা-সামগ্ৰী ক্ৰয়ৰ বাবেও বজাৰলৈ যাব নোৱাৰিব। দেশখনৰ চৰকাৰে ইতিমধ্যে অহা বছৰৰ ফেব্ৰুৱাৰীৰ পৰা সকলো নাগৰিকৰ বাবে টিকাকৰণ বাধ্যতামূলক ঘোষণা কৰিছে।

## পশ্চিমবংগত বিনিয়োগৰ প্ৰস্তাৱৰে মুখ্যমন্ত্ৰী মমতাক সাক্ষাৎ আদানীৰ

**নিউজ ব্যুৰ', কলকাতা, ৩ ডিচেম্বৰ ঃ** পশ্চিমবংগলৈ বিনিয়োগকাৰীক অনাৰ উদ্দেশ্যৰে মুম্বাইত উদ্যোগপতিসকলৰ এখন বৈঠকত অংশ লৈছিল ৰাজ্যৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে। এই বৈঠকতে পশ্চিমবংগত উদ্যোগ বাণিজ্যৰ সম্ভাৱনাৰ বিষয়টো দাঙি ধৰিছিল মমতাই। এইবাৰ কলকাতালৈ আহি ৰাজ্যত বিনিয়োগৰ আগ্ৰহ প্ৰকাশ কৰিলে আদানী গোষ্ঠীৰ মুৰব্বী গৌতম আদানীয়ে। প্ৰায় ডেৰঘণ্টা ধৰি মুখ্যমন্ত্ৰী মমতাৰ স'তে আলোচনাত



মিলিত হ'ল আদানী। সূত্ৰৰ খবৰ অনুসৰি, বৈঠকত মুখ্যমন্ত্ৰীৰ আগত পশ্চিমবংগত বিনিয়োগৰ বাবে আগ্ৰহ প্ৰকাশ কৰিলে আদানীয়ে। অহা বছৰৰ ২০-২১ এপ্ৰিলত পশ্চিমবংগত বিশ্ব বংগ বাণিজ্য সন্মিলন অনুষ্ঠিত হ'ব আৰু এই সন্মিলনলৈ আদানীক নিমন্ত্ৰণ জনালে মমতাই। বৈঠকৰ পাছত টুইট কৰি আদানীয়ে কয়, 'মুখ্যমন্ত্ৰীৰ স'তে সাক্ষাৎ কৰি আনন্দিত। পশ্চিমবংগত বিপুল বিনিয়োগৰ সম্ভাৱনাক লৈ আলোচনা হ'ল। ২০২২ৰ এপ্ৰিলত বি জি বি এছত যোগদানৰ বাবে অপেক্ষাৰত।'

## ঘণ্টাত ১১০ কিলোমিটাৰ বেগত আজি আহিব জাবাদ ঘূৰ্ণী



**নিউজ ব্যুৰ', কলকাতা, ৩ ডিচেম্বৰ ঃ** ইতিমধ্যে পশ্চিম মধ্য বংগোপ সাগৰৰ ওপৰত ঘূৰ্ণী ধুমুহাৰ সৃষ্টি হৈছে। জাবাদ নামৰ এই ধুমুহাই ঘণ্টাত ১১০ কিলোমিটাৰ বেগত শনিবাৰে পুৱাতে উত্তৰ অন্ধ্ৰ প্ৰদেশ আৰু দক্ষিণ ওড়িছাৰ মধ্য ভাগত আঘাত হনাৰ সম্ভাৱনা আছে। জাবাদৰ প্ৰভাৱত ওড়িছা, অন্ধ্ৰ প্ৰদেশৰ লগতে পশ্চিমবংগতো শনিবাৰে পুৱাৰে পৰা প্ৰৱল বৃষ্টিপাতৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান বিভাগে জানিবলৈ দিছে। ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰশমন বাহিনী (এন ডি আৰ এফ)ৰ ডি জি অতুল কাৰৱালে প্ৰকাশ কৰা অনুসৰি ওড়িছা, অন্ধ্ৰ প্ৰদেশ আৰু পশ্চিমবংগত ইতিমধ্যে এন ডি আৰ এফৰ ৪৬টা দলক সাজু ৰখা হৈছে। বতৰ বিজ্ঞান বিভাগৰ তথ্য অনুসৰি, উত্তৰ উপকূলীয় অন্ধ্ৰ প্ৰদেশ, দক্ষিণ উপকূলীয় ওড়িছাৰ অধিকাংশ অঞ্চলত পাতলৰ পৰা মধ্যমীয়া বৃষ্টিপাত হ'ব। উত্তৰ উপকূলীয় ওড়িছা আৰু সংলগ্ন অঞ্চলৰ লগতে গাংগেয় পশ্চিমবংগৰ উপকূলৱৰ্তী জিলাত প্ৰৱল বৃষ্টিপাতৰ সম্ভাৱনা আছে।

## ৪০ উৰ্ধ্বৰ লোকক দেশত বুষ্টাৰ প্ৰতিষেধক প্ৰদানৰ পৰামৰ্শ বিশেষজ্ঞৰ




**নিউজ ব্যুৰ', নতুন দিল্লী, ৩ ডিচেম্বৰ ঃ** দেশৰ শীৰ্ষ জিনম বিজ্ঞানীৰ গোট ইনছাকগে ভাৰতৰ ৪০ বছৰ উৰ্ধ্বৰ সকলো নাগৰিকক ক'ভিডৰ বুষ্টাৰ প্ৰতিষেধক প্ৰদানৰ পৰামৰ্শ দিলে। কৰ'নাৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ সংক্ৰমণৰ পৰা হাত সাৰিবলৈ হ'লে দেশত বুষ্টাৰ প্ৰতিষেধক প্ৰদান কৰাটো জৰুৰী বুলি বিজ্ঞানীৰ সংস্থাটোৱে জানিবলৈ দিয়ে। উল্লেখ্য যে ইনছাকগ হৈছে কৰ'নাৰ জিন পৰিৱৰ্তন পৰ্যবেক্ষণৰ বাবে চৰকাৰৰ দ্বাৰা গঠিত ৰাষ্ট্ৰীয় পৰীক্ষণ প্ৰয়োগশালাৰ এটি নেটৱৰ্ক। ইনছাকগৰ বিজ্ঞানীয়ে ৪০ উৰ্ধ্বৰ বয়সৰ লোকৰ লগতে বিভিন্ন জটিল ৰোগত আক্ৰান্ত লোকসকলকো শীঘ্ৰে ক'ভিডৰ বুষ্টাৰ প্ৰতিষেধক প্ৰদান কৰিবলৈ পৰামৰ্শ দিছে।

### ফ্ৰান্স-আমেৰিকাত আঠজনকৈ সংক্ৰমিতক চিনাক্ত, মালয়েছিয়াতো প্ৰথমজন আক্ৰান্ত পৰিল ধৰা

# ৩৩ খন দেশলৈ সংক্ৰমিত হ'ল অ'মিক্ৰন ঃ চিন্তিত বিশ্ব

**নিউজ ব্যুৰ' পেৰিছ, ৩ ডিচেম্বৰ ঃ** ফ্ৰান্সত ক'ভিডৰ নতুন প্ৰজাতি অ'মিক্ৰনত আক্ৰান্তৰ সংখ্যা আঠজনলৈ বৃদ্ধি পালে। ফ্ৰান্সৰ ৰাষ্ট্ৰীয় স্বাস্থ্য বিভাগে আজি এই কথা প্ৰকাশ কৰে। যোৱা মঙলবাৰে ফ্ৰান্সত অ'মিক্ৰনত আক্ৰান্ত প্ৰথমজন ৰোগীক চিনাক্ত কৰা হৈছিল। ৫০ বছৰীয়া বয়সৰ উক্ত আক্ৰান্ত লোকজনে নাইজেৰিয়া ভ্ৰমণ কৰি ফ্ৰান্সলৈ উভতি অহাৰ পাছতে তেওঁৰ শৰীৰত অ'মিক্ৰনৰ সংক্ৰমণ ধৰা পৰিছিল। যোৱা বুধবাৰে ফ্ৰান্স চৰকাৰৰ মুখপাত্ৰ গেব্ৰিয়েল অট্টলে প্ৰকাশ কৰি কৈছিল যে দেশখনত ১৩ জন সন্দেহজনক অ'মিক্ৰন আক্ৰান্তক সম্প্ৰতি নিৰীক্ষণত ৰখা হৈছে। যোৱা ২৪ নৱেম্বৰত দক্ষিণ আফ্ৰিকাত ক'ভিডৰ এই নতুন প্ৰজাতিৰ সংক্ৰমণ প্ৰথম ধৰা পৰাৰ পাছত শুকুৰবাৰলৈকে বিশ্বৰ ৩৩ খন দেশলৈ অ'মিক্ৰন সংক্ৰমিত হ'ল। কৰ'নাৰ এই প্ৰজাতিৰ সংক্ৰমণ এছিয়াৰ



দেশতো ইতিমধ্যে চিনাক্ত হৈছে। ভাৰতৰ পাছত মালয়েছিয়াত অ'মিক্ৰন আক্ৰান্ত প্ৰথমজন ৰোগী ধৰা পৰিল। মালয়েছিয়াৰ স্বাস্থ্যমন্ত্ৰী খেৰী জামালুদ্দিনে প্ৰকাশ কৰা অনুসৰি, দেশখনত এজন লোকৰ শৰীৰত অ'মিক্ৰনৰ সংক্ৰমণ নিশ্চিত কৰা হৈছে আৰু দক্ষিণ আফ্ৰিকাৰ এই ব্যক্তিজনে যোৱা ১৯ নৱেম্বৰত ছিংগাপুৰ হৈ মালয়েছিয়াত উপস্থিত হৈছিল। দক্ষিণ আফ্ৰিকাৰ পৰা ছিংগাপুৰলৈ উভতি অহা দুজন যাত্ৰীৰ শৰীৰতো এই ভাইৰাছৰ সংক্ৰমণ ধৰা পৰিছে। জোহান্সবাৰ্গৰ পৰা ছিংগাপুৰলৈ অহা এই দুই অ'মিক্ৰন আক্ৰান্তক সম্প্ৰতি নিভৃতবাসত নিৰীক্ষণত ৰখা হৈছে। ইফালে, আমেৰিকাত পুনৰ পাঁচজন লোকৰ শৰীৰত অ'মিক্ৰনৰ সংক্ৰমণ ধৰা পৰিল। নিউ য়ৰ্কত পাঁচজনকৈ লোক অ'মিক্ৰনত আক্ৰান্ত হোৱাৰ ফলত আমেৰিকাত ক'ভিডত এই নতুন প্ৰজাতিত আক্ৰান্ত লোকৰ সংখ্যা আঠজনলৈ বৃদ্ধি পালে। ইয়াৰ পূৰ্বে হাৱাইত এজন, মিনেছ'টাত এজন আৰু ক'লেৰেড'ত এজন লোকৰ শৰীৰত অ'মিক্ৰনৰ সংক্ৰমণ চিনাক্ত কৰা হৈছিল।



## এদিনত পুনৰ আক্ৰান্ত ৯,২১৬ জন, মৃত্যু ৩৯১ৰ

**নিউজ ব্যুৰ' নতুন দিল্লী, ৩ ডিচেম্বৰ ঃ** দেশৰ দৈনিক ক'ভিড সংক্ৰমণ ১০ হেজাৰৰ তলত আছে। যোৱা ২৪ ঘণ্টাত নতুনকৈ ক'ভিডত সংক্ৰমিত হ'ল ৯,২১৬ জন লোক। আক্ৰান্তসকলৰ ৭৫০০ জনেই হৈছে কেৰালাৰ বাসিন্দা। দেশৰ অন্যান্য ৰাজ্যসমূহত আক্ৰান্তৰ সংখ্যা এহেজাৰৰ তলত আছে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি বৰ্তমানলৈকে দেশত তিনি কোটি ৪৬ লাখ ১৫ হেজাৰ ৭৫৭ জন লোক কৰ'নাত আক্ৰান্ত হ'ল। বৃহস্পতিবাৰৰ তুলনাত শুকুৰবাৰে দেশত ক'ভিড ৰোগীৰ মৃত্যুৰ সংখ্যা ৩৯১ জনলৈ হ্ৰাস পালে। কেৱল কেৰালাতে বিগত এদিনত ৩২০ জন ক'ভিড ৰোগীৰ মৃত্যু হ'ল। বৰ্তমানে দেশত ৯৯,৯৭৬ জন সক্ৰিয় ক'ভিড ৰোগী আছে।



## নিউ য়ৰ্কৰ ৰাষ্ট্ৰসংঘৰ মুখ্য কাৰ্যালয়ত বন্দুকধাৰীৰ প্ৰৱেশ

**নিউজ ব্যুৰ' নিউ য়ৰ্ক, ৩ ডিচেম্বৰ ঃ** আমেৰিকাৰ নিউ য়ৰ্কত থকা ৰাষ্ট্ৰসংঘৰ মুখ্য কাৰ্যালয়ত এজন বন্দুকধাৰীৰ মুক্ত বিচৰণ ধৰা পৰিল। যুদ্ধকালীন তৎপৰতাৰে অঞ্চলটো লগে লগে আৰক্ষীয়ে ঘেৰি ধৰে। সূত্ৰৰ খবৰ অনুসৰি, এজন বন্দুকধাৰী লোকে ৰাষ্ট্ৰসংঘৰ মুখ্য কাৰ্যালয়ৰ আশে-পাশে সন্দেহজনকভাৱে বিচৰণ কৰিছিল আৰু লগে লগে নিৰাপত্তাৰক্ষীয়ে ব্যক্তিজনক চিহ্নিত কৰে। পাছত আৰক্ষীয়ে তেওঁক জিম্মাত লয়। প্ৰকাশিত বাতৰি অনুসৰি, উক্ত ব্যক্তিজনে আত্মহননৰ ভাবুকি দিছিল।

## কৃষকৰ কন্যাই ক'চিং অবিহনে ২৩ সংখ্যক স্থান লাভ কৰিলে আই এ এছ পৰীক্ষাত

**নিউজ ব্যুৰ', নতুন দিল্লী, ৩ ডিচেম্বৰ ঃ** দেশৰ সবাতোকৈ কঠিন নিযুক্তি পৰীক্ষা হিচাপে পৰিচিত কেন্দ্ৰীয় লোকসেৱা আয়োগ (ইউ পি এছ চি)ৰ দ্বাৰা আয়োজিত ভাৰতীয় প্ৰশাসনিক সেৱা (আই এ এছ)ৰ প্ৰস্তুতিৰ বাবে সাধাৰণতে সৰহসংখ্যক পৰীক্ষাৰ্থীয়ে ক'চিঙৰ সহায় লয়। কিন্তু ইয়াৰ পাছতো অতি নগণ্য সংখ্যকেহে আই এ এছ লাভ কৰিবলৈ সফল হয়। কিন্তু মধ্য প্ৰদেশৰ নৰসিংহপুৰ নিবাসী তপস্যা পৰিহাৰে ক'চিং অবিহনে আই এ এছ লাভ কৰি সকলোকে চমকিত কৰিলে। দ্বাদশ শ্ৰেণীলৈকে কেন্দ্ৰীয় বিদ্যালয়ত অধ্যয়ন কৰা তপস্যাই পুনেৰ ইণ্ডিয়ান ল ছ'চাইটি ল কলেজত আইনৰ পাঠ্যক্ৰম অধ্যয়ন কৰিছিল। আইনৰ ডিগ্ৰী গ্ৰহণৰ পাছতে তপস্যাই আই এ এছৰ বাবে প্ৰস্তুতি আৰম্ভ কৰিছিল আৰু তেওঁ ক'চিঙো লৈছিল। কিন্তু সেইবাৰ পৰীক্ষাত তপস্যাই সফলতা লাভ নকৰাত পৰৱৰ্তীবাৰ এই পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ সংকল্পবদ্ধ হোৱা তপস্যাই ক'চিঙৰ পৰিৱৰ্তে স্বপ্ৰস্তুতিত গুৰুত্ব দিয়ে। ২০১৭ৰ ইউ পি এছ চিৰ পৰীক্ষাত ক'চিং অবিহনে অৱতীৰ্ণ হৈ তপস্যাই ২৩ সংখ্যক স্থান লাভৰে আই এ এছ বিষয়া নিযুক্ত হৈছিল। উল্লেখ্য যে তপস্যাৰ পিতৃ এজন সাধাৰণ কৃষক। তপস্যাই কয় যে ক'চিঙৰ প্ৰয়োজনীয়তা নুই কৰিব নোৱাৰি যদিও ব্যক্তিগত অভিজ্ঞতাৰে তেওঁ এই মত পোষণ কৰে যে স্বঅধ্যয়নত প্ৰাৰ্থীয়ে সৰ্বাধিক গুৰুত্ব দিলে ইউ পি এছ চিৰ এই পৰীক্ষাত সফলতা লাভ কৰাটো সহজ হয়।



# বিৰোধীৰ ঘাত নিমখ ছটিয়াইছে বিজেপিৰ সাংসদে ঃ ক্ষুব্ধ থাৰুৰৰ অভিযোগ

**নিউজ ব্যুৰ' নতুন দিল্লী, ৩ ডিচেম্বৰ ঃ** কংগ্ৰেছে জ্যেষ্ঠ নেতা শশী থাৰুৰে ১২ জন বিৰোধী সাংসদৰ নিলম্বনৰ সন্দৰ্ভত বিজেপিক কঠোৰভাৱে সমালোচনা কৰি আজি কয় যে ক্ষমতাধিষ্ঠিত দলে বিৰোধী সাংসদৰ আঘাতত নিমখ ছটিয়াই আহিছে। ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত এই অভিযোগ উত্থাপন কৰি আজি থাৰুৰে কয়, 'বিজেপি সাংসদে সংসদলৈ আহি বিৰোধীৰ ঘাত নিমখ ছটিয়াই দিছে আৰু কোনো



কাৰণ নোহোৱাকৈ প্ৰৰোচিত কৰিছে। বিজেপিয়ে একতা প্ৰকাশৰ পৰিৱৰ্তে প্ৰৰোচকৰ ভূমিকা লৈছে। মোৰ সতীৰ্থসকলক এটা দলে অন্যায় পন্ধতি অৱলম্বন কৰি নিলম্বন কৰিলে।' উল্লেখ্য যে সংসদৰ অধিৱেশনত ৰাজ্যসভাত অশোভনীয় আচৰণ প্ৰদৰ্শনৰ অভিযোগত নিলম্বিত হোৱা বিৰোধীৰ ১২ জন সাংসদে সংসদ ভৱনৰ চৌহদত ধৰ্ণা দিয়াৰ সময়তে ইয়াৰ বিৰোধিতাৰে বিজেপিৰ ৰাজ্যসভাৰ সদস্যসকলে উক্ত স্থানতে প্ৰতিবাদ সাব্যস্ত কৰিছিল। বিজেপিৰ সাংসদ অৰুণ সিং, ছৈয়দ জাফৰ ইছলাম, ৰাকেশ সিনহাসহ আন কে'বাজনো নেতাই সংসদ ভৱনৰ চৌহদত থকা মহাত্মা গান্ধীৰ মূৰ্তিৰ সন্মুখত প্ৰতিবাদী কাৰ্যসূচীত অংশ লৈছিল। বিজেপিৰ এই প্ৰতিবাদী কাৰ্যসূচীৰ সন্দৰ্ভতে আজি তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কংগ্ৰেছ সাংসদ থাৰুৰে বিজেপিয়ে কটা ঘাত নিমখ ছটিয়াইছে বুলি অভিযোগ কৰে।

## এইবাৰ হাৰিয়ানাত কাৰ্যালয় খুলিব তৃণমূল কংগ্ৰেছে



**নিউজ ব্যুৰ', জলন্ধৰ, ৩ ডিচেম্বৰ ঃ** ২০২৪ৰ লোকসভাৰ নিৰ্বাচনক লক্ষ্য হিচাপে লৈ ৰাষ্ট্ৰীয় পৰ্যায়ত এটাৰ পাছত আন এটা শাখা স্থাপনৰে দলৰ ভেটি বিস্তাৰ কৰিব বিচাৰিছে তৃণমূল কংগ্ৰেছে। ত্ৰিপুৰা, গোৱাত দলৰ ভেটি সবলকৰণৰ প্ৰচেষ্টা চলোৱা তৃণমূল কংগ্ৰেছে এইবাৰ হাৰিয়ানাত নতুন কাৰ্যালয় স্থাপনৰ যো-জা চলাইছে। সাংসদ তথা হাৰিয়ানাৰ দায়িত্বপ্ৰাপ্ত নেতা সুখেন্দু শেখৰ ৰায়ে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি হাৰিয়ানাৰ ২২ খন জিলাৰ বৃহৎসংখ্যক লোকে তৃণমূল কংগ্ৰেছলৈ সমৰ্থন ব্যক্ত কৰিছে। ৰায়ে জনোৱা মতে, অহা আঠ ডিচেম্বৰত হাৰিয়ানাত তৃণমূল কংগ্ৰেছে কাৰ্যালয় মুকলি কৰিব। পৰৱৰ্তী পৰ্যায়ত অঞ্চল অনুসৰি দলটোৱে কাৰ্যালয় স্থাপন কৰিব।

# ২৪ ঘণ্টাত ১১,৫৩৫ জন আক্ৰান্ত ঃ অ'মিক্ৰনৰ ব্যাপক সংক্ৰমণত তলাবন্ধ দক্ষিণ আফ্ৰিকাত

**নিউজ ব্যুৰ', ডাৰবান, ৩ ডিচেম্বৰ ঃ** দক্ষিণ আফ্ৰিকাত অলপতে ধৰা পৰা কৰ'নাৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ ব্যাপক সংক্ৰমণে সমগ্ৰ বিশ্বকে আতংকিত কৰি তুলিছে। অতি কম সময়ৰ ভিতৰত বিশ্বৰ ৩০ খনৰো অধিক দেশলৈ বিয়পি পৰা ক'ভিডৰ এই ভাইৰাছ প্ৰায় অপ্ৰতিৰোধ্য হৈ উঠিছে। অ'মিক্ৰনৰ সংক্ৰমণৰ ঘটনা মাত্ৰ এদিনতে দুগুণলৈ বৃদ্ধি পালে দক্ষিণ আফ্ৰিকাত। ক'ভিডৰ এই দ্ৰুত সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি দক্ষিণ আফ্ৰিকাই ইতিমধ্যে প্ৰথম পৰ্যায়ৰ তলাবন্ধ ঘোষণা কৰিবলৈ বাধ্য হ'ল। দেশখনত সংক্ৰমণ নিয়ন্ত্ৰণ কৰিবলৈ সকলো বজাৰ অঞ্চল বন্ধ কৰা হৈছে আৰু দেশবাসীক ঘৰতে আবদ্ধ থাকিবলৈ নিৰ্দেশ দিয়া হৈছে। অ'মিক্ৰনৰ ত্ৰাসত এতিয়া



দক্ষিণ আফ্ৰিকাৰ প্ৰায়বোৰ অঞ্চলৰ বাটপথ জনশূন্য হৈছে। দেশখনৰ প্ৰথম পৰ্যায়ৰ তলাবন্ধ ইতিমধ্যে ঘোষণা কৰা হ'ল যদিও সংক্ৰমণ নিয়ন্ত্ৰিত নহ'লে অচিৰে পঞ্চম পৰ্যায়ৰ তলাবন্ধ ঘোষণা কৰা হ'ব পাৰে। পঞ্চম পৰ্যায়ৰ তলাবন্ধ সবাতোকৈ কঠোৰ হিচাপে পৰিচিত। উল্লেখ্য যে যোৱা ২৪ নৱেম্বৰত দক্ষিণ আফ্ৰিকাত কৰ'না ভাইৰাছৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ প্ৰথম সংক্ৰমণ চিনাক্ত কৰা হৈছিল। ইয়াৰ পাছতে দেশখনত এই নতুন ক'ভিড ভাইৰাছত আক্ৰান্ত লোকৰ সংখ্যা দ্ৰুতগতিত বৃদ্ধি পাইছে। যোৱা ২৪ ঘণ্টাত দক্ষিণ আফ্ৰিকাত ১১,৫৩৫ জন লোক ক'ভিডত সংক্ৰমিত হ'ল আৰু ৪৪ জন লোকৰ মৃত্যু হৈছে। কালি দেশখনত ৮৫৬১ জন লোক কৰ'নাত আক্ৰান্ত হৈছিল আৰু ২৮ জন ক'ভিড ৰোগীৰ মৃত্যু হৈছিল। দক্ষিণ আফ্ৰিকাত বৰ্তমানলৈকে ২৯ লাখ ৮৮ হেজাৰ ১৪৮ জন লোক কৰ'নাত আক্ৰান্ত হোৱাৰ বিপৰীতে ৮৯,৯১৫ জন ক'ভিড ৰোগীৰ মৃত্যু হৈছে।




## এবছৰত দুগুণ বৃদ্ধি মিঠাতেলৰ মূল্য


**নিউজ ব্যুৰ', নতুন দিল্লী, ৩ ডিচেম্বৰ ঃ** দেশৰ বজাৰত অন্যান্য খাদ্যতেলৰ লগতে মিঠাতেলৰ মূল্যবৃদ্ধি অব্যাহত আছে। বিগত এবছৰত ভাৰতৰ বজাৰত মিঠাতেলৰ মূল্য দুগুণৰো অধিক বৃদ্ধি পালে। প্ৰকাশিত বাতৰি অনুসৰি, যোৱা বছৰৰ তলাবন্ধৰ সময়ছোৱাত দেশৰ বজাৰত প্ৰতিলিটাৰ সৰিয়হৰ তেলৰ মূল্য ৯০-৯৫ টকাৰ ভিতৰত আছিল। বৰ্তমানে প্ৰতিলিটাৰ মিঠাতেলৰ মূল্য ১৭৪ টকাৰ পৰা ১৯০ টকাৰ ভিতৰত আছে। উল্লেখ্য যে ইয়াৰ পূৰ্বেও ২০১৯ৰ পৰা ২০২০ বৰ্ষৰ সময়ছোৱাত সৰিয়হ তেলৰ মূল্য প্ৰায় ৫০ শতাংশ বৃদ্ধি পাইছিল। প্ৰতিবেদনৰ তথ্য অনুসৰি দেশত চাহিদাৰ তুলনাত খাদ্যতেলৰ উৎপাদন যথেষ্ট হ্ৰাস পোৱাৰ ফলতে মিঠাতেলসহ অন্যান্য খাদ্যতেলৰ মূল্য যথেষ্ট বৃদ্ধি পাইছে।

## অ'মিক্ৰন প্ৰতিৰোধৰ বাবে নতুন টিকা প্ৰস্তুতৰ সিদ্ধান্ত ন'ভাভেক্সৰ

**নিউজ ব্যুৰ', নিউ য়ৰ্ক, ৩ ডিচেম্বৰ ঃ** কৰ'নাৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ সন্ত্ৰাসে বিশ্বক আতংকিত কৰি তোলাৰ সময়তে এইবিধ ক'ভিড প্ৰজাতিৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে নতুনকৈ প্ৰতিষেধক প্ৰস্তুতৰ সিদ্ধান্ত ল'লে ন'ভাভেক্সে। নতুন প্ৰজাতিৰ বিৰুদ্ধে বিশ্বৰ কোনটো প্ৰতিষেধক সবাতোকৈ অধিক কাৰ্যকৰী সেই বিষয়ত পৰীক্ষা-নিৰীক্ষা অব্যাহত আছে। এনে পৰিস্থিতিতে ন'ভাভেক্সে প্ৰকাশ কৰা অনুসৰি, অহা জানুৱাৰীৰ পৰা অ'মিক্ৰন প্ৰজাতিৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে নতুন ক'ভিড প্ৰতিষেধক তৈয়াৰ কৰা হ'ব। সংস্থাটোৱে প্ৰকাশ কৰা অনুসৰি ন'ভাভেক্সৰ প্ৰতিষেধক লোৱা ব্যক্তিৰ শৰীৰত সৃষ্টি হোৱা এণ্টিব'ডীক এই প্ৰজাতিয়ে নিষ্ক্ৰিয় কৰিব পাৰিছে নে নাই সেই বিষয়ত বিজ্ঞানীয়ে গৱেষণা অব্যাহত ৰাখিছে।




# প্ৰযুক্তি উদ্ভাৱনত আমি পিছুৱাই থকা নাই, ভাৰতে কৰিলে প্ৰমাণ ঃ প্ৰধানমন্ত্ৰী মোদী



**নিউজ ব্যুৰ' নতুন দিল্লী, ৩ ডিচেম্বৰ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কয় যে ভাৰতে বিশ্ব দৰবাৰত প্ৰমাণ কৰিলে যে প্ৰযুক্তি গ্ৰহণ বা উদ্ভাৱনৰ ক্ষেত্ৰত আমি আন কোনো দেশতকৈ পিছুৱাই থকা নাই। আজি ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে ইনফিনিটি ফ'ৰামৰ বৈঠক মুকলি কৰাৰ সময়ত এই মন্তব্য কৰিলে প্ৰধানমন্ত্ৰীয়ে। মোদীয়ে কয় যে ডিজিটেল ইণ্ডিয়াৰ অধীনত ৰূপান্তৰমূলক উদ্যোগসমূহ বাস্তৱত প্ৰয়োগ কৰাৰ বাবে উদ্ভাৱনী ফিনটেকে সমাধানৰ দুৱাৰ মুকলি কৰি দিছে। আজি মোদীয়ে কয়, 'যোৱা বছৰত ভাৰতত ম'বাইল পেমেণ্টৰ পৰিমাণ প্ৰথমবাৰৰ বাবে এ টি এমৰ পৰা নগদ ধন সংগ্ৰহ কৰা পৰিমাণতকৈ অধিক হৈছিল। সম্পূৰ্ণ ডিজিটেল বেংক কোনো শাখা কাৰ্যালয় অবিহনে ইতিমধ্যে বাস্তৱত পৰিণত হৈছে। এক দশকৰ কম সময়ৰ ভিতৰতে জনসাধাৰণেও এনে পৰিৱৰ্তনক স্বাভাৱিকভাৱে গ্ৰহণ কৰিছে। ই এনে এক বিপ্লৱ, যিয়ে দেশৰ প্ৰতিজন নাগৰিকক আৰ্থিক ক্ষমতা অৰ্জনত সহায় কৰিছে।'

## ক'ভিডৰ বুষ্টাৰ প্ৰতিষেধক ল'লে ব্ৰিটিছ প্ৰধানমন্ত্ৰীয়ে



**নিউজ ব্যুৰ', লণ্ডন, ৩ ডিচেম্বৰ ঃ** ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী বৰিছ জনছনে অ'মিক্ৰনৰ সংক্ৰমণৰ শংকাৰ মাজতে কৰ'নাৰ বুষ্টাৰ প্ৰতিষেধক গ্ৰহণ কৰিলে। টুইটাৰত ব্ৰিটিছ প্ৰধানমন্ত্ৰীয়ে নিজে এই কথা প্ৰকাশ কৰি দেশবাসীকো বুষ্টাৰ প্ৰতিষেধক ল'বলৈ আহ্বান জনায়। জনছনে টুইটত কয়, 'আপোনালোক সকলোৱে সময়ত নিজৰ বুষ্টাৰ প্ৰতিষেধক গ্ৰহণ কৰক। আমি ভাইৰাছক দ্বিতীয়টো সুযোগ দিয়া উচিত নহ'ব।' উল্লেখ্য যে ব্ৰিটেইনত ইতিমধ্যে ক'ভিডৰ বুষ্টাৰ প্ৰতিষেধক প্ৰদান আৰম্ভ হৈছে। যোৱা ২৪ ঘণ্টাত ব্ৰিটেইনত ৫৩,৯৪৬ জন লোক কৰ'নাত আক্ৰান্ত হ'ল। যোৱা ১৭ জুলাইৰ পাছত এয়ে প্ৰথমবাৰ ব্ৰিটেইনত সৰ্বাধিকসংখ্যক লোক কৰ'নাত আক্ৰান্ত হ'ল। ইফালে, দেশখনত যোৱা ২৪ ঘণ্টাত ১৪১ জন ক'ভিড ৰোগীয়ে প্ৰাণ হেৰুৱালে। ব্ৰিটেইনে ক'ভিডত আক্ৰান্ত হোৱাৰ পৰা নাগৰিকক সুৰক্ষিত ৰাখিবলৈ ১.১৪ কোটি অতিৰিক্ত টিকাৰ পালি ইতিমধ্যে ক্ৰয় কৰিছে।

## ১১ বাৰ ছুৰিকাঘাত কৰি কেৰালাত হত্যা চি পি আই এম নেতাক



**নিউজ ব্যুৰ', তিৰুভাল্লা, ৩ ডিচেম্বৰ ঃ** কেৰালাত তিৰুভাল্লাত চি পি আই (এম)ৰ এজন নেতাক ছুৰীৰে আঘাত হানি হত্যা কৰা হ'ল। যোৱা নিশা আঠ বজাত এই ঘটনা সংঘটিত হৈছিল। আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি, নিহত ব্যক্তিজনৰ নামৰ সন্দীপ কুমাৰ আৰু তেওঁ পেৰিংগাৰা গাঁৱৰ চি পি আই (এম)ৰ স্থানীয় সম্পাদক আছিল। ছুৰী আক্ৰমণৰ ঘটনাৰ স'তে আৰ এছ এছৰ সদস্য জড়িত থকাৰ অভিযোগ উত্থাপিত হৈছে। আক্ৰমণকাৰীয়ে ১১ বাৰকৈ ছুৰীৰে আঘাত হানি সন্দীপক হত্যা কৰিছিল। চিকিৎসালয়লৈ নিয়াৰ পথতে বামপন্থী নেতাজনৰ মৃত্যুও হৈছিল। এখন সুৰাৰ বিপণীত এজন সুৰাপায়ী আৰু দোকানৰ মালিকৰ মাজত সৃষ্টি হোৱা কাজিয়া ভাঙি মটৰ চাইকেলেৰে যাত্ৰা কৰাৰ সময়তে দুৰ্বৃত্তই সন্দীপক আগভেটি ধৰি একাধিকবাৰ চোকা অস্ত্ৰৰে আঘাত কৰিছিল।

## ভাৰত মহাসাগৰত বিচৰণ চীনা নৌকাৰ, কঠোৰ দৃষ্টি ভাৰতীয় সেনাৰ

**নিউজ ব্যুৰ', নতুন দিল্লী, ৩ ডিচেম্বৰ ঃ** মাৰ্কিন আধিপত্যক প্ৰত্যাহ্বান জনাইছে আগ্ৰাসী চীনে। দ্বিতীয় বিশ্বযুদ্ধৰ পাছত নতুন মহাশক্তি হিচাপে আত্মপ্ৰকাশ কৰা কমিউনিষ্ট দেশখনে এইবাৰ ভাৰতৰ উদ্বেগ বৃদ্ধি কৰি ভাৰত মহাসাগৰত আধিপত্য স্থাপনৰ অপচেষ্টা চলাইছে। ভাৰত মহাসাগৰত চীনৰ নৌকাৰ গতিবিধি বৃদ্ধি পাইছে বুলি জানিবলৈ দিলে নৌসেনাৰ প্ৰধান আৰ হৰিকুমাৰে। এখন সংবাদমেলত নৌসেনাৰ মুৰব্বী হৰিকুমাৰে কয়, '২০০৮ বৰ্ষৰ পৰাই ভাৰত মহাসাগৰত চীনা নৌবাহিনী মজুত আছে। সম্প্ৰতি এই অঞ্চলত চীনৰ আঠৰ পৰা ১০ খন ৰণতৰী আছে। চীনা নৌবাহিনীৰ গতিবিধিৰ ওপৰত আমাৰ বিমান আৰু ৰণতৰীয়ে কঠোৰ দৃষ্টি ৰাখিছে।'



■ শিৱসাগৰত নোলোৱাসকলে সৃষ্টি কৰিছে মূৰৰ কামোৰণি

# ক'ভিড প্ৰতিষেধক প্ৰদানক লৈ বিপাঙত প্ৰশাসন

**বিশেষ সংবাদদাতা**
**শিৱসাগৰ, ৩ ডিচেম্বৰ ঃ** কোভিড-19 টিকাকৰণৰ দ্বিতীয় পৰ্যায়ৰ 'হৰ ঘৰ দস্তক' অভিযান শিৱসাগৰ জিলাত পূৰ্ণোদ্যমে চলিছে। জিলাখনত 2366 গৰাকীয়ে বৰ্তমানলৈকে প্ৰতিষেধক লোৱা নাই। স্বাস্থ্য বিভাগৰ কৰ্মচাৰীসকলে এই সকলক বাৰম্বাৰ অনুৰোধ জনোৱাৰ পাছতো বিভিন্ন অজুহাত দেখুৱাই এই ব্যক্তিসকলে ভেকচিন লোৱাৰ পৰা বিৰত আছে। 'হৰ ঘৰ দস্তক' অভিযানত জিলা উপায়ুক্ত, আৰক্ষী অধীক্ষক, অতিৰিক্ত উপায়ুক্ত, শিৱসাগৰ জিলা স্বাস্থ্য বিভাগৰ লগতে আৰক্ষীৰ সহযোগত এই ব্যক্তিসকলক চিনাক্ত কৰি ঘৰে ঘৰে ভেকচিন প্ৰদান কৰিছে। জিলাখনৰ ডিমৌ অঞ্চলৰ অতি ভিতৰুৱা পশ্চিম বস্তি গাৰো গাঁৱৰ বিভিন্ন ব্যক্তিৰ ঘৰত সোমাই জিলা উপায়ুক্তৰ উপস্থিতিত স্বাস্থ্য কৰ্মীসকলে প্ৰতিষেধক প্ৰদান কৰে। ডিমৌ স্বাস্থ্যখণ্ডৰ অধীনত থকা মুঠ 242 খনৰ 240 খনৰ ব্যক্তিয়ে 100 শতাংশ প্ৰতিষেধক গ্ৰহণ কৰে। ইয়াৰ বিপৰীতে দুখন গাঁৱৰ 100 শতাংশ সম্পূৰ্ণ হোৱা নাই বুলি জিলা স্বাস্থ্য বিভাগৰ এক সূত্ৰে প্ৰকাশ। এই অভিযানত পৰ্যবেক্ষকৰূপে এছ আৰ বৰ্ধনৰ উপস্থিতিত বহু লোকক ক'ভিডৰ প্ৰথম পালি প্ৰতিষেধক প্ৰদান কৰা হয়। তদুপৰি শিৱসাগৰ নগৰৰ 14 টা ৱাৰ্ড, দিচাংমুখ, দিখৌমুখৰ লগতে খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰসমূহৰ অধীনৰ গাওঁ সমূহতো এই 'হৰ ঘৰ দস্তক' অভিযান চলি আছে।



ছয়গাঁৱত কামৰূপ জিলা পৰিষদৰ কাৰ্যনিৰ্বাহক সভা

## অগপৰ পুৰণি ঐক্য পুনৰ সুদৃঢ় কৰাৰ বাবে নেতা-কৰ্মীসকলক আহ্বান

**ছয়গাঁও, ৩ ডিচেম্বৰ ঃ** অগপৰ কামৰূপ জিলা পৰিষদৰ কাৰ্যনিৰ্বাহক সভা এখন আজি ছয়গাঁও বিধান পৰিষদৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত হয়। অগপৰ কামৰূপ জিলা পৰিষদখনৰ সভাপতি খগেন নাথৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত অগপৰ কেন্দ্ৰীয় নেতা তথা খাদী আৰু গ্ৰামোদ্যোগ বিভাগৰ অধ্যক্ষ ডাঃ কমলাকান্ত কলিতাই জিলা পৰিষদখনৰ অন্তৰ্গত অন্যান্য সমষ্টি বিধান পৰিষদতো সভা পাতি সভাসমূহত প্ৰতিটো সমষ্টিৰ নেতা-কৰ্মীক উপস্থিত কৰোৱাৰ ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে আহ্বান জনায়। তেওঁ জিলা পৰিষদখনৰ সকলো নেতা-কৰ্মীকে একত্ৰিতভাৱে কাম কৰাৰ বাবেও অনুৰোধ জনায়। ডাঃ কলিতাই আগন্তুক পৌৰসভা নিৰ্বাচনত অগপই স্বতন্ত্ৰভাৱে অৱতীৰ্ণ হোৱাৰ পক্ষপাতিত্ব কৰে যদিও তেওঁ সেয়া পৰৱৰ্তী সময়ত পৰিস্থিতি সাপেক্ষে বিবেচনা কৰা হ'ব বুলিও মন্তব্য কৰে। আনহাতে, জ্যেষ্ঠ অগপ নেতা নুৰুল হুছেইনে দলৰ পুৰণি ঐক্য পুনৰ সুদৃঢ় কৰাৰ বাবে দলীয় নেতা-কৰ্মীসকলক আহ্বান জনায়। সভাত অসম চৰকাৰৰ পশুধন আৰু হাঁহ-কুকুৰা নিগমৰ অধ্যক্ষ মনোজ শইকীয়া, জ্যেষ্ঠ অগপ নেতা ক্ৰমে সত্যব্ৰত কলিতা, প্ৰাক্তন বিধায়ক জ্যোতিপ্ৰসাদ দাসকে ধৰি বহুসংখ্যক দলীয় নেতা-কৰ্মী উপস্থিত থাকে।

## টীয়কত সুশান্ত বৰাৰ কাব্যগ্ৰন্থ 'পানীজুনুকা' উন্মোচন

**অগ্ৰদূত বাৰ্তা**
**জাঁজী, ৩ ডিচেম্বৰ ঃ** কবি সুশান্ত বৰাৰ 'পানীজুনুকা' নামৰ কাব্য পুথিখন আজি উন্মোচন কৰা হয়। ড° অনিল শইকীয়াৰ সঞ্চালনাত অনুষ্ঠিত সভাত গ্ৰন্থখন উন্মোচন কৰে কবি, সমালোচক ৰাজীৱ বৰাই। গ্ৰন্থ উন্মোচন কৰি বৰাই কয় যে কবিসকল কেৱল প্ৰকৃতি আৰু প্ৰেমৰ মাজতেই আৱদ্ধ থাকি কাব্য চৰ্চা কৰিলে নহ'ব, সাম্প্ৰতিক পৰিস্থিতিৰ ক্ষেত্ৰতো সদা সচেতন হৈ জনতাৰ কথা ক'ব পাৰিব লাগিব। যুগজয়ী কবিতা সৃষ্টিৰ ক্ষেত্ৰত সম্পাদক বিমান শইকীয়াই আঁত ধৰা এই উন্মোচনী সভাখন প্ৰাক্তন অধ্যক্ষ ড° অকণ চন্দ্ৰ শইকীয়াই বন্তি প্ৰজ্বলন আৰু অশোক বৰাই মংগলাচৰণ কৰি আৰম্ভ কৰাৰ লগতে যোৰহাটত অত্যাচাৰৰ বলি হৈ প্ৰাণত্যাগ কৰা ছাত্ৰ নেতা অনিমেষ ভূঞাৰ প্ৰতি শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে। উক্ত সভাত অজন্ত কুমাৰ বৰা, জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ প্ৰবক্তা প্ৰাঞ্জল প্ৰতিম বৰা, ড° মণ্টু কুমাৰ বৰা, তীৰ্থনাথ দত্ত, টীয়ক জ্যোতি বিদ্যাপীঠৰ অধ্যক্ষ প্ৰশান্ত কুমাৰ দাস, কাকজান মহাবিদ্যালয়ৰ অধ্যাপক তুফেল জিলানী, টীয়ক উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰ অধ্যক্ষ ৰাজু শইকীয়া, ভৈৰৱানন বৰা আদি বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। আবৃত্তিকাৰ শান্তিছাঁয়া শইকীয়া, ড° কুমুদ ঘোষ, হৃদয়জিতা বৰা, ঋষিকন্যা ভূঞা দাসৰ লগতে বহুকেইগৰাকী কবিয়ে কবিতা আবৃত্তি কৰি পৰিৱেশ জীপাল কৰি তোলাৰ লগতে কবি সুশান্ত বৰাৰ কথাৰে বিৰিঞ্চি কুমাৰ চুতীয়াই এটি গীত পৰিৱেশন কৰে।

## বৰপেটাত ১১ ডিচেম্বৰত হ'ব ৰাষ্ট্ৰীয় লোক আদালত

**বিশেষ সংবাদদাতা**
**বৰপেটা, ৩ ডিচেম্বৰ ঃ** ৰাজ্যৰ অন্যান্য অংশৰ লগতে বৰপেটা জিলাতো অহা ১১ ডিচেম্বৰত ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হ'ব। দীৰ্ঘদিন ধৰি নিষ্পত্তি নোহোৱাকৈ থকা গোচৰসমূহ বুজাবুজিৰ মাধ্যমেৰে নিষ্পত্তি কৰাৰ বাবে লোৱা পদক্ষেপৰ অংশ হিচাপে বৰপেটা জিলাৰ জিলা সত্ৰ ন্যায়ালয়, পাৰিবাৰিক আদালত, মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালত, মটৰ দুৰ্ঘটনা দাবী নিষ্পত্তিকৰণ ন্যায়াধিকৰণ আদি সকলো আদালত চৌহদতে এই লোকআদালত অনুষ্ঠিত হ'ব। ইয়াত বিএছএনএল, এপিডিচিএল আৰু বেংকসমূহৰ অনাদায় ঋণ আৰু বিল সম্পৰ্কীয় ওজৰ-আপত্তিসমূহো নিষ্পত্তিৰ প্ৰচেষ্টা চলোৱা হ'ব বুলি জানিব পৰা গৈছে। এই ক্ষেত্ৰত সম্পূৰ্ণ ক'ভিড বিধি মানি চলিব লাগিব।

## ড° ভুৱন চুতীয়াক ২০২১ৰ শ্ৰেষ্ঠ ৰেড ৰিবন ক্লাব সমন্বয়ক বঁটা

**বিশেষ সংবাদদাতা**
**নগাঁও, ৩ ডিচেম্বৰ ঃ** অসম ৰাজ্যিক এইডছ নিয়ন্ত্ৰণ সমিতিয়ে ২০২১ৰ শ্ৰেষ্ঠ ৰাজ্যিক ৰেড ৰিবন ক্লাব সমন্বয়ক বঁটাৰে নগাঁও মহাবিদ্যালয় (অট'নমাছ)ৰ প্ৰাণী বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড° ভুবন চন্দ্ৰ চুতীয়াক সন্মানিত কৰে। যোৱা পহিলা ডিচেম্বৰত গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰীমাধৱ দেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত অনুষ্ঠিত এই বঁটা প্ৰদান অনুষ্ঠানত ড° ভুবন চন্দ্ৰ চুতীয়াৰ হৈ নগাঁও মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক মানস জ্যোতি নিৰ্মলীয়াই অসম চৰকাৰৰ স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তৰ উপস্থিতিত অভিনেত্ৰী আইমী বৰুৱাৰ পৰা বঁটা গ্ৰহণ কৰে। উক্ত দিনা ৰাষ্ট্ৰীয় এইডছ নিয়ন্ত্ৰণ সংস্থাই, কেন্দ্ৰীয় ৰাজ্যিক স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰীৰ উপস্থিতিত এইডছ সজাগতা, ৰক্তদান আৰু টি বিৰ সজাগতা ক্ষেত্ৰত আগবঢ়োৱা অসামান্য বৰঙণিৰ বাবে ড° ভুবন চন্দ্ৰ চুতীয়াক 'বিশ্ব এইডছ দিৱস'ৰ দিনা নতুন দিল্লীস্থিত আম্বেদকাৰ ভৱনত স্বীকৃতিপত্ৰৰ লগতে বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰে।

## বাতৰি কাকত বিতৰক-সমাজসেৱকক সম্বৰ্ধনা



**ডুমডুমা, ৩ ডিচেম্বৰ ঃ** সমাজসেৱক-তথা বাতৰি কাকত বিতৰক বিধান দাসক কালি এক অনুষ্ঠানত সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সমাজসেৱক আৰু বাতৰি কাকত বিতৰক হিচাপে সমাজলৈ আগবঢ়োৱা অৱদানৰ বাবে নিউজ ৰেব পটেল 'অসম ফাষ্টে' সম্বৰ্ধনা জ্ঞাপন কৰে।

## অৱসৰপ্ৰাপ্ত উপ-আৰক্ষী অধীক্ষক থানুৰাম শইকীয়াৰ স্মৃতিচাৰণ সভা সম্পন্ন

**অগ্ৰদূত বাৰ্তা**
**গৌৰীসাগৰ, ৩ ডিচেম্বৰ ঃ** গৌৰীসাগৰ নিবাসী, প্ৰাক্তন শিক্ষক, তথা অৱসৰপ্ৰাপ্ত উপ-আৰক্ষী অধীক্ষক থানুৰাম শইকীয়াৰ আদ্যশ্ৰাদ্ধ উপলক্ষে আজি পুৱা এক স্মৃতিচাৰণ অনুষ্ঠান সম্পন্ন হয়। প্ৰয়াত শইকীয়াৰ প্ৰতিকৃতিত এগচি বন্তি প্ৰজ্বলন কৰে গৌৰীসাগৰ উচ্চতৰ মাধ্যমিক ইণ্ডাষ্ট্ৰিয়েল ইনষ্টিটিউটৰ অৱসৰপ্ৰাপ্ত শিক্ষক ভোলা বৰুৱাই। উক্ত অনুষ্ঠানটোৰ আঁত ধৰে সাহিত্যিক জীৱন কৃষ্ণ গোস্বামীয়ে। স্মৃতিচাৰণ অনুষ্ঠানত প্ৰয়াত ঠানুৰাম শইকীয়াৰ ভতিজা তথা টীয়ক চি কে বি কলেজৰ সহযোগী অধ্যাপক ৰবীন শইকীয়াই ঠানুৰাম শইকীয়াৰ জীৱন আৰু কৰ্মৰ বিষয়ে বক্তব্য আগবঢ়ায়। উক্ত অনুষ্ঠানটোত জাঁজী হেম নাথ শৰ্মা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ বীৰেশ্বৰ নেওগ, গৌৰীসাগৰ উচ্চতৰ মাধ্যমিক ইণ্ডাষ্ট্ৰিয়েল ইনষ্টিটিউটৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ বিনোদ বড়া, গৌৰীসাগৰ প্ৰেছ ক্লাবৰ সম্পাদক ৰাজীৱ দত্ত, ডিমৌ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিদ্যালয়ৰ বিষয় শিক্ষক যুগল শইকীয়া, আপকু শিৱসাগৰ জিলা সমিতিৰ সভাপতি পদুম কুমাৰ শইকীয়া, সমাজকৰ্মী তথা অৱসৰপ্ৰাপ্ত আৰক্ষী বিষয়াজনৰ সান্নিধ্যৰ বিষয়ে চমু আলোকপাত কৰে। উল্লেখ্য যে ১৯৩২ত কোঁৱৰপুৰ ফাকুম নকটানি গাঁৱত জন্মগ্ৰহণ কৰা শইকীয়াই ফাকুম নকটানি মধ্য অসমীয়া বিদ্যালয় স্থাপন কৰি নিজেই বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ দায়িত্ব লৈ অঞ্চলটোত প্ৰাথমিক শিক্ষাৰ প্ৰচাৰ প্ৰসাৰৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। গৌৰীসাগৰ উচ্চতৰ মাধ্যমিক ইণ্ডাষ্ট্ৰিয়েল ইনষ্টিটিউটৰ প্ৰথমবৰ্ষৰ মেট্ৰিক উত্তীৰ্ণ শইকীয়া ইয়াৰ পৰৱৰ্তী সময়ত অসম আৰক্ষী বিভাগত যোগদান কৰি ১৯৮৯ত অৱসৰ গ্ৰহণ কৰে। চাকৰি কৰি থকা অৱস্থাতে গৌৰীসাগৰত নিগাজীকৈ থাকি গৌৰীসাগৰৰ সমাজ জীৱনৰ স'তেও জড়িত আছিল।

## কৰুণাধাৰাই আঁতৰাব প্ৰতিবন্ধকতা ঃ দেৱচৌধুৰী



**বিশেষ সংবাদদাতা**
**পাঠশালা, ৩ ডিচেম্বৰ ঃ** 'অসমৰ সমাজ জীৱনত কৰুণাধাৰাৰ অৱদান অনস্বীকাৰ্য। দৰিদ্ৰা, নিঃস্ব, দিব্যাংগ আদি আৰ্থিকভাৱে শোচনীয় লোকৰ সামূহিক কল্যাণৰ হকে জন্মলগ্নৰে পৰা কৰুণাধাৰাই সমৰ্পিত আবেদনেৰে পদক্ষেপ গ্ৰহণ কৰি আহিছে। এনে প্ৰেক্ষাপটতে ক'ব পাৰি কৰুণাধাৰাই সমাজৰ পৰা প্ৰতিবন্ধকতা আঁতৰাব।' এই মন্তব্য বজালীৰ উপায়ুক্ত ভাৰত ভূষণ দেৱচৌধুৰীৰ। পাঠশালাৰ ভট্টদেৱ বিশ্ববিদ্যালয়ৰ ডিজিটেল প্ৰেক্ষাগৃহত আজি কৰুণাধাৰাৰ কেন্দ্ৰীয় সমিতিয়ে আয়োজন কৰা আৰু ড° হিতেশ তালুকদাৰৰ সভাপতিত্বত অনুষ্ঠিত এক গুৰুত্বপূৰ্ণ সভাত উপায়ুক্ত দেৱচৌধুৰীয়ে কয় যে সামূহিক প্ৰচেষ্টাৰে কৰুণাধাৰাক আৰু শক্তিশালী কৰিব লাগিব। উক্ত অনুষ্ঠানত কেন্দ্ৰীয় সমিতিৰ হৈ অৱসৰী ডিআইজি প্ৰতুল ফুকন, নৰেশ্বৰ শৰ্মা, নৱজ্যোতি ভূঞাকে ধৰি ভালেকেইজন বিশিষ্ট লোকে অংশগ্ৰহণ কৰাৰ উপৰি ভট্টদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য বিৰিঞ্চি কাৰ দাসো উপস্থিত থাকে। উক্ত অনুষ্ঠানত ছগৰাকী ব্যক্তিক কৰুণাধাৰাৰ পৰা নহেজাৰকৈ টকা অৰ্থ সাহায্য আগবঢ়োৱা হয়। উল্লেখ্য যে বজালী শাখাৰ সম্পাদক নয়নেন্দ্ৰ দেৱচৌধুৰীয়ে ব্যাখ্যা কৰা এই সভাত ভালে সংখ্যক লোক উপস্থিত থাকে।


ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ত তিনিদিনীয়া আন্তঃৰাষ্ট্ৰীয় আলোচনাচক্ৰৰ সামৰণি

## নামমাত্ৰ আয়োজন নকৰি আলোচনাচক্ৰ বাস্তৱমুখী কৰিবলৈ আহ্বান গৱেষকৰ

**বিশেষ সংবাদদাতা**
**নগাঁও, ৩ ডিচেম্বৰ ঃ** হোজাইস্থিত ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ শিক্ষা বিভাগৰ উদ্যোগত আৰু লংকা কৃষ্ণ বৰা বি এড কলেজ, কাৰ্বি আংলং জিলাৰ ডকমকাস্থিত টি এন কলেজৰ সহযোগত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ তিনিদিনীয়া আলোচনাচক্ৰৰ কালি সামৰণি পৰে। ইউৰোপ, আমেৰিকা আৰু এছিয়া মহাদেশৰ ২০ গৰাকী বৰেণ্য অধ্যাপক-গৱেষকে সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰে আলোচনাচক্ৰত। দেশ-বিদেশৰ কে'বাখনো বিশ্ববিদ্যালয়ৰ শিক্ষক-গৱেষকে তেওঁলোকৰ ১৭৫খন গৱেষণালব্ধ লেখা আৰু সাৰাংশ জমা দিছিল যদিও উচ্চস্তৰীয় অধ্যাপকৰে গঠিত আন্তঃৰাষ্ট্ৰীয় স্তৰৰ পৰ্যালোচনা কমিটীৰ পুনৰীক্ষণ আৰু অনুমোদন সাপেক্ষে ইয়াৰে ১৬৫ খন সাৰাংশ কাকত গ্ৰন্থ আকাৰে ছপা কৰা হয়। তদুপৰি উক্ত কমিটীৰ অশেষ কষ্ট আৰু প্ৰচেষ্টাৰ ফলত ইয়াৰে নিৰ্বাচিত কিছুমান গৱেষণা পত্ৰ পুস্তিকা আকাৰে ছপা কৰাৰ প্ৰচেষ্টা অব্যাহত আছে। আন্তঃৰাষ্ট্ৰীয় আলোচনাচক্ৰত ইংৰাজী মাধ্যমত ১৩০ খন, অসমীয়া, বাঙালী, হিন্দী আৰু বড়ো মাধ্যমত ৪৫খন কাকত নিৰ্ধাৰিত সময়সমূহত পৰিৱেশন কৰে। এই আলোচনাচক্ৰত দেশ-বিদেশৰ নিৰ্ধাৰিত সমল ব্যক্তিসকলৰ উপৰি হায়দৰাবাদ, কেৰালা, পণ্ডিচেৰী, বৰোদা, ত্ৰিচুৰ, কন্নৰ, পুনে, মাধুৰাই, বানাৰস, গুৱাহাটী, কাশ্মীৰ, গান্ধীগ্ৰাম, এলাহাবাদ, মাদ্ৰাছ আৰু অন্যান্য বিশ্ববিদ্যালয়ৰ গৱেষক-অধ্যাপকে অংশগ্ৰহণ কৰে। ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ে আয়োজন কৰা আলোচনা সত্ৰখন উদ্বোধন কৰে অসম চৰকাৰৰ উচ্চ শিক্ষা বিভাগৰ উপদেষ্টা অধ্যাপক ননীগোপাল মহন্তই। তেওঁ এই আন্তঃৰাষ্ট্ৰীয় আলোচনাচক্ৰৰ ভূয়সী প্ৰশংসা কৰে আৰু সকলো বিশ্ববিদ্যালয়, মহাবিদ্যালয়সমূহক এনে শৈক্ষিক কাৰ্যাৱলীসমূহ নামমাত্ৰ আয়োজন নকৰি বাস্তৱমুখী কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ড° অমলেন্দু চক্ৰৱৰ্তী, পঞ্জীয়ক অধ্যাপক লক্ষ্মণ পাটগিৰি, আলোচনাচক্ৰৰ মুখ্য আহ্বায়ক ড° নজৰুল ইছলাম বৰভূঞা, পৃষ্ঠপোষক ড° ধনঞ্জয় নাৰ্জাৰী, মোস্তাফিজুৰ ৰহমান, আহ্বায়ক ড° এ কে চৌধুৰীৰ লগতে আৰু অন্যান্য বিশিষ্ট অতিথিসকলে বিভিন্ন বিষয়ত আলোকপাত কৰে। সামৰণি অনুষ্ঠানত বিভিন্ন জাতি-জনগোষ্ঠীৰ সাংস্কৃতিক কাৰ্যসূচীৰ লগতে দুজন শ্ৰেষ্ঠ পৰিৱেশনকাৰীক নগদ ধন আৰু মানপত্ৰৰ দ্বাৰা সন্মানিত কৰা হয় বুলি ড° হৰিপ্ৰসাদ গোৱেংকাই এক বিবৃতিত প্ৰকাশ কৰে।

## লংকা চাৰি নং ৱাৰ্ডত নিশা চোৰৰ চাফাই অভিযান

**অগ্ৰদূত বাৰ্তা**
**লংকা, ৩ ডিচেম্বৰ ঃ** লংকাৰ যোগীজান প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসক ৰমেন চন্দ্ৰ বৰদলৈৰ বাসগৃহত চোৰে চাফাই অভিযান চলায়। কালি সন্ধিয়া সাত বজাতে চোৰে তলা ভাঙি ঘৰৰ প্ৰৱেশ কৰি সা-সম্পত্তি কৰি নিয়ে। চিকিৎসালয়ত নিজৰ কৰ্তব্য সম্পাদন কৰি নিজ গৃহত উপস্থিত হৈ ঘৰৰ দুৰৱস্থা দেখি মূৰে কপালে হাত দিছে চিকিৎসকজনে। চোৰে লুটি নিয়ে প্ৰায় দুই লক্ষাধিক টকাৰ সোণৰ গহনাৰ লগতে নগদ ২০ হেজাৰ টকাৰ আৰু বহু মূল্যৱান নথিপত্ৰ। লগতে চোৰে সম্পূৰ্ণৰূপে ভাঙি লণ্ড-ভণ্ড কৰিলে ঘৰৰ আচবাব। লংকা আৰক্ষী থানাত এজাহাৰ দাখিল কৰাৰ লগতে আৰক্ষীৰ তদন্ত অব্যাহত আছে।




## আজাৰাত স্বচ্ছ ভাৰতৰ বিপৰীত ছবি



## বাটে-পথে জাবৰৰ দ'ম

**অগ্ৰদূত বাৰ্তা**
**আজাৰা, ৩ ডিচেম্বৰ ঃ** আজাৰা ৰাজহ চক্ৰ অঞ্চলৰ বিভিন্ন পথৰ দাঁতিয়ে দাঁতিয়ে জাবৰ-জোঁথৰৰ দ'মে অঞ্চলটোকে কদৰ্যময় কৰিছে। পথবোৰৰ দাঁতিৰ এনে দুৰৱস্থাই সমগ্ৰ অঞ্চলটোত স্বচ্ছ ভাৰতৰ এখন বিপৰীত ছবিহে ফুটি উঠিছে।

অঞ্চলটোৰ মাজেৰে যোৱা ৩৭ নম্বৰ ঘাইপথৰ দাঁতিয়ে দাঁতিয়ে থকা দ' ঠাইবোৰত একশ্ৰেণী অসচেতন লোকে ঘৰৰ অলাগতিয়াল জাবৰ-জোঁথৰ, পেলনীয়া সামগ্ৰীসমূহ নিতৌ পেলাই থৈ যায়। আকৌ আজাৰাৰ মাজেৰে যোৱা মৃত কালমণি নৈখনকো এক শ্ৰেণী লোকে ডাষ্টবিনৰূপে ব্যৱহাৰ কৰি আহিছে। ফলত আজাৰাৰ গধূলি বজাৰ অঞ্চলৰ মাজত থকা মৃত কালমণি নৈখনত জমা হোৱা জাবৰ-জোঁথৰে এক দুৰ্গন্ধময় পৰিৱেশৰ সৃষ্টি কৰিছে। অকল সেয়াই নহয় শেহতীয়াকৈ আজি কিছু বছৰৰ পৰা আজাৰা-বৰবৰী পথৰ দাঁতিত আনকি আজাৰাৰ উচ্চ শিক্ষানুষ্ঠান হৰি গায়ত্ৰী দাস মহাবিদ্যালয়ৰ চৌহদতো এক শ্ৰেণী লোকে জাবৰ-জোঁথৰ পেলোৱাৰ লগতে মৃত জীৱ-জন্তুও পেলাবলৈ ধৰিছে। ইয়াৰ ফলত সমগ্ৰ অঞ্চলটোৰ পৰিৱেশ ক্ৰমান্বয়ে দূষিত হ'বলৈ ধৰিছে।

উল্লেখ্য যে আজাৰা অঞ্চলত ক্ৰমান্বয়ে ভাৰাতীয়া লোকৰ সংখ্যা যথেষ্ট বৃদ্ধি পাবলৈ ধৰাৰ লগে লগে একাংশ লোকে ভাড়া ঘৰৰ ব্যৱসায় বৃদ্ধি কৰিছে। ইয়াৰ বিপৰীতে তেনে ভাড়া ঘৰৰ আৱৰ্জনা পেলোৱাৰ কোনো ব্যৱস্থা নাই। ফলত তেনেবোৰ পৰিয়ালৰ লগতে আন এচাম লোকে বাটে-পথে যেনিয়ে-তেনিয়ে জাবৰ-জোঁথৰ পেলাবলৈ ধৰিছে। এই ক্ষেত্ৰত সচেতন ৰাইজে অঞ্চলটোৰ গাঁও পঞ্চায়তকেইখনক বিহিত ব্যৱস্থা ল'বলৈ দাবী জনাইছে।





# শতকেৰে ভাৰতৰ মান ৰাখিলে মায়ংকে

## এজাজৰ স্পীনৰ ঘূৰ্ণিত উৰি গ'ল ভাৰতৰ মধ্যক্ৰম ঃ পাঁচ বছৰৰ পাছত দলত জয়ন্ত

**নিউজ ব্যুৰ'**
**মুম্বাই, ৩ ডিচেম্বৰ ঃ** মায়ংক আগৰৱালৰ অপৰাজিত শতৰাণৰ সহায়েৰে নিউজিলেণ্ডৰ বিপক্ষে দ্বিতীয় টেষ্টত বৃহৎ ৰাণৰ সম্ভাৱনা সজীৱ কৰি ৰাখিলে ভাৰতে। কিৱি স্পীনাৰ এজাজ পেটেলৰ ঘূৰ্ণিত ভাৰতীয় মধ্যক্ৰম খহি পৰিলেও মায়ংকে উইকেটৰ এটা দিশ সুৰক্ষিত কৰি ৰাখিবলৈ সক্ষম হয়। দিনান্তলৈ ভাৰতে চাৰি উইকেটৰ বিনিময়ত ২২১ ৰাণ সংগ্ৰহ কৰে। মায়ংকে ১২০ ৰাণত অপৰাজিত হৈ থকাৰ বিপৰীতে তেওঁৰ স'তে ২৫ ৰাণত উইকেটত আছে উইকেট কীপাৰ ঋদ্ধিমান সাহা। টেষ্টত চতুৰ্থ শতৰাণ অৰ্জন কৰা মায়ংকে এই পৰ্যন্ত ২৪৬টা বল খেলি ১৪টা বাউণ্ডেৰী আৰু চাৰিটা ছিক্সাৰ মাৰিছে।

বৰষুণৰ বাবে আজি প্ৰথম দিনাৰ খেল ভোজন বিৰতিৰ পাছৰ পৰাহে সম্ভৱ হয়। প্ৰত্যাৱৰ্তনকাৰী অধিনায়ক বিৰাট কোহলিয়ে টছত জয়ী হৈ পোনতে বেটিঙৰ সিদ্ধান্ত লয়। দুই অপেনাৰ মায়ংক আৰু শুভমন গিলে দৃঢ়তাৰে আৰম্ভ কৰি প্ৰাৰম্ভিক উইকেটত ৮০ ৰাণ যোগ দিয়াত ভাৰতে শক্তিশালী স্ক'ৰ সংগ্ৰহ কৰাৰ আশা জিলিকি উঠিছিল। অৱশ্যে ব্যক্তিগত ৪৪ ৰাণত গিলে ভাৰতীয় বংশোদ্ভৱ স্পীনাৰ এজাজৰ বলত বিদায় লোৱাৰ পাছতে ভাৰতৰ ইনিংছত খহনীয়াৰ সৃষ্টি হয়। পৰৱৰ্তী অভাৰতে এজাজে চেটেশ্বৰ পূজাৰা আৰু অধিনায়ক কোহলিক শূন্যতে বিদায় দিয়ে। প্ৰথম টেষ্টৰ শতৰাণকাৰী শ্ৰেয়াছ আয়াৰে মায়ংকৰ স'তে যুটি বান্ধি দলক ভৰসা দিয়াৰ চেষ্টা কৰিছিল। দুয়োৰে মাজত ৮০ ৰাণ যোগ হয় আৰু ইয়াত অধিক অৰিহণা আছিল ফৰ্মলৈ প্ৰত্যাৱৰ্তন ঘটোৱা মায়ংকৰ। শ্ৰেয়াছে অৱশ্যে প্ৰথম টেষ্টৰ প্ৰদৰ্শনৰ পুনৰাবৃত্তি ঘটোৱাত ব্যৰ্থ হয় আৰু ব্যক্তিগত ১৮ ৰাণত এজাজৰ চতুৰ্থ চিকাৰ হয়।

ভাৰতে আজি মূল একাদশত তিনিটা সালসলনি ঘটায়। আঘাতৰ বাবে টেষ্টখনত খেলিব নোৱাৰিলে অজিংক্য ৰাহানে, ৰবীন্দ্ৰ জাদেজা আৰু ঈশান্ত শৰ্মাই। তেওঁলোকৰ পৰিৱৰ্তে দলত অন্তৰ্ভুক্ত হয় অধিনায়ক কোহলি, অলৰাউণ্ডাৰ জয়ন্ত যাদৱ আৰু ফাষ্টবলাৰ মহম্মদ ছিৰাজ। উল্লেখ্য যে সুদীৰ্ঘ পাঁচ বছৰৰ পাছত টেষ্ট খেলাৰ সুযোগ পালে জয়ন্তই। আনহাতে, আঘাতৰ বাবে নিউজিলেণ্ডৰ অধিনায়ক কেন উইলিয়ামছনেও টেষ্টখনত খেলিব নোৱাৰিলে। তেওঁৰ স্থানত দলক নেতৃত্ব দিছে অপেনাৰ টম লেথামে।





*এজাজ পেটেলক অভিনন্দন সতীৰ্থ কিৱি খেলুৱৈৰ।*

# ১০ বাৰ শূন্যত আউট হোৱাৰ লজ্জাজনক অভিলেখ কোহলিৰ



**নিউজ ব্যুৰ'**
**মুম্বাই, ৩ ডিচেম্বৰ ঃ** প্ৰথম টেষ্টত বিশ্ৰামত থকাৰ পাছত দললৈ উভতি অহা ভাৰতীয় অধিনায়ক বিৰাট কোহলিয়ে আজি মাত্ৰ চাৰিটা বলহে খেলিবলৈ সক্ষম হয়। নিজৰ চতুৰ্থ বলতে এজাজ পেটেলৰ বলত থাৰ্ড আম্পায়াৰৰ বিতৰ্কিত সিদ্ধান্তৰ বলি হৈ কোহলিয়ে খালী হাতে পেভিলিয়নলৈ উভতিবলগীয়া হয়। অধিনায়কৰূপে টেষ্টত দশমবাৰলৈ শূন্যত আউট হ'ল কোহলি। এনে লজ্জাজনক অভিলেখৰ গৰাকী হোৱা কোহলি হ'ল ভাৰতৰ প্ৰথমজন টেষ্ট অধিনায়ক। তেওঁ ছখন দেশৰ মাটিত মুঠ ১০বাৰ শূন্যত আউট হৈছে।

ভাৰতীয় অধিনায়কসকলৰ ভিতৰত শূন্যত আউট হোৱাৰ ক্ষেত্ৰত কোহলিৰ পাছতে আছে টাইগাৰ মনছুৰ আলী খান পটৌদি। তেওঁ পাঁচবাৰ শূন্যত আউট হৈছিল। সেইদৰে কপিল দেৱ আৰু মহেন্দ্ৰ সিং ধোনি তিনিবাৰকৈ খালী হাতে পেভিলিয়নলৈ উভতিছিল।

# বৰ্ষ সমাপ্তিৰ প্ৰতিযোগিতাৰ পৰা বিদায় ল'লে শ্ৰীকান্তে

**নিউজ ব্যুৰ'**
**বালি, ৩ ডিচেম্বৰ ঃ** বেডমিণ্টনৰ বৰ্ষ সমাপ্তিৰ ৱৰ্ল্ড ট্যুৰ ফাইনেল্‌ছৰ পৰা বিদায় ল'লে ভাৰতীয় তাৰকা কাদাম্বি শ্ৰীকান্তে। আজি দ্বিতীয় বাছনিৰ মালয়েছিয়ান খেলুৱৈ লী জি জিয়াৰ বিপক্ষে পৰাজিত হৈ শ্ৰীকান্তে প্ৰতিযোগিতাৰ গ্ৰুপ পৰ্যায়ৰ পৰাই বিদায় ল'বলগীয়া হয়। 'বি' গ্ৰুপৰ তৃতীয় তথা অন্তিমখন মেচত মালয়েছিয়াৰ খেলুৱৈজনে শ্ৰীকান্তক ২১-১৯, ২১-১৪ পইণ্টৰ ব্যৱধানত পৰাজিত কৰে। প্ৰাক্তন এক নম্বৰ খেলুৱৈ শ্ৰীকান্তে গ্ৰুপ পৰ্যায়ৰ এখন খেলতো জয়লাভ কৰিব নোৱাৰিলে। ইপিনে, মহিলাৰ শাখাত 'এ' গ্ৰুপৰ অন্তিমখন মেচত পৰাজিত হ'ল ভাৰতীয় তাৰকা পি ভি সিন্ধু। অলিম্পিকৰ দুটাকৈ পদক জয়ী সিন্ধুৰ বিপক্ষে আজি ছাইলেণ্ডৰ পৰ্ণপাৱী চচুৱং প্ৰৱল প্ৰতিদ্বন্দ্বিতাৰ অন্তত ২১-১২, ১৯-২১, ২১-১৪ পইণ্টত বিজয়ী হয়। আজিৰ খেলত পৰাজিত হ'লেও অৱশ্যে সিন্ধুৱে সন্মানীয় প্ৰতিযোগিতাৰ ছেমিফাইনেলত আগতেই স্থান নিশ্চিত কৰিছিল।

# গোৱালপাৰাত বড়ৌচা কাপ ফুটবল

**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ৩ ডিচেম্বৰ ঃ** অসম ফুটবল সন্থাৰ তত্বাৱধানত বড়ৌচা স্প'ৰ্টছ ক্লাবৰ উদ্যোগত তথা গোৱালপাৰাৰ পঞ্চৰত্ন ফুটবল ক্লাবৰ সহযোগত অহা পাঁচ ডিচেম্বৰৰ পৰাই ত্ৰয়োদশ বড়ৌচা কাপ ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ইয়াৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তোলা হৈছে। গোৱালপাৰাৰ শোলমাৰীস্থিত কল্যাণপুৰ হাইস্কুলৰ খেলপথাৰত পাঁচদিনীয়াকৈ অনুষ্ঠিত হ'বলগীয়া এই প্ৰতিযোগিতাৰ উদ্বোধনী খেলখন হ'ব গোৱালপাৰাৰ পঞ্চৰত্ন ফুটবল ক্লাব আৰু হায়দৰাবাদৰ শ্ৰীশ্ৰী নিদি ডেক্কান এফচিৰ মাজত। এই প্ৰতিযোগিতাৰ আন দলসমূহ হৈছে কেৰালাৰ লুকা ফুটবল ক্লাব, গোসাঁইগাঁৱৰ গ্ল'বেল একাডেমী আৰু গুৱাহাটীৰ এ পি আৰ অ' ফুটবল ক্লাব।

# আজাৰা ফুটবল লীগত চেম্পিয়ন ৰূপালীম

**অগ্ৰদূত বাৰ্তা**
**আজাৰা, ৩ ডিচেম্বৰ ঃ** আজাৰাৰ ৰূপালীম ক্লাবে আজাৰা আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত আয়োজিত পদ্মৰাম দাস আৰু কমলেশ্বৰ বৰুৱা সোঁৱৰণী আন্তঃক্লাব ফুটবল লীগৰ খিতাপ অৰ্জন কৰিছে। আজি শ্যামভূমি হাইস্কুল খেলপথাৰত অনুষ্ঠিত প্ৰতিযোগিতাৰ ফাইনেলত ৰূপালীমে ৰাণী কোচিং চেণ্টাৰক টাই-ব্ৰেকাৰৰ সহায়ত ৪-৩ গ'লত পৰাজিত কৰে নিৰ্ধাৰিত সময়ত খেলখন ২-২ গ'লত ড্ৰ হৈছিল। ফাইনেলৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান অৰ্জন কৰে ৰাণী কোচিং চেণ্টাৰৰ ৰাকেশ বড়োৱে। শ্ৰেণী গ'লদাতাৰ সন্মান অৰ্জন কৰে ৰূপালীমৰ বিতোপন ৰাভাই। খেলৰ পূৰ্বে কাহিকুছি গাঁও পঞ্চায়তৰ সভাপতি জগন্নাথ ঠাকুৰীয়া আৰু ক্ৰীড়া সন্থাৰ সভাপতি ডাঃ হৰিচৰণ মেধিক খেলুৱৈসকলৰে চিনাকি কৰাই দিয়া হয়।

# বিশ্বনাথ-উত্তৰ শালমাৰা-ৰঙিয়া-বজালীৰ জয়

## ১৬ বছৰ অনূৰ্ধ্বৰ আৰ জি বৰুৱা ক্ৰিকেট

**গুৱাহাটী, ৩ ডিচেম্বৰ ঃ** অসম ক্ৰিকেট সন্থাৰ উদ্যোগত চলি থকা ১৬ বছৰ অনূৰ্ধ্বৰ আৰ জি বৰুৱা আন্তঃজিলা ক্ৰিকেটৰ প্লেট গ্ৰুপৰ ছুপাৰ নকআউটৰ আজিৰ খেলত বিশ্বনাথ, উত্তৰ শালমাৰা, ৰঙিয়া আৰু বজালী জিলা দলে জয়লাভ কৰে। মহানগৰীৰ নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত খেলত বিশ্বনাথে কোকৰাঝাৰক ১০ উইকেটত পৰাজিত কৰে। প্ৰথমে বেটিং কৰি কোকৰাঝাৰে ৫৯ ৰাণত ইনিংছ সামৰে। সৰ্বাধিক ২৪ ৰাণ কৰে জুৱেল দেয়ে। বিশ্বনাথৰ হৈ অভিষেক কুমাৰ ৰায় আৰু ইযা খানে তিনিটাকৈ উইকেট দখল কৰে। সহজ লক্ষ্য আগত লৈ বিশ্বনাথে কোনো উইকেট নেহেৰুৱাকৈ ১৪.৩ অভাৰতে বিজয় সাব্যস্ত কৰে। অথৰ্ব কাশ্যপে ২৫ আৰু অংকিত গুপ্তাই ২২ ৰাণত অপৰাজিত হৈ থাকে।

আমিনগাঁৱত অনুষ্ঠিত এখন খেলত উত্তৰ শালমাৰা দৰে ওদালগুৰিক ৬৯ ৰাণত পৰাজিত কৰে। প্ৰথমে বেটিং কৰি উত্তৰ শালমাৰাই ১৪৭ ৰাণ কৰে। প্ৰত্যুত্তৰত ওদালগুৰিৰ ইনিংছ ৭৮ ৰাণতে সমাপ্ত হয়। উত্তৰ শালমাৰাৰ জানিছাৰ আহমেদে দুৰ্দান্ত বলিঙেৰে মাত্ৰ চাৰি ৰাণতে সাতটা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে উত্তৰ শালমাৰাৰ হৈ কল্যাণজিৎ ৰয়ে সৰ্বাধিক ৪৫ ৰাণ কৰেষ ওদালগুৰিৰ ৰামকৃষ্ণ সৰকাৰে চাৰিটা আৰু লাকী পাছোৱানে তিনিটা উইকেট দখল কৰে।

ইফালে, মহানগৰীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত আজি দুখন খেল অনুষ্ঠিত হয়। ৰঙিয়াই বোকাখাতক সাত উইকেট আৰু বজালীয়ে মঙলদৈক ৩৫ ৰাণত পৰাজিত কৰে। প্ৰথমখন খেলত বোকাখাতে ১৩৪ ৰাণত ইনিংছ সামৰাৰ পাছত ৰঙিয়াই ২১.৩ অভাৰত তিনি উইকেটৰ বিনিময়ত জয়ৰ লক্ষ্যত উপনীত হয়। ৰঙিয়াৰ বৰুণ জাজ'ডিয়াই ৫৪ ৰাণ কৰে। ইয়াৰ পূৰ্বে বোকাখাতৰ হৈ সৰ্বাধিক ৬৫ ৰাণ কৰে বিনোদ মাঝিয়ে। ৰঙিয়াৰ চিণ্টু দাসে চাৰিটা আৰু ৰাজেক ছিদ্দিকে তিনিটা উইকেট দখল কৰে। আনখন খেলত বজালীয়ে প্ৰথমে বেটিং কৰি ১৪৪ ৰাণত ইনিংছ সামৰে। দলৰ হৈ দীপ ভৰদ্বাজে ৪০ আৰু নয়নমণি দাসে ২৯ ৰাণৰ বৰঙণি যোগায়। প্ৰত্যুত্তৰত মঙলদৈৰ ইনিংছ ১০৯ ৰাণতে সমাপ্ত হয়। দলৰ হৈ সৰ্বাধিক ৩২ ৰাণ কৰে প্ৰজ্ঞান হাজৰিকাই। বজালীৰ বায়ু আগৰৱালে পাঁচটা উইকেট দখল কৰে।

## ২৪সংখ্যক বড়ো ছহিদ কাপ ফুটবল

# লাংহিন তিনিআলি 'এ' চেম্পিয়ন

**অগ্ৰদূত বাৰ্তা**
**বেবেজীয়া, ৩ ডিচেম্বৰ ঃ** কাৰ্বি আংলং জিলাৰ লাংহিন তিনিআলি ক্ৰীড়া সন্থাৰ উদ্যোগত তথা বড়ো ছহিদ ন্যাসৰ সহযোগত লাংহিনৰ গৰৈমাৰী খেলপথাৰত অনুষ্ঠিত ২৪সংখ্যক বড়ো ছহিদ কাপ ফুটবলৰ আজি সামৰণি পৰে। আজিৰ ফাইনেলত বিজয়ী হৈ খিতাপ জয় কৰে লাংহিন তিনিআলি ক্ৰীড়া সন্থাৰ 'এ' দলে। আজিৰ ফাইনেলত লাংহিনে ডিফুৰ ইউনাইটেড ব্ৰাডাৰ্ছ ফুটবল ক্লাবক ২-১ গ'লত পৰাজিত কৰে। বিজয়ী দলৰ হৈ পাঁচ মিনিটত লাৰিছ মাৰাক আৰু ন মিটিত মাধুৰ্য বৰাই গ'ল দিয়াৰ বিপৰীতে ৪৫ মিনিটত ডিফুৰ হৈ এটা গ'ল পৰিশোধ কৰে লালামিংপু ৰাংক'লেই। আজিৰ খেল পৰিচালনাত ৰেফাৰী বাজু টিচ'ক সহায় কৰে মিণ্টু বৰদলৈ, আৰউইনছন কিলিং আৰু চতুৰ্থ ৰেফাৰী আলংবাৰ স্বৰ্গীয়াৰীয়ে। লাংহিন তিনিআলিৰ চাৰবিনন ক্ৰ' ফাইনেলৰ শ্ৰেষ্ঠ খেলুৱৈ বিবেচিত হোৱাৰ বিপৰীতে লাৰিছ প্ৰতিযোগিতাৰ সৰ্বাধিক গ'লদাতা আৰু নিজম বসুমতাৰীয়ে শ্ৰেষ্ঠ গ'লকীপাৰৰ সন্মান অৰ্জন কৰে। সামৰণি অনুষ্ঠানত বঁটাসমূহ বিতৰণ কৰে কাৰ্বি আংলঙৰ জিলা ক্ৰীড়া বিষয়া ৰিলীপ ৰংহাং, ক্ৰীড়া সংগঠক তৰুণ বসুমতাৰী, শান্তনু বসুমতাৰী, ড° প্ৰেমানন্দ মুছাহাৰী, নাৰায়ণ বসুমতাৰী আদিয়ে।

# দ্বিতীয় টেষ্টত বিশাল জয় শ্ৰীলংকাৰ

## এম্বুলডেনিয়া-মেণ্ডিজৰ বিক্ৰমত 'হোৱাইট ৱাশ্ব' ৱেষ্টইণ্ডিজৰ



**নিউজ ব্যুৰ'**
**গালে, ৩ ডিচেম্বৰ ঃ** স্পীনাৰদ্বয় লাচিত এম্বুলডেনিয়া আৰু ৰমেশ মেণ্ডিজৰ বিক্ৰমেৰে ৱেষ্টইণ্ডিজৰ বিপক্ষে বিশাল জয় অৰ্জন কৰিলে শ্ৰীলংকাই। ঘৰুৱা দলটোৱে আজি দ্বিতীয় টেষ্টত ১৬৪ ৰাণৰ ব্যৱধানত বিজয় সাব্যস্ত কৰে। এই জয়েৰে শ্ৰীলংকাই দুখনীয়া মেচৰ শৃংখলাটো ২-০ত দখল কৰি কেৰিবিয়ান দলটোক 'হোৱাইট ৱাশ্ব' কৰে। লগতে আজিৰ জয়েৰে শ্ৰীলংকাই আইচিচি টেষ্ট চেম্পিয়নশ্বিপৰ গুৰুত্বপূৰ্ণ ১২ পইণ্ট সংগ্ৰহ কৰে। সম্প্ৰতি শ্ৰীলংকা পইণ্ট তালিকাৰ শীৰ্ষত আছে।

আজিৰ অন্তিম দিনাৰ খেলত শ্ৰীলংকাই ন উইকেটত ৩৪৫ ৰাণ সংগ্ৰহ কৰি দ্বিতীয় ইনিংছ ঘোষণা কৰে। কালি শতৰাণ অৰ্জন কৰা ধনঞ্জয় ডি ছিলভাই ১৫৫ ৰাণত অপৰাজিত হৈ ৰয়। জয়ৰ বাবে ২৯৭ ৰাণৰ লক্ষ্যৰে চতুৰ্থ ইনিংছত বেটিং কৰিবলৈ নামি ৱেষ্টইণ্ডিজে ঘৰুৱা স্পীনাৰদ্বয়ৰ বিপক্ষে কোনো সময়তে মূৰ তুলিব নোৱাৰিলে। এনক্ৰুমা বুনাৰে সৰ্বাধিক ৪৪ আৰু জাৰ্মেইন ব্লেকউডে ৩৬ ৰাণ কৰিলেও বাকী বেটাৰসকল চূড়ান্তভাৱে ব্যৰ্থ হয়। এম্বুলডেনিয়াই ৩৫ ৰাণত আৰু মেণ্ডিছে ৬৬ ৰাণত পাঁচটাকৈ উইকেট দখল কৰে। উল্লেখ্য যে শ্ৰীলংকাই প্ৰথম ইনিংছত ২০৪ ৰাণ কৰাৰ পাছত কেৰিবিয়ান দলটোৱে ২৫৩ ৰাণ সংগ্ৰহ কৰি ৪৯ ৰাণৰ অগ্ৰগতি অৰ্জন কৰিছিল। অৱশ্যে দ্বিতীয় ইনিংছত ঘৰুৱা দলটোৱে দুৰ্দান্ত প্ৰত্যাৱৰ্তন ঘটায়।

# জ্যোতিষ্মান চাণ্ডোগ্যৰ খিতাপ

**গুৱাহাটী, ৩ ডিচেম্বৰ ঃ** দেশৰ ভিন্ন প্ৰান্তত অনুষ্ঠিত সৰ্বভাৰতীয় টেনিছ প্ৰতিযোগিতাত সাফল্য অৰ্জন কৰিছে অসমৰ খেলুৱৈয়ে। হাৰিয়ানাৰ কাৰ্ণেলত অনুষ্ঠিত ১৪ বছৰ অনূৰ্ধ্বৰ চেম্পিয়নশ্বিপ ছিৰিজ টেনিছৰ ডাবল্‌ছত অসমৰ জ্যোতিষ্মান বড়োৱে খিতাপ জয় কৰে। কালিৰ ফাইনেলত জ্যোতিষ্মানে হাৰিয়ানাৰ বংশ পুনিয়াৰে যুটি বান্ধি তানিষ্ক জুড আৰু অক্ষ জুডক ৬-৪, ৬-৩ ছেটত পৰাজিত কৰে। প্ৰতিযোগিতাৰ ছিংগল্‌ছত জ্যোতিষ্মান ৰাণাৰআপ হয়। ইপিনে, ৰাজস্থানৰ জয়পুৰত অনুষ্ঠিত ১২ বছৰ অনূৰ্ধ্বৰ প্ৰতিযোগিতাত অসমৰ চাণ্ডোগ্য ত্ৰিদিৱে পাঠকে ৰাজস্থানৰ ধনঞ্জয় টেবেৰিয়াক ৭-৫, ৬-২ ছেটত হৰুৱাই ছিংগল্‌ছৰ খিতাপ জয় কৰে।



*ডেভিছ কাপৰ খেলত ৰাছিয়াৰ আন্দ্ৰে মেডভেডেভ, শুকুৰবাৰে।*

## বড়োলেণ্ড ছহিদ ফুটবল

# হুগ্ৰাজুলি ফাইনেলত

**অগ্ৰদূত বাৰ্তা**
**মঙলদৈ, ৩ ডিচেম্বৰ ঃ** হুগ্ৰাজুলি ফুটবল ক্লাবে দৰং-ওদালগুৰি জিলাৰ সীমান্তৰ মুদৈবড়ীত চলি থকা তৃতীয় বাৰ্ষিক বড়োলেণ্ড ছহিদ সোঁৱৰণী ফুটবলৰ ফাইনেলত প্ৰৱেশ কৰিছে। আজি অনুষ্ঠিত প্ৰতিযোগিতাৰ প্ৰথম ছেমিফাইনেলত হুগ্ৰাজুলিয়ে উত্তৰ গুৱাহাটীৰ বাকা ফুটবল ক্লাবক ৩-১ গ'লৰ ব্যৱধানত পৰাজিত কৰে। হুগ্ৰাজুলিৰ হৈ গ'ল তিনিটা দিয়ে ক্ৰমে আকাৰিউছ মান্দি, আক্কাছ গোৱালা আৰু হিৰ হৰ'ৱে। বাকাৰ হৈ এটা গ'ল পৰিশোধ কৰে অতুল মাৰাকোৱে।

# এতিয়াই এদিনীয়া মেচৰ নেতৃত্ব নাযায় কোহলিৰ

**নিউজ ব্যুৰ'**
**মুম্বাই, ৩ ডিচেম্বৰ ঃ** এতিয়াই ভাৰতৰ এদিনীয়া মেচৰ দলৰ নেতৃত্বৰ পৰা অপসাৰিত নহয় বিৰাট কোহলি। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ড (বিচিচিআই)ৰ এক শীৰ্ষ সূত্ৰই এই কথা সদৰী কৰিছে। অৱশ্যে অধিনায়কজনে নিজাকৈ এদিনীয়া ক্ৰিকেটৰ নেতৃত্ব ত্যাগৰ সিদ্ধান্ত ল'লে সেয়া গৃহীত কৰা হ'ব। অৰ্থাৎ আগন্তুক দক্ষিণ আফ্ৰিকা ভ্ৰমণত খেলিবলগীয়া তিনিখন এদিনীয়া আন্তৰ্জাতিক মেচত কোহলিয়েই দলক নেতৃত্ব দিয়াৰ পূৰ্ণ সম্ভাৱনা আছে। উল্লেখ্য যে কোহলিয়ে ইতিমধ্যে টি-২০ দলৰ নেতৃত্ব ত্যাগ কৰিছে। ইয়াৰ পাছৰ পৰাই এদিনীয়া মেচৰ দলৰ পৰাও কোহলিক আঁতৰাই ৰোহিত শৰ্মাক অধিনায়ক নিৰ্বাচিত কৰাৰ দাবী উত্থাপিত হৈছিল। ব'ৰ্ডৰ একাংশই বগা বলৰ দুয়োটা সংস্কৰণতে ৰোহিতক নেতৃত্ব প্ৰদানৰ পোষকতা কৰিছিল। অৱশ্যে বিচিচিআইৰ সূত্ৰই কয় যে কোহলিয়ে যদি নিজে ত্যাগ নকৰে, তেন্তে এতিয়াই তেওঁক আঁতৰ কৰোৱাৰ পৰিকল্পনা ব'ৰ্ডৰ নাই। আচলতে ব'ৰ্ডে নিজাকৈ এই সিদ্ধান্ত গ্ৰহণৰ পৰা বিৰত আছে আৰু এই সন্দৰ্ভত সিদ্ধান্ত লোৱাৰ দায়িত্ব কোহলিৰ ওপৰতে এৰি দিয়া বুলি সূত্ৰই কয়।

# বিশ্বনাথৰ প্ৰণৱজ্যোতিৰ সাফল্য

**অগ্ৰদূত বাৰ্তা**
**বিশ্বনাথ চাৰিআলি, ৩ ডিচেম্বৰ ঃ** গুজৰাটৰ সোমনাথত যোৱা ২৭-২৮ নৱেম্বৰত অনুষ্ঠিত ২৩সংখ্যক সৰ্বভাৰতীয় ৱাড' কাই কাৰাটে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি সফলতা অৰ্জন কৰিলে বিশ্বনাথ চাৰিআলিৰ প্ৰণৱজ্যোতি বৰাই। বিশ্বনাথৰ উত্তৰ মৰলগাঁৱৰ পুতুল বৰা আৰু কৰবী গোহাঁই বৰাৰ একমাত্ৰ সন্তান প্ৰণৱজ্যোতিয়ে প্ৰতিযোগিতাখনত এটাকৈ ৰূপ আৰু ব্ৰঞ্জৰ পদক অৰ্জন কৰে। প্ৰশিক্ষক তন্ময় নাথৰ নেতৃত্বত যোৱা বিশ্বনাথ জিলাৰ চাৰিজনীয়া দলৰ পৰা প্ৰণৱজ্যোতিৰ উপৰি মুনমী দাসে স্বৰ্ণপদক, যশ ছেত্ৰীয়ে ব্ৰঞ্জ আৰু ছাব জুনিয়ৰ শাখাত ভাগ্যশ্ৰী ভূঞাই দুটা সোণৰ পদক জয় কৰে।

# কেৰিয়াৰৰ আঠশ সংখ্যক গ'ল ৰোণাল্ডোৰ ঃ ইউনাইটেডৰ জয়




**নিউজ ব্যুৰ'**
**মানচেষ্টাৰ, ৩ ডিচেম্বৰ ঃ** ফুটবল কেৰিয়াৰত আঠশ গ'ল সম্পূৰ্ণ কৰিলে ক্ৰিষ্টিয়ানো ৰোণাল্ডোৱে। কালি ইংলিছ প্ৰিমিয়াৰ লীগৰ এখন খেলত দুটাকৈ গ'ল দি ৰোণাল্ডোৱে দেশ আৰু ক্লাবৰ হৈ আঠশ গ'ল দিয়াৰ বিশেষ কৃতিত্ব স্থাপন কৰে। ৰোণাল্ডোৰ দুৰ্দান্ত প্ৰদৰ্শনৰ সুবাদতে কালিৰ খেলখনত মানচেষ্টাৰ ইউনাইটেডে আৰ্ছেনালক ৪-২ গ'লত পৰাজিত কৰি সম্পূৰ্ণ তিনি পইণ্ট সংগ্ৰহ কৰিবলৈ সক্ষম হয়। লগতে ইপিএলত পুনৰ জয়ৰ ধাৰালৈ প্ৰত্যাৱৰ্তন ঘটালে ইউনাইটেডে। কে'বাখনো খেলত দলটো জয়ী হ'ব পৰা নাছিল। উল্লেখ্য যে এমিল স্মিথৰ গ'লেৰে প্ৰথমে আৰ্ছেনালে খেলখনত অগ্ৰগতি অৰ্জন কৰিছিল। কিছু সময়ৰ পাছত ব্ৰুন'ৱে ইউনাইটেডৰ হৈ সমতা স্থাপন কৰাৰ পাছত ৰোণাল্ডোৱে দলক আগুৱাই নিয়ে। মাৰ্টিন অ'ডেগাৰ্ডে আৰ্ছেনালৰ হৈ এটা গ'ল দি সমতা স্থাপন কৰিছিল যদিও অন্তিম পৰ্যায়ত পেনাল্টিৰ জৰিয়তে ৰোণাল্ডোৱে ইউনাইটেডৰ হৈ জয়সূচক গ'লটো দিবলৈ সক্ষম হয়।

## ৭৩সংখ্যক স্বাধীনতা দিৱস কাপ

# এএছইবি ছেমিফাইনেলত

**অগ্ৰদূত বাৰ্তা**
**বেবেজীয়া, ৩ ডিচেম্বৰ ঃ** গুৱাহাটীৰ অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ স্প'ৰ্টছ ক্লাবে নগাঁও ক্ৰীড়া সন্থাৰ উদ্যোগত চলি থকা সৰ্বভাৰতীয় আমন্ত্ৰণমূলক ৭৩সংখ্যক স্বাধীনতা দিৱস কাপ ফুটবলৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে। নুৰুল আমিন ষ্টেডিয়ামত চলি থকা সন্মানীয় প্ৰতিযোগিতাখনৰ আজি অনুষ্ঠিত নৈশালোকৰ কোৱাৰ্টাৰ ফাইনেলত এএছইবিয়ে মাজুলীৰ কাৰচাং ফুটবল ক্লাবক ৮-০ গ'লত বিধ্বস্ত কৰে। সম্পূৰ্ণ একপক্ষীয় খেলখনত এএছইবিৰ অৰ্জুন মাৰ্ডীয়ে হেট্ৰিক অৰ্জন কৰে। তেওঁ খেলৰ ২৫, ৩৪ আৰু ৩৯ মিনিটত গ'ল তিনিটা দিয়ে। ইয়াৰ উপৰি জিজ্ঞাস ডেকা আৰু মনজিৎ ৰাভাই দুটাকৈ তথা দীপেন দৈমাৰীয়ে এটা গ'ল দিবলৈ সক্ষম হয়। আজিৰ খেল পৰিচালনা কৰাত ৰেফাৰী শ্বাহজাহান আলী চৌধুৰীক সহায় কৰে ধনশ্যাম দাস, কল্যাণ বৰুৱা আৰু চতুৰ্থ ৰেফাৰী পৱন পাঠকে। ঐতিহ্যমণ্ডিত প্ৰতিযোগিতাখনৰ কাইলৈৰ কোৱাৰ্টাৰ ফাইনেলত অসম পুলিচ ব্লুজ দলে তিনিচুকীয়াৰ বড়ৌচা স্প'ৰ্টছ ক্লাবৰ বিপক্ষে খেলিব।

# ৰাজ্যিক কাৰাটেত তিনিচুকীয়া দলৰ সাফল্য



**ডুমডুমা, ৩ ডিচেম্বৰ ঃ** গুৱাহাটীৰ তৰুণৰাম ফুকন আন্তঃদ্বাৰ ষ্টেডিয়ামত অনুষ্ঠিত অসম ৰাজ্যিক কাৰাটে প্ৰতিযোগিতাত তিনিচুকীয়া জিলা দলৰ আঠ খেলুৱৈয়ে পদক জয় কৰিবলৈ সক্ষম হৈছে। যোৱা ২০-২১ নৱেম্বৰত অনুষ্ঠিত প্ৰতিযোগিতাখনৰ পৰা এই খেলুৱৈসকলে জিলাখনলৈ পাঁচটা ৰূপ আৰু তিনিটা ব্ৰঞ্জৰ পদক কঢ়িয়াই আনিবলৈ সক্ষম হয়। প্ৰতিযোগিতাৰ বিভিন্ন শাখাত তিনিচুকীয়াৰ পূজা বৰগোহাঁই, সুস্মিতা মৰাণ, বিতোপন বড়া, ভাস্কৰ সোণোৱাল আৰু আৰিফ খানে ৰূপৰ পদক অৰ্জন কৰে। সেইদৰে ব্ৰঞ্জৰ পদক পায় শান্তনী গোহাঁই, ঋষিতা কলিতা আৰু সুভানা গগৈয়ে। জিলা কাৰাটে দলৰ স'তে গৈছিল তিনিচুকীয়া জিলা কাৰাটে সন্থাৰ সম্পাদক তথা প্ৰশিক্ষক মৃদুল গগৈ আৰু যুটীয়া সম্পাদক ইমৰাণ আলীয়ে।



বাগ্‌সাৰ ককিলাবাৰীত মৰ্মান্তিক ঘটনা

# বিদ্যুৎ প্ৰৱাহিত তাঁৰত লাগি বন্যহস্তীৰ মৃত্যু, ওৰে নিশা বুকুত মুখ গুজি থাকিল এবছৰীয়া পোৱালি

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী/জালাহ, ৩ ডিচেম্বৰ ঃ** খাদ্যৰ সন্ধানত বনাঞ্চলৰ পৰা জনাঞ্চললৈ ওলাই অহা এটা বন্যহস্তীৰ যোৱা নিশা বিদ্যুৎস্পৃষ্ঠ হৈ কৰুণ মৃত্যু হয় বাগ্‌সা জিলাৰ ককিলাবাৰীত। মাইকী হাতীজনীৰ মৃত্যুৰ পাছত দুগ্ধপায়ী এবছৰীয়া মতা হাতী পোৱালিটোৱে নিশাৰ ভাগত মাতৃৰ বুকুত মুখ গুজি শুই থকা ঘটনাই ৰাইজক ব্যথিত কৰে। প্ৰাপ্ত তথ্য মতে, মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ ভূঞাপাৰা ৰেঞ্জৰ গাতে লাগি থকা ককিলাবাৰী কৃষিফাৰ্মৰ ওচৰৰ ধাননিত সংযোগ কৰা সৌৰশক্তি চালিত বিদ্যুৎ তাঁৰত লাগি বন্যহস্তীজনীৰ মৃত্যু হয়। অভিযোগ মতে স্থানীয় কৃষ্ণকান্ত বসুমতাৰী নামৰ লোকজনে তেওঁৰ পকাধান বনৰীয়া হাতীৰ পৰা ৰক্ষা কৰিবলৈ হাতী অহা-যোৱা পথতে সংযোগ কৰিছিল সৌৰশক্তি চালিত বিদ্যুৎ তাঁৰ। বসুমতাৰীয়ে ককিলাবাৰী কেন্দ্ৰীয় কৃষিফাৰ্মৰ ৩০ বিঘা মাটি লিজত লৈ খেতি কৰিছিল। বন্যহস্তীৰ উপদ্ৰৱৰ পৰা ৰক্ষা পোৱাৰ বাবে বসুমতাৰীয়ে নিশাৰ ভাগত এন্দা বড়ো নামৰ লোকজনক নিয়োজিত কৰে। যোৱা নিশা খাদ্যৰ সন্ধানত মানাহ অভয়াৰণ্যৰ পৰা পোৱালিৰ স'তে এজনী মাইকী বন্যহস্তীয়ে ওলাই আহিছিল। কিন্তু দুৰ্ভাগ্যজনকভাৱে বৈদ্যুতিক তাঁৰত লাগি হাতীজনীৰ মৃত্যু হয়। ইপিনে, মাতৃদুগ্ধ দুবছৰীয়া পোৱালিটোৱে মৃত মাইকী হাতীটোৰ কাষত অতি কৰুণভাৱে ৰৈ থাকে। পুৱা স্থানীয় ৰাইজে এই দৃশ্য প্ৰত্যক্ষ বনবিভাগৰ লগতে আৰক্ষীৰ অৱগত কৰাত ঘটনাস্থলীত উপস্থিত হয়। আজি আবেলি মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ উপক্ষেত্ৰ সঞ্চালক দিবাকৰ দাস ভূঞাপাৰা ৰেঞ্জাৰ কামেশ্বৰ বড়ো, মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ বিশেষ কৰ্মৰত বিষয়া ধৰণীধৰ বড়ো আৰু পশু চিকিৎসক ডাঃ প্ৰভাত বসুমতাৰীয়ে আৰক্ষীৰ স'তে ঘটনাস্থলীত উপস্থিত হয়। পাছত মৃত হাতীটোক সৎকাৰৰ ব্যৱস্থা কৰাৰ লগতে পশু-চিকিৎসকে পোৱালি হাতীটোক ট্ৰেংকুলাইজ কৰি ভূঞাপাৰা ৰেঞ্জলৈ লৈ যায়। ইফালে, আৰক্ষী আৰু বনবিভাগে বিদ্যুৎ সংযোগ কৰা বসুমতাৰীৰ লগতে বড়োক আটক কৰি সকলো সা-সৰঞ্জাম জব্দ কৰে।



# নীলবাগানত টাটা ডি আইৰ পৰা ২৩ লাখ টকাৰ ড্ৰাগছ জব্দ

**অগ্ৰদূত বাৰ্তা**

**যমুনামুখ/হোজাই, ৩ ডিচেম্বৰ ঃ** ৰাজ্যজুৰি ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলি থকাৰ সময়তে দিনৰ ভাগত হোজাই জিলাৰ নীলবাগানত এখন টাটা ডি আইৰ পৰা বৃহৎ পৰিমাণৰ ড্ৰাগছ জব্দ কৰাৰ লগতে চালকক গ্ৰেপ্তাৰ কৰিছে আৰক্ষীয়ে। হোজাই জিলাৰ আৰক্ষী অধীক্ষক বৰুণ পুৰকায়স্থই লাভ কৰা এক বিশেষ তথ্যৰ ভিত্তিত নীলবাগানত ৰাষ্ট্ৰীয় ঘাইপথত আৰক্ষীয়ে তালাচী চলায়। পুৱাৰ ভাগত জিলা অতিৰিক্ত অধীক্ষক পনজিৎ দুৱৰাৰ নেতৃত্বত চলা অভিযানৰ সময়ত নীলবাগানৰ ৫৪ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত ডিমাপুৰৰ পৰা অহা এ-এছ-০১-জেচি-১৮৬০ নম্বৰৰ এখন টাটা ডি আই বাহনত তালাচী চলায়। তালাচীত বাহনখনৰ পৰা ৩৩টা ড্ৰাগছৰ পেকেট জব্দ কৰে। বাহনখনৰ এটা গোপন কক্ষত অতি কৌশলেৰে টিনেৰে জালাই কৰি লুকুৱাই আনিছিল ড্ৰাগছখিনি। একোটা পেকেটত আনুমানিক ৭০ হেজাৰ টকাৰ মূল্যৰ জব্দ কৰা ড্ৰাগছখিনিৰ বজাৰ মূল্য ২৩ লাখতকৈ অধিক হ'ব বুলি আৰক্ষীয়ে সদৰী কৰিছে। অৱশ্যে নিচাজাতীয় দ্ৰব্যখিনি ক'লৈ নি থকা হৈছিল সেয়া অদ্যাপি জানিব পৰা হোৱা নাই। আৰক্ষীয়ে অধিক তদন্তৰ বাবে চালক জমিৰউদ্দিন (২৮)ক জেৰা অব্যাহত ৰাখিছে। ধৃত চালকজনৰ ঘৰ নগাঁও জিলাৰ ৰূপহীৰ বালিকাত।

# ৰূপহীহাটত চোৰাং গৰুসহ আটক সৰবৰাহকাৰীক

## পৰিস্থিতিৰ সুযোগ লৈ তিনিজনৰ পলায়ন

**অগ্ৰদূত বাৰ্তা**

**ৰূপহীহাট, ৩ ডিচেম্বৰ ঃ** ৰাজ্যৰ বিজেপি নেতৃত্বাধীন চৰকাৰখনে গো-সুৰক্ষা বিধেয়ক প্ৰণয়ন কৰি অবৈধ গৰু সৰবৰাহৰ ক্ষেত্ৰত কঠোৰ পদক্ষেপ গ্ৰহণ কৰিলেও ৰাজ্যত অব্যাহত আছে চোৰাং গৰুৰ সৰবৰাহ। আজিও নগাঁও জিলাৰ ৰূপহীহাটৰ পশ্চিম শিঙিমাৰীত চাৰিটা চোৰাং গৰুসহ এজন সৰবৰাহকাৰী আৰক্ষীৰ জালত পৰে। ৰূপহীৰ পৰা শিঙিমাৰীৰ অভিমুখে চাৰিটা গৰুসহ চাৰিজন গৰু সৰবৰাহকাৰীয়ে গৈ থকা অৱস্থাত গাঁওৰক্ষী বাহিনী আৰু স্থানীয় ৰাইজৰ মাজত সন্দেহ ওপজাত সোধা-পোছা আৰম্ভ কৰে। সোধা-পোছাৰ অন্তত গৰু কেইটা চোৰাং বুলি প্ৰতীয়মান হয়। ইয়াকে লৈ শিঙিমাৰীত এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। এই সুযোগতে তিনিজন গৰু সৰবৰাহকাৰীয়ে পলায়ন কৰে। আনহাতে, আন এজন সৰবৰাহকাৰী ৰাইজৰ জালত পৰে। ধৃত গৰু সৰবৰাহকাৰীজন ৰূপহীহাটৰ কাঞ্চনপুৰৰ নেকিবুৰ ৰহমান। সম্প্ৰতি আৰক্ষীক খবৰ দিয়াত ঘটনাস্থলীত ৰূপহী থানাৰ আৰক্ষী বিষয়া উপস্থিত হৈ গৰু চাৰিটাসহ সৰবৰাহকাৰী নেকিবুৰক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি লৈ যায়। আনহাতে, আন তিনি গৰু সৰবৰাহকাৰী বিচাৰি আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

## শেষ পৃষ্ঠাৰ প্ৰথম

দৈনন্দিন

# বাণিজ্যে বসতি লক্ষ্মী

নাম তেওঁৰ হেমন্ত ৰাজবংশী। গাৰ বৰণ বগা আৰু ক্ষীণ দেহৰ। ওখই প্ৰায় চাৰে পাঁচ ফুট। অনবৰত হাঁহি এটি মুখত লাগি থাকে। পথৰ দাঁতিত থকা বজাৰৰ মাজেৰে তেওঁক নমতাকৈ পাৰ হ'লেও চিঞৰি 'দাদা' বুলি মাত এষাৰ লগায়। ওচৰত থকা শাক-পাচলিৰ ব্যৱসায়ীজনলৈ আঙুলিয়াই দি কয়, 'দাদা, তাৰ পৰা কিবা এবিধ লৈ যাওক।' অৱশ্যে শাক-পাচলিৰ প্ৰয়োজন হ'লে তেওঁলোকৰ পৰাই লৈ যোৱা হয়।

হেমন্তই অৱশ্যে শাক-পাচলিৰ দোকান নিদিয়ে। তেওঁ আদা, নহৰু, তেতেলী টেঙাৰ পেকেট, জলফাই, আমলখি, কেতিয়াবা গাঁৱত উৎপন্ন হোৱা মচুৰ দাইল, মাটি মাহৰ দাইল আদি বিক্ৰী কৰে। পৰিশ্ৰম হয়। তথাপি তিনিজনীয়া পৰিয়ালটো চলাই নিয়াৰ দায়িত্ব তেওঁৰ ওপৰত। পত্নী আৰু ১০ বছৰীয়া ল'ৰাটো গাঁৱৰ ঘৰত থাকে নলবাৰী জিলাৰ চামতাত। তেওঁ গুৱাহাটীৰ লিচুবাগানত ভাড়া থাকে। ১৫-২০ দিনমানৰ অন্তৰে অন্তৰে গাঁৱলৈ যায়। গণেশগুৰিৰ ফুটপাথত আন বহুতৰ দৰে দোকান দিয়ে। আৰ্থিক অনাটনৰ বাবে বেছি পঢ়া-শুনা কৰিব নোৱাৰিলে যদিও ল'ৰাটোক ভালকৈ পঢ়াই-শুনাই উচ্চ শিক্ষিত কৰাৰ তেওঁৰ এক সপোন আছে। সেই সপোন বাস্তৱায়িত কৰাৰ বাবে ফুটপাথৰ সৰু দোকানখনক তেওঁ সম্বল কৰি লৈছে। তাতেই তেওঁ সপোনৰ মায়াজালত আবদ্ধ। এই দোকানখনকে তেওঁ কেতিয়াবা ডাঙৰকৈ দিয়াৰ সপোন দেখে; কিন্তু ৰূঢ় বাস্তৱে সেয়া হ'বলৈ আজিলৈকে দিয়া নাই। তথাপি তেওঁৰ কোনো আক্ষেপ নাই। হাঁহিটো ওঁঠত লাগিয়েই থাকে।



এনেকৈয়ে হেমন্তই গণেশগুৰিৰ ফটপাথত ২০ বছৰ ধৰি দোকান দি আছে। টুক-টাককৈ চলিও আছিল। কিন্তু কৰ'নাৰ প্ৰথম ঢৌত তলাবন্ধ দিয়াৰ সময়ত তিনিমাহমান দোকান বন্ধ হৈ পৰাত ঘৰখন চলাই নিবলৈ অসমৰ্থ হৈ পৰিল। জীয়াই থকাৰ তাড়নাত, ল'ৰাটোৰ পঢ়া-শুনাৰ বাবে খৰচ বহন কৰিব নোৱাৰা অৱস্থাৰ সৃষ্টি হোৱাত অলপ সুতত ঋণ ল'বলৈ বাধ্য হ'ল। এবাৰ ঋণ ল'বলৈ হ'লে আকৌ ঋণ ল'ব লগা হয়। এনেকৈ ঋণ লওঁতে লওঁতে লাখৰ ঘৰ পালেগৈ।

অৱশ্যে এতিয়া ঋণবোৰ অলপ অলপকৈ পৰিশোধ কৰিবলৈ আৰম্ভ কৰিছে। আকৌ তলাবন্ধ নহ'লে তেওঁ ঋণ পৰিশোধ কৰিবলৈ অসুবিধা নহ'ব। আদা, নহৰুৰ দোকান যদিও তাৰ পৰা মাহিলি প্ৰায় ১০-১৫ হেজাৰ টকা উপাৰ্জন হয়। সেয়ে তেওঁৰ জীৱিকাৰ সম্বল। এই দোকানখনক লৈয়ে ব্যস্ত থাকিবলৈ পৰামৰ্শ দি ক'লো—মনত সেই ভাৱনা ৰাখি পৰিশ্ৰম কৰিলে এই দোকানখনেই এদিন ডাঙৰ হ'ব পাৰে। কাৰণ বাণিজ্যে বসতি লক্ষ্মী।

কথা শুনি তেওঁ মূৰ দুপিয়ালে।

■ ফণীধৰ পাঠক



নৱ-প্ৰজন্মই নাজানিলেও দেশৰ প্ৰৌঢ়সকলৰ মাজত এই নামটো যথেষ্ট পৰিচিত। সেই সময়ত দেশলৈ টেলিভিছন অহা নাছিল। মনোৰঞ্জনৰ একমাত্ৰ আহিলা আছিল ৰেডিঅ'। বিভিন্ন অনুষ্ঠান শুনাৰ বাবে সেই সময়ত মানুহ ৰেডিঅ'ৰ বাবে বলিয়া আছিল। ৰেডিঅ'ত গীতৰ এক অত্যন্ত জনপ্ৰিয় অনুষ্ঠান আছিল 'বিবিধ ভাৰতী'। সেই অনুষ্ঠানত শ্ৰোতাসকলে অনুৰোধ কৰা গীতেই বজোৱা হৈছিল।

# পত্ৰ লিখাৰ বাবে প্ৰতিযোগিতা হৈছিল ঝুমৰি তেলাইয়াত

## মনে সজা নহয়, ভাৰততে আছে ৰেডিঅ'যোগে পৰিচিতি পোৱা চহৰখন

■ **নিউজ ব্যুৰ'**

**নতুন দিল্লী, ৩ ডিচেম্বৰ ঃ** ঝুমৰি তেলাইয়া। নৱ-প্ৰজন্মই নাজানিলেও দেশৰ প্ৰৌঢ়সকলৰ মাজত এই নামটো যথেষ্ট পৰিচিত। সেই সময়ত দেশলৈ টেলিভিছন অহা নাছিল। মনোৰঞ্জনৰ একমাত্ৰ আহিলা আছিল ৰেডিঅ'। বিভিন্ন অনুষ্ঠান শুনাৰ বাবে সেই সময়ত মানুহ ৰেডিঅ'ৰ বাবে বলিয়া আছিল। ৰেডিঅ'ত গীতৰ এক অত্যন্ত জনপ্ৰিয় অনুষ্ঠান আছিল 'বিবিধ ভাৰতী'। সেই অনুষ্ঠানত শ্ৰোতাসকলে অনুৰোধ কৰা গীতেই বজোৱা হৈছিল। সেই অনুষ্ঠানৰ জৰিয়তেই দেশৰ বিভিন্ন কোণৰ মানুহৰ মাজত জনপ্ৰিয় হৈ পৰিছিল ঝুমৰি তেলাইয়া।

সেই সময়ত 'বিবিধ ভাৰতী' অনুষ্ঠানলৈ ঝুমৰি তেলাইয়াৰ পৰাই ইটোৰ পাছত সিটোকৈ গীতৰ অনুৰোধ আহিছিল। ফলত সঞ্চালকে বাৰে বাবে ঠাইখনৰ নামটো উচ্চাৰণ কৰিবলগীয়া হৈছিল। ঠাইৰ নামটোও আছিল অদ্ভুত। তাতে ঘনাই সঞ্চালকৰ মুখত নামটো শুনি শুনি অধিকাংশ শ্ৰোতাই ধাৰণা কৰিছিল যে হয়তো অনুষ্ঠানৰ জনপ্ৰিয়তা বৃদ্ধি হোৱাটো দেখুৱাবলৈকে কোনো মনে সজা ঠাইৰ নাম উল্লেখ কৰিছে। কিয়নো প্ৰায় প্ৰতিটো গীতৰ অনুৰোধ আহিছিল ঝুমুৰি তেলাইয়াৰ বহু লোকৰ পৰা। নামবোৰ পঢ়ি শুনাবলৈকে সঞ্চালকক কিছু সময়ৰ প্ৰয়োজন হৈছিল। অথচ বহুতেই নাজানে যে ঝুমৰি তেলাইয়া কোনো মনে সজা ঠাই নহয়, বৰঞ্চ আমাৰ দেশতে আছে ৰেডিঅ'ৰ যোগে পৰিচিতি লাভ কৰা চহৰখন। ঝুমৰি তেলাইয়া হৈছে ঝাৰখণ্ডৰ কোডাৰ্মা জিলাৰ এখন সৰু চহৰ। দামোদৰ নদীৰ তীৰত গঢ়ি উঠা এই চহৰখনৰ ঝুমৰি শব্দটো আহিছে লোকনৃত্য ঝুমৰৰ পৰা। আনহাতে, তেলাইয়া শব্দৰ অৰ্থ হৈছে সৰু হ্ৰদ। চহৰৰ উপকূলত আছে বৰাকৰ নদীবান্ধ, তাৰ পৰাই আহিছে তেলাইয়া শব্দটো। অতি কম সময়ৰ ভিতৰতে সৰু চহৰখন সমগ্ৰ দেশতে পৰিচিত হৈ পৰিছিল। চহৰৰ মাটিৰ তলত প্ৰচুৰ পৰিমাণে খনিজ সম্পদ আছিল। ব্ৰিটিছসকলে সেই সম্পদৰ সন্ধান লাভ কৰি অঞ্চলটোত বসতি স্থাপন কৰিছিল। খনিজ পদাৰ্থ উক্ত খনিৰ পৰা উত্তোলনৰ বাবে কাৰখানাও স্থাপন কৰিছিল। সমগ্ৰ দেশে যি সময়ত দাৰিদ্ৰতাৰে সংগ্ৰাম কৰিছিল, একৰৰ পাছত একৰ ভূমিত খনিজৰ সন্ধানে উক্ত অঞ্চলৰ ভাগ্য সলনি কৰিছিল। বিত্তবান হৈ পৰিছিল ঝুমৰি তেলাইয়াৰ ব্যৱসায়ীসকল। বিশালকায় প্ৰাসাদ, দামী গাড়ী আদি সকলোবোৰেই আছিল ঝুমৰি তেলাইয়াত।

১৯৫০ৰ পৰা ১৯৬০ৰ সময়ছোৱাৰ ভিতৰত দেশৰ প্ৰায় প্ৰতিজন লোকৰ মাজত পৰিচিত হৈ পৰে ঝুমৰি তেলাইয়া। সেই সময়ছোৱাত প্ৰায় সকলো মানুহৰে মাজত আছিল ৰেডিঅ' শুনাৰ চখ। ৰেডিঅ'ৰ 'বিবিধ ভাৰতী' গীতৰ অনুষ্ঠানত ঝুমৰি তেলাইয়াৰ বাসিন্দা ৰামেশ্বৰ প্ৰসাদ বাৰ্ণৱালেৰ নাম সঘনাই শোনা গৈছিল। তেওঁ দৈনিক কমেও ২৫-৩০টা গীতৰ অনুৰোধ জনাই ৰেডিঅ'ৰ অনুষ্ঠানটোলৈ পত্ৰ প্ৰেৰণ কৰিছিল। সদায় বাৰ্ণেৱালেৰ নাম ৰেডিঅ'ত শুনি শুনি ক্ৰমান্বয়ে ঝুমৰি তেলাইয়াৰ অন্যান্য বাসিন্দাসকলৰ বাবে বিষয়টো ঈৰ্ষাৰ কাৰণ হৈ উঠে। এজন-দুজনকৈ ঝুমৰি তেলাইয়াৰ অসংখ্য লোকে গীতৰ অনুৰোধ জনাই পত্ৰ লিখিবলৈ ল'লে। ফলত 'বিবিধ ভাৰতী'ৰ সঞ্চালকে বাৰে বাৰে ঝুমৰি তেলাইয়াৰ নাম উচ্চাৰণ কৰিবলগীয়া অৱস্থা হ'ল। সকলোৱেই বিচাৰিছিল যাতে তেওঁলোকৰ নাম বাৰে বাৰে সঞ্চালকে উচ্চাৰণ কৰে। উক্ত অনুষ্ঠানৰ জনপ্ৰিয়তাৰ বাবে এসময়ত সৰু চহৰখনত এটা ক্লাবৰো জন্ম হয়। ক্লাবৰ প্ৰতিজন সদস্যই গীতৰ অনুৰোধ জনাই লিখি লিখিছিল আৰু সঞ্চালকে কাৰ কিমানটা গান অনুষ্ঠানত বজালে তাকে লৈ নিজৰ মাজত প্ৰতিযোগিতা চলিছিল। পৰিস্থিতি এনে পৰ্যায় পাইছিলগৈ যে তেতিয়া হেনো স্থানীয় ডাকঘৰৰ পিয়নক ঘোচ পৰ্যন্ত দিয়া হৈছিল। যাতে পিয়নজনে আন কাৰো চিঠি ৰেডিঅ'ৰ কাৰ্যালয়লৈ নিনিয়ে।



উল্লেখ্য যে ঝাৰখণ্ডৰ ভিতৰুৱা স্থান ঝুমৰি তেলাইয়া অনুষ্ঠানৰ আন শ্ৰোতাসকলৰ বাবে একেবাৰে অপৰিচিত নাম আছিল। সেয়ে ঘনাই একেটা নামকে শুনি থাকি অধিকাংশ শ্ৰোতাই ধাৰণা কৰি লৈছিল যে ঝুমৰি তেলাইয়াৰ আচলতে কোনো অস্তিত্ব নাই। সঞ্চালকে মনে সাজি কোৱা বুলিহে ভাবিছিল।

দেশত টেলিভিছনে জনপ্ৰিয়তা অৰ্জন কৰাৰ সময়লৈকে ঝুমৰি তেলাইয়াৰ পৰা গীতৰ অনুৰোধত অনুষ্ঠানলৈ পত্ৰ গৈছিল। লাহে লাহে সেই ধাৰা হ্ৰাস পাবলৈ ধৰে। অৱশ্যে তেতিয়ালৈ অখ্যাত সৰু চহৰখন সমগ্ৰ দেশৰ শ্ৰোতাৰ মাজত পৰিচিত হৈ পৰিছিল। আনকি বলিউদৰ একাধিক ছবিতো বিভিন্ন ধৰণে ঝুমৰি তেলাইয়াৰ নাম ব্যৱহাৰ কৰা হৈছে। ঝুমৰি তেলাইয়াৰ নাম উল্লেখ কৰি বলিউদৰ এখন ছবিত এটা গীতো ব্যৱহাৰ কৰা হৈছিল।

# গৰুক বিয়া কৰাই পুনৰ সংসাৰ পাতিলে মহিলাই

## পশুধনৰ ৰূপত মৃত স্বামী উভতি অহাৰ দাবী



■ **নিউজ ব্যুৰ'**


**নতুন দিল্লী, ৩ ডিচেম্বৰ ঃ** মুখৰ কাষলৈ নিজৰ মুখ নি মৰম কৰিছিল এটা গৰুৱে। তেতিয়াই মহিলাগৰাকীৰ ধাৰণা হ'ল যে তেওঁৰ মৃত স্বামীৰ গৰুৰ ৰূপত পুনৰ্জন্ম হৈছে। সেই অনুভূতি গাঢ় হোৱাৰ পাছত আৰু তেওঁ পলম নকৰিলে। সেই গৰুৰ স'তে বিবাহপাশত আবদ্ধ হৈ সেই মহিলাই নতুনকৈ সংসাৰ পাতিছে। সম্প্ৰতি এই আচহুৱা ঘটনা সংঘটিত হৈছে দক্ষিণ-পূব এছিয়াৰ দেশ কম্বোডিয়াত।

দেশখনৰ ক্ৰাতি প্ৰদেশৰ বাসিন্দা ৭৪ বছৰীয়া বৃদ্ধা খিম হাং। যোৱা বছৰ তেওঁৰ স্বামীৰ মৃত্যু হয়। ইয়াৰ পাছতে এদিন এটা গৰুৱে বৃদ্ধাৰ মুখৰ কাষলৈ মুখ আনি আদৰ কৰিছিল। অৱশ্যে মহিলাই দাবী কৰে যে গৰুটোৱে তেওঁক আচলতে চুম্বন কৰিছিল। তাৰ পাছৰ পৰাই খিমৰ ধাৰণা হ'বলৈ ধৰে যে সেই গৰুটোৱেই প্ৰকৃততে তেওঁৰ মৃত স্বামী। এই ধাৰণা দৃঢ় হোৱাৰ পাছতে বৃদ্ধাই গৰুটোক বিয়া কৰোৱাৰ সিদ্ধান্ত লয়। গাঁওবাসীসকলৰ অধিকাংশই সংবাদ মাধ্যমক জনাইছে যে মহিলাৰ স'তে গৰুৰ বিবাহ অনুষ্ঠানত তেওঁলোক উপস্থিত আছিল। গৰুক বিয়া কৰোৱাৰ পাছত খিমে নিজৰ কোঠাতে ৰাখিছে। নিয়মিতৰূপে স্নান কৰোৱা, খাবলৈ দিয়াৰ সমান্তৰালকৈ তেওঁ স্বামীৰূপেই গৰুটোৰ পৰিচৰ্যা অব্যাহত ৰাখিছে। আনকি আৰাম কৰি শোৱাৰ বাবে গৰুৰূপী 'স্বামী'ৰ কোমল গাৰু-বিছনা আদিৰো ব্যৱস্থা কৰি দিছে তেওঁ। এই বিষয়ত খিমে এক আন্তৰ্জাতিক সংবাদ সংস্থাক কয়, 'মই ভাবো এই গৰুটো মোৰ স্বামী। কাৰণ সেই গৰুৱে মোৰ স'তে সেই আচৰণেই কৰে, যি আচৰণ স্বামী জীয়াই থকা হ'লে কৰিলেহেঁতেন।' প্ৰথম কেতিয়া তেনে অনুভৱ হৈছিল সেই কথাও জনাইছে বৃদ্ধাগৰাকীয়ে। তেওঁ কয়, 'গৰুটোৱে মোৰ ডিঙি, চুলিৰ কাষলৈ আহি চেলেকি দিয়ে। তাৰ পাছত মোক চুমা খাই খটখটীৰে মোৰ পাছে পাছে আহিছিল। ঠিক যিদৰে কৰিছিল মোৰ স্বামীয়ে। তাৰ পাছৰ পৰাই মোৰ ধাৰণা হৈছে যে মোৰ স্বামীয়ে গৰু হৈ মোৰ কাষলৈ উভতি আহিছে।'

# আঠশ বছৰ পূৰ্বেই নিঃশেষ হৈছিল বিশ্বৰ সৰ্ববৃহৎ ঈগলৰ প্ৰজাতি 'হাষ্ট'

**নিউজ ব্যুৰ'**

**নতুন দিল্লী, ৩ ডিচেম্বৰ ঃ** চিকাৰ কৰাৰ শৈলী শগুনৰ দৰে। শগুনৰ দৰেই ই চিকাৰৰ শৰীৰত নিজৰ মূৰটো সুমুৱাই দি ফালি ছিৰাছিৰ কৰি খায়। এক অধ্যয়নৰ পৰা এই কথা পোহৰলৈ আহিছে। কিন্তু আচৰিত কথা যে ই শগুন নহয় । শগুনৰ দৰেই তীক্ষ্ণ চিকাৰী কৌশলপুষ্ট এক ঈগলৰ প্ৰজাতি। ই হৈছে বিশ্বৰ সৰ্ববৃহৎ ঈগল। ইয়াক 'হাষ্ট ঈগল' হিচাপে জনা যায়। পক্ষীটোৰ উৰণ-চলন পদ্ধতি আধুনিক ঈগলৰ দৰে আছিল যদিও চিকাৰৰ প্ৰক্ৰিয়া আছিল শগুনৰ দৰে । আঠশ বছৰ পূৰ্বে নিউজিলেণ্ডত পোৱা এই পক্ষীটোক দেশখনৰ 'মাউৰী' লোকসকলে তেওঁলোকৰ ভাষাত 'টে-হ' কিঅক্কাই বুলিছিল। ইয়াৰ অৰ্থ হৈছে 'অল্ড গ্লুটান'। ইয়াৰ চিকাৰৰ পদ্ধতিয়ে পক্ষীটোক ঈগলৰ পৰা কিছু পৃথক কৰি তোলে । হাষ্ট ঈগল'ৰ বৈজ্ঞানিক নাম 'হিৰেটছ মুৰেই' । প্ৰজাতিটোৰ প্ৰকৃতি আৰু দেহাবয়ব আছিল ঈগলৰ দৰে কিন্তু ইয়াৰ চিকাৰৰ পদ্ধতি আৰু নখ শগুনৰ দৰে হোৱাৰ বাবে ইয়াক লৈ বৈজ্ঞানিকসকলৰ মাজত আজিও মতানৈক্য আছে। কোনোৱে যদি ইয়াক ঈগল বোলে আন এচামে তাক শগুন বোলে। ইয়াৰ মূৰটোও আছিল শগুনৰ দৰেই। দেহত আছিল প্ৰচণ্ড শক্তি। পক্ষীটোৰ ওজন আছিল প্ৰায় ১৫ কেজি। নিউজিলেণ্ডৰ এইবিধ পক্ষী আজি বিশ্বৰ পৰা নিশ্চিহ্ন হ'ল। ৮০০ বছৰ পূৰ্বেই ইয়াৰ বিলুপ্তি ঘটে যদিও বিশ্বৰ বৈজ্ঞানিকসকলে ইয়াৰ বিষয়ে অনুসন্ধান কৰি তাৰ 'ডিজিটেল মডেল' প্ৰস্তুত কৰি উলিয়াইছে। যাৰ দ্বাৰা পক্ষীটোৰ বিষয়ে এই তথ্যসমূহ উদ্‌ঘাটন হৈছে। নিউজিলেণ্ড কনজাৰ্ভেশ্বন অৰ্গেনাইজেচন'ৰ মতে হাষ্ট ঈগলৰ নখৰ জোখ চাৰি ইঞ্চি। ইয়াৰ ডেউকা মেলি দিলে প্ৰায় ১০ ফুট হৈছিল। ই খাদ্য হিচাপে এবিধ বিশেষ চৰাই চিকাৰ কৰিছিল। ডেউকা নথকা এই চৰাইবিধৰ নাম আছিল ম'ছ। এই চৰাইবিধো আঠশ বছৰ পূৰ্বে নিউজিলেণ্ডৰ পৰা বিলুপ্ত হৈ পৰে। দেশখনৰ মাউৰী সম্প্ৰদায়ৰ লোকসকলে এইবিধ চৰাই খাদ্য হিচাপে ব্যৱহাৰ কৰাৰ লগতে ইয়াৰ ছাল বিভিন্ন কামত ব্যৱহাৰ কৰিছিল। যাৰ বাবে চৰাইবিধৰ বিলুপ্তি ঘটিল বুলি বিজ্ঞানীসকলে ক'ব খোজে।



# দোতমাত নাহৰফুটুকীৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**কোকৰাঝাৰ, ৩ ডিচেম্বৰ ঃ** বিটিআৰৰ সদৰ কোকৰাঝাৰ জিলাত বিগত এমাহত বন্যহস্তীৰ আক্ৰমণত এজন লোকৰ প্ৰাণ হানি আৰু ভালুকৰ আক্ৰমণত সাতজনকৈ লোক আহত হোৱা ঘটনাৰ প্ৰতিক্ৰিয়া মাৰ নৌযাওঁতে এইবাৰ দোতমাত ৰাইজৰ আক্ৰমণত এটা নাহৰফুটুকী বাঘৰ মৃত্যু হয়। জিলাখনৰ দোতমা থানাৰ অন্তৰ্গত আউলাগুৰি গাঁওলৈ কচুগাঁও বন সংমণ্ডলৰ জংঘলৰ পৰা ওলাই আহে এটা নাহৰফুটুকী বাঘ। পাছত স্থানীয় ৰাইজে নাহৰফুটুকীটোক খেদি-মেলি কৰায়ত্ত কৰে। বন বিভাগে এই বিষয়ে জানিব পাৰি ঘটনাস্থলীত উপস্থিত হৈ নাহৰফুটুকীটো আহত অৱস্থাত উদ্ধাৰ কৰে। পাছত ফকিৰাগ্ৰাম বন বিভাগৰ ৰেঞ্জাৰ পবিত্ৰ কুমাৰ দাসৰ নেতৃত্বত তত্‌তালিকে ফকিৰাগ্ৰাম পশু চিকিৎসালয়লৈ নিয়া হয় যদিও দুৰ্ভাগ্যজনকভাৱে নাহৰফুটুকীটোৰ মৃত্যু হয়।

APOLLO HOSPITALS CHENNAI

ENT SPECIALIST ডাঃ ভেংকট কাৰথিকায়েন

(USA) NEUROTOLOGY & SKULL BASE SURGERY

কেৱল পৰামৰ্শৰ বাবে পাঠশালাত উপস্থিত থাকিব।

ON 12th December'2021

APOLLO HOSPITALS INFORMATION CENTRE

Pathsala Milanpur Bhutan Road, Barpeta, Assam

Contact : 8939232505, 8939232502

অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।

ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।

E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com